# CONTENT

**June Session (No. 3)**
**Dated, the 8th June, 2011**


| | | |
|---|---|---|
| 2. | Debates on Governor's Address | 01 |
| 3. | Election of Deputy Speaker | 57 |
| 4. | Felicitation To The Newly Elected Deputy Speaker | 58 |
| 5. | Laying of Report | 60 |
| 6. | Constitution of Legislature Committee | 60 |
| 7. | Announcement from the Chair | 66 |
| 8. | Valedictory Speech | 70 |
| 9. | Adjournment | 72 |

# CONTENT

**June Session (No. 3)**
**Dated, the 8th June, 2011**


| | | |
|---|---|---|
| 2. | Debates on Governor's Address | 01 |
| 3. | Election of Deputy Speaker | 57 |
| 4. | Felicitation To The Newly Elected Deputy Speaker | 58 |
| 5. | Laying of Report | 60 |
| 6. | Constitution of Legislature Committee | 60 |
| 7. | Announcement from the Chair | 66 |
| 8. | Valedictory Speech | 70 |
| 9. | Adjournment | 72 |

# DEBATES OF THE ASSAM. LEGISLATIVE ASSEMBLY

## Wednesday, The 8th June, 2011

### The House met at 9 am of the clock in the Assembly Chamber at Dispur with Shri Pranab Gogoi, Speaker in the Chair.

**মাননীয় অধ্যক্ষ ঃ কাৰ্যসূচী নং-১** । অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত, অসম বিধানসভাৰ কাৰ্য উপদেষ্টা সমিতিৰ এখন বৈঠক ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ সম্পৰ্কত সদনত বিতৰ্কৰ সময় নিৰ্ধাৰণৰ বাবে বিভিন্ন দল আৰু নিৰ্দলীয় সদস্য সকলক উপযুক্ত সময় আবণ্টন দিবৰ বাবে আলোচনা কৰিবলৈ যোৱা ৭ জুন, ২০১১ তাৰিখে দিনটোৰ সদনৰ কাৰ্যসূচী অন্ত পৰাৰ লগে লগে মোৰ কাৰ্যালয় সভাকক্ষত এখন বৈঠক অনুষ্ঠিত কৰা হৈছিল।

বৈঠকত সমিতিয়ে সৰ্বসন্মতিক্ৰমে নিম্নোল্লেখিত দল সমূহৰ বিপৰীতে ৮ জুন, ২০১১ তাৰিখে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত বিতৰ্কৰ সময় আবণ্টন দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

| | |
|---|---|
| মুঠ সময় ঃ | = ৩ ঘণ্টা ৯ মিনিট |
| প্ৰতিগৰাকী সদস্য/সদস্যাৰ বাবে ধাৰ্য কৰা সময় | = ১১/২ মিনিট |
| ১। ভাৰতীয় জাতীয় কংগ্ৰেছ | = ১১৭ মিনিট (মাননীয় মুখ্য মন্ত্ৰীৰ উত্তৰসহ) |
| ২। এ আই ইউ ডি এফ | = ২৭ মিনিট |
| ৩। বি পি এফ | = ১৮ মিনিট |
| ৪। অসম গণ পৰিষদ | = ১৫ মিনিট |
| ৫। ভাৰতীয় জনতা পাৰ্টী | = ৭১/২ মিনিট |
| ৬। তৃণমূল কংগ্ৰেছ | = ১১/২ মিনিট |
| ৭। নিৰ্দলীয় | = ৩ মিনিট |

আশা কৰো এই প্ৰতিবেদনত মাননীয় সদনৰ অনুমোদন আছে।

**মাননীয়আধ্যক্ষ ঃ কাৰ্যসূচী নং ২ ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্ক।**

ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য, শ্ৰী আব্দুল মুহিব মজুমাদাৰে উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত মই তিনিখন সংশোধনীৰ জাননী পাইছো।

সংশোধনী প্ৰস্তাৱৰ প্ৰথমখন জাননী মাননীয় সদস্য হাফিজ বছিৰ আহমেদ, শ্ৰীআমিনুল ইছলাম, শ্ৰীমনোৱাৰ হুছেইন, শ্ৰীস্বপন কৰ আৰু মৌলানা আতাউৰ ৰহমান মাঝাৰ ভূঞাৰ নামত আছে।

সংশোধনী প্ৰস্তাৱৰ দ্বিতীয়খন জাননী মাননীয় সদস্য, মঃ চিৰাজুদ্দিন আজমল, শ্ৰীশ্বেৰমান আলী আহমেদ, হাফিজ বছিৰ আহমেদ, মৌলানা আতাউৰ ৰহমান মাঝাৰভূইয়া আৰু শ্ৰীগোপী নাথ দাসৰ নামত আছে।

সংশোধনী প্ৰস্তাৱৰ তৃতীয়খন জাননী মাননীয় সদস্য, শ্ৰীফণী ভূষণ চৌধুৰী, শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, শ্ৰীভূপেন ৰায়, শ্ৰীনৰ কুমাৰ দলে, শ্ৰীপদ্ম হাজৰিকা, শ্ৰী কেশৱ মহন্ত, শ্ৰীমুকুন্দ ৰাম চৌধুৰী আৰু প্ৰবীন হাজৰিকাৰ নামত আছে।

এতিয়া মই মই মাননীয় সদস্য সকলক তেখেত সকলৰ সংশোধনীবিলাক উত্থাপন কৰিবলৈ আহ্বান জনালো।

শ্ৰীমনোৱাৰ হুছেইন ঃ ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় বিধায়ক শ্ৰীআব্দুল মুহিব মজুমদাৰে ৭ জুন, ২০১১ তাৰিখে উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱৰ অন্তত নিম্নোলিখিত কথাখিনি সংযোগ কৰা হওক ঃ

(১) পৃষ্ঠা ১৪ৰ গড়কাপ্তানি শিতানত নিম্নোক্ত কথাখিনি যোগ কৰা হওক—

বৰ্তমানে বাকী থকা ২৩৪১ খন কাঠৰ দলং অগ্ৰাধিকাৰ ভিত্তিত পকী দলঙলৈ ৰূপান্তৰিত কৰা হ'ব।

(২) পৃষ্ঠা ৩ৰ ২নং পেৰাত ' আইন আৰু শৃংখলা' শিতানত নিম্নোক্ত কথাখিনি যোগ কৰা হওক—

সন্দেহযুক্ত ভোটাৰৰ বিষয়টো মোৰ চৰকাৰে অহা ৬ (ছয়) মাহৰ ভিতৰত সমাধান

কৰিব আৰু প্ৰকৃত ভাৰতীয়ৰ নামত 'D' লগোৱাৰ ক্ষেত্ৰত যি সকল বিষয়া বা কৰ্মচাৰী দায়ী তেওঁলোকক চিনাক্ত কৰি উপযুক্ত অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব। যিসকল নিৰ্দোষী তথা বৈধ ভাৰতীয় নাগৰিকক সন্দেহৰ ভিত্তিত হাৰাশাস্তিৰ বলি সজোৱা হৈছে; তেওঁলোকক দহ লাখ টকাকৈ ক্ষতিপূৰণ দিয়াৰ বাবে আমাৰ চৰকাৰ বাধ্য থাকিব।'

(৩) পৃষ্ঠা নং ২১ৰ 'সংখ্যালঘু কল্যাণ' শিতানৰ শেষত 'অধিক বিত্তীয় ক্ষমতা আৰু অনুদান'ৰ ঠাইত '১০০ কোটি টকাৰ বিত্তীয় অনুদান প্ৰতি বছৰে আগবঢ়োৱা হ'ব বুলি সংশোধন কৰা হওক। লগতে সংযোজন কৰা হওক 'আমাৰ চৰকাৰে চলিত বিত্তীয় বছৰতে সংখ্যালঘু উন্নয়ণ সঞ্চালকালয়' গঠন কৰিব।

(৪) শিক্ষা শিতানত নিম্নোল্লেখিত কথাখিনি সংযোজন কৰা হওক—

'আমাৰ চৰকাৰে জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত প্ৰতিখন বিদ্যালয়ত বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ কাম সম্পূৰ্ণ কৰিব। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে শিক্ষক নিযুক্তি নিশ্চিত কৰা হ'ব। অসমত স্থাপন হোৱা ভেন্সাৰ স্কুল সমূহ চলিত শিক্ষা বৰ্ষৰ ভিতৰতেই প্ৰাদেশীকৰণ কৰা হ'ব। চৰ আৰু পিছপৰা অঞ্চলত পৰ্যাপ্ত চৰকাৰী আৰু বিকল্প বিদ্যালয় খোলা হ'ব।

(৫) 'জনস্বাস্থ্য কাৰিকৰী' শিতানত নিম্নোল্লেখিত বাক্যটো সংযোজন কৰা হওক—

'ৰাজ্যৰ সকলো অঞ্চলত আৰু সকলো শ্ৰেণীৰ নাগৰিকক বিশুদ্ধ খোৱাপানী যোগান ধৰাত আমাৰ চৰকাৰ ব্যৰ্থ হৈছে'।

Shri Sherman Ali Ahmed : I, Shri Sherman Ali Ahmed beg to move that at the end of the Motion of Thanks on the Governor's Address moved by Shri Abdul Muhib Mazumdar, MLA on 7th June, 2011 the following may be added:-

(i) There is rampant corruption in every department and there is no work culture in any department. My Government shall eliminate all types of corruption within three months and shall enforce

work-culture immediately.

ii) As per "Right of Children to Free and Compulsory Education Act,2009" my Government shall appoint adequate teachers in each school and shall take immediate punitive measures against irregular teachers.

(iii) My Government do assure in this august House to provide free text books within seven days to each school,

(iv) My Government shall complete the process of up dating NRC with 25th March, 1971 as the cut off date after eliminating the defects in the form of Application within a period of six months,

(v) My Government shall punish the guilty for the 21st July, 2010 - Barpeta incident regarding Pilot Projects within one month and shall also provide adequate compensation to the dead and the injured ones in the incident within a period of 3 months,

(vi) My Government shall rehabilitate the people made homeless by the erosion of Brahmaputra and those in the tragic Bansbari incident within a period of 6 months.

(vii) My Government shall undertake the work of scientific control of Brahmaputra immediately.

(viii) Import of Fish/Poultry/Egg from states outside Assam shall be stopped within a year by augmenting the supply within the state thereby giving employment to local unemployed youths.

ix) Full fledged treatment including all types of operation and imparting medical education shall be started in Barpeta Medical College within a period of 3 months.

শ্ৰীপদ্ম হাজৰিকা ঃ ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় বিধায়ক শ্ৰীআব্দুল মুহিব মজুমদাৰে ৭ জুন ২০১১ তাৰিখে উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱৰ অন্তত নিম্নোলিখিত কথাখিনি সংযোগ কৰা হওক—

(ক) আইন আৰু শৃংখলা শিতানৰ ৩ পৃষ্ঠাত Para-I ত উল্লেখিত 'এই প্ৰক্ৰিয়াবোৰ আগবঢ়াই নিব' পৰিৱৰ্তে 'মোৰ চৰকাৰে সময় নিৰ্ধাৰিত কাৰ্যসূচী গ্ৰহণ কৰিব।'

(খ) Page 3 Para-11 উল্লেখ থকা 'চৰকাৰে ব্যৱস্থা ল'ব।' পিছত 'মাননীয় ন্যায়ালয়ে সময়ে সময়ে দিয়া নিৰ্দেশ অনুসৰি সকলো 'ডি' ভোটাৰ আৰু সন্দেহযুক্ত নাগৰিকৰ বিষয়টো নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত নিষ্পত্তি কৰি অবৈধ অনুপ্ৰৱেশকাৰী সকলক বহিষ্কাৰ কৰাৰ খৰটকীয়া ব্যৱস্থা গ্ৰহণ কৰা হওক।'

(গ) অসম চুক্তি Page 4 para-1 'সকলো প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব' ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ হকে চৰকাৰে এমাহৰ ভিতৰত নিৰ্দিষ্ট সময় সীমা ঘোষণা কৰিব।'

(ঘ) Page 4 para 2 উল্লেখ কৰা 'উন্নয়নৰ দায়িত্ব লৈছে 'মোৰ চৰকাৰে ২০১১ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত অসমৰ সকলো সত্ৰৰ মাটি বেদখলযুক্ত কৰিবলৈ ব্যৱস্থা হাতত ল'ব।'

(ঙ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন Page 8 para -11

'দুখীয়া পৰিয়াল'ক চৰকাৰে প্ৰস্তুত কৰা আঁসোৱাহপূৰ্ণ BPL কাৰ্ড /ID নম্বৰৰ তালিকাখন পৰিৱৰ্ত্তন কৰি অসমৰ সকলো দুখীয়া পৰিয়ালক নতুন BPL কাৰ্ড /ID নম্বৰ প্ৰদান কৰি IAY ঘৰ, বৃদ্ধ পেঞ্চন বিনামূলীয়া বিজুলী সংযোগ কৰা হওঁক।

(চ) পৰিৱেশ আৰু বন শিতানত Page 10 para শেষত কৰি তোলা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি সকলো ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য তথা দীপৰ বিলকে আদি কৰি সকলো জলাশয় ২০১১ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত বেদখলমুক্ত কৰিবৰ বাবে মোৰ চৰকাৰে কাৰ্যকৰী ব্যৱস্থা হাতত ল'ব।'

(ছ) জলসম্পদ Page 30 para । উল্লেখ 'ৰূপায়ণ কৰা হ'ব' অহা ৩১ ডিচেম্বৰৰ ভিতৰত পুনৰ সংস্থাপন নিশ্চিত কৰা হ'ব।'

এইখিনিয়ে সংশোধনী আগবঢ়াইছো।

মাননীয় অধ্যক্ষ ঃ মাননীয় ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত সংশোধনী অনাৰ পিছত এতিয়া মাননীয় সদস্য শ্ৰী আব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়াব।

Shri Abdul Muhib Mazumdar : Mr. Speaker Sir, it is my pleasure and I am grateful to you for having given me this opportunity to move the motion of thanks to the Address rendered by the Hon'ble Governor to this House. Though the motion was placed in Assamese, I pray for your permission to support the motion in English. I remember, I was given the opportunity to move the motion for the Governor's Address in the year 1983, 28 years back and it was seconded by one of the senior most Member of the House Dr. Barman. The same duty has been assigned after long 28 years. I am grateful to the Hon'ble Speaker for having given me this opportunity.

Sir, as you know the Governor's Speech is in pursuance of Article 175 of the Constitution of India and Rules framed for the Conduct of Business of this House. Rules were framed on 5th July, 1957. After the speech is delivered the Governor has been pleased to place the speech before the House for its consideration. The Governor has very nicely elaborated state policies and programmes of the Government and the Hon'ble members of the House will have the opportunity to deliberate on these policies, programs and actions. There are many young members in this House though many of them are absent today. They should have been here. This is a Legislative body. Sir, our duty is to legislate and the execution part is assigned to Hon'ble Ministers sitting in front of us. And the Members of the bureaucracy are sitting in the Gallery. It is my duty to ask the Hon'ble Members to take the advantage of the various provisions of the rules to elicit information. The rules framed would have to be gone through before it can be done.

This is the first Session and I am one of the elder members of

the House. It is my duty to bring it to the notice of the Members that unless you go through the rules you will not be able to perform your duty as per your oath that you have taken under the Constitution.

Sir, as you know, we had no instance even in earlier days of India of having elected bodies. But we had Rajya Sabha and Vidu Sabha, even in the time of Manu who laid down that the Members of the House should be the good people. And the definition of the good people is that those who are not influenced by any sentiments and who speak of justice. I leave it to Members of the House to decide for themselves whether we are having the same quality or not. Next I humbly submit, Sir, that the present system and this House are the products are of the British legislation by the House of Commons. The Regulation Act, of 1773 and the Act of 1833, are two acts which laid the foundation for the Legislature in India. The Members should know it as this is the first session and from that time onwards we are having elected bodies all over India at different levels. Sir, I at this stage remind you that our ancestor is the House of Commons. Many of you have possibly visited and many have not visited. I would request the Hon'ble Chief Minister through you to arrange a trip of all members to London to see the House of Commons to see how the proceedings go on. In the House of Commons there is no table, only benches. You will be surprised to know that there are 659 Members in the House of Commons. There is sitting arrangements for only 437 including galleries. So, what other Members do. They throng around the Speaker when important debates take place in the House. We are lucky that we have got tables and several other facilities and a cozy seat.

Sir, having placed a little of History I would like to pass on to the items discussed or raised before the House about the future policies and programmes of the Government. I have gone through the amendments brought by the Opposition. I remember, as a Member of the Opposition, in the year 1985 when youthful members were occupying the Treasury Bench. I explained that the Legislature consists of two

parts, namely, the Treasury Bench and the Opposition. Unless both of them work in unison the purpose of having legislation and legislative bodies will be absolutely lost. The combined action and the interaction of the two parts of the House make them successful bodies.

Now, all the policies have been laid down and I am grateful to the Governor and I urge upon to pass a resolution of Motion of thanks to the Governor. He has highlighted almost every aspect of the developmental projects the government has taken. But there are 2-3 matters on which I would like to express my own opinion. Those matters are referred to in His Speech. I would like to draw the attention of the Government and lay more emphasis on erosion. Sir, total land in Assam is 78438 sq. km. Out of that till today 20303 bighas have been eroded. The people living in the eroded land particularly the Chars of Brahmaputra are thrown out lock stock and barrel leaving nothing in their possession. The number will be more than 10 lakhs. Now these 10 lakhs of eroded people have migrated to other places and they don't have record to produce before the authority. Many people I have come across in the High Court are now accused of being foreigners because they don't have records. Secondly, as regards unemployment, we have made several provisions about employment; I will humbly submit before you that as per the statement placed before the House in the year, 2010 total unemployed in our state are more than 2079558. So, more than 20 lakhs people of this land are idle as they don't have any work. Out of these I am giving the breakup; 700518 HSLC passed. There are graduates unemployed - 24946; there are Diploma Holder, 11609, and Engineering Degree Holders more than 3000. So these persons are looking for jobs and we have not been able to provide job to them. This is an aspect which is to be specially looked into. Another aspect is employment opportunity for minority population. I am constraint to say that there has been total deprivation of the minorities in respect of appointment. Though their population is more than 30%, their employment opportunity around 5%. This has led to terrible social

chaos. I would humbly urge upon the Government to look into this aspect as communities deprived or harassed or ostracized take to two things: they take to crime, if you take the records of the crimes of the state and if you take records of these cases in the High Court you will find that there is one particular community who is dominating it and reason being unemployment. We are depriving some people and have sadistic pleasure that some people are running for jobs. As Dr. Eden had said that if the society or a community is deprived or harassed or ostracized, they become criminals. And secondly which is most dangerous: they take revenge biologically by multiplying the population. And this is what we find in Assam and some other parts rise in population of a particular community resulting in various allegations. Some of them are said to be the foreigners, some are treated as infiltrators. But the root cause is unemployment and lack of education. I can give an example. As Minister I had visited one of the colonies of the Officers. I found, there are officers belonging to different communities. Muslims, Tribals, SCs and having same qualifications. Their wives are having same qualifications. All are college Graduates and when I asked about the number of children they are having, all of them were having either one or two children. This is because their pay-scale is the same, life style is the same and financial status is the same in the society. So instead of talking about other things about the community it is better that we should do justice to the community.

There are some other matters I wanted to draw the attention of the young Hon'ble Members of the House who have come for the first time. Please try to remember that our duty is to present before the House needs of our communities and also of your constituency. There are various rules. You kindly go through the rules. You will find when to ask a Question and then Supplementary Question. There is provision of Short Notice Question, Half an Hour discussion, discussion on matters of public importance through Calling attention, Adjournment Motion etc. but my own experience in this House is while debate is

going on the Members stand to raise Point of Order. Instead of wasting time of the House as there is no provision for Point of Order. The Members waste time by raising Point of Order seeking clarification. Minister gives reply sometimes on the defensive mood. Because they had to get report from the Officers and the Officers very often go to Delhi. That puts the Minister in difficulty. And Members take the advantage for raising Point of Order and seek clarification. To my knowledge subject to correction of the Parliamentary Affairs Ministers Mr. Deka the rule, unless they are amended there is no provision for this. But our Government is always trying to accept suggestions and also I am sure all of them whatever is problem of the State the problems can be met. Lastly, before I close, I would like to make suggestion. There is mention about "D" Voters and I have also seen there is proposed amendment relating to this. Sir, this is a very serious problem which needs to be looked into. In fact I can inform Hon'ble Members of the House. I remember one Minister who is Mr. Gautam Roy. We had the advantage of visiting Bangladesh under the leadership of the then Hon'ble Speaker at that time Mr. Kutum, Deputy Speaker Smt. Renupoma Rajkhowa, several Ministers, including MPs went to Bangladesh and we discussed about the trade. During discussion I said that 'we are ready to import everything from Bangladesh except Bangladeshis'. In reply, the Bangladeshi Foreign Minister said that there are no Bangladeshis in India. And secondly he said "We will not allow Bangladesh to be the dumping ground of Indian Beggars". So, in that view of the matter, what is the point in dragging these people to the High Court or to Tribunals. When they are thrown at the border they cannot go and come back creating problems for us. So this is the issue I would humbly submit that should be looked into by the Government, because, that would disturb peace in future. Another aspect is: I am only making a reference that the Assam accord was signed on 14th-15th of August, 1985, I was also present myself. In view of the IMDT Act passed earlier, everything of the accord was designed as per the IMDT

Act which was passed earlier. Clause 5.9 of the Assam Accord included that the IMDT will be implemented.* Possibly in the new situation in the state we will require a new orientation, a new approach to the whole problem. When the Assam Accord was designed and prepared one of the signatory was Mr. Prafulla Kr. Mahanta, Hon'ble Member he is not here. Other signatories was Shri Rajiv Gandhi, He is dead, Rajesh Pilot, is dead.. Because at that time there was no ethnic problem, there was no problem by different tribal communities for self-determination. The insurgent organizations were not there. I would urge upon the Government to look into the entire matter in a new perspective so that the aspirations of the different groups of people, different tribal groups and ethnic groups are incorporated in the accord so that we can live peacefully. These aspects were not there at that time. Now these things are troubling us. Now I find that His Excellency the Governor has in his speech before this House spoken about the talks we are having with the insurgent groups. We have to go through all these things again. We have to recast the entire structure and I hope, to do so under the able Leadership of the Hon'ble Chief Minister. Once Chukafa invaded Assam and we had a strong and beautiful Government which ruled till 14th of February, 1826 when Yandabu Treaty was signed. Yandabu Treaty was signed on 14th February, 1826. That is the day on which we handed over the administration to the British. The longest dynasty in the world who ruled is the Ahom Dynasty in Assam. I am sure the last Ahom who heads the Governments here again will solve the entire problem to the satisfaction of all the Communities of the State. With these few words I hope the Members will withdraw the amendment Motion and pass the resolution expressing thanks to the Hon'ble Governor. Before I conclude, only one point as a Member of the Bar. I had been experiencing certain problems in the High Court. It is my duty to point out before you Sir, and the Hon'ble Ministers through you Sir, about the "D" Voters and their plight. I feel guilty of one thing. In fact, the detention camps were first ordered to be created

at my instance. I remember the case moved in High Court when a person was thrown out of India but because the Bangladesh Government didn't accept her, the lady had to come back. Then I filed another petition intheHighCourt.On being asked where she would go I said you decide. Bangladesh will not accept and will not keep her, so let her remain in the detention camp, "because we cannot shoot her under the Law". So the question of detention camp came. Now there are allegations that detention camps aren't being maintained properly, assuming that they are foreigners, or that they are citizen-less persons. They have right to live. Article 14 and 21 of the Constitution of India, which give right to every person to live here. And legally he cannot be thrown out but livelihood cannot be taken away. So these are matters which I am sure our government should look into. With these words, Sir, I support the Motion and urge upon the House to pass the Motion of Thanks unanimously.

Thanking You

**Mr. Speaker : Next Sirajuddin Ajmal.**

***Sri Sirajuddin Ajmal :** Respected Sir, while thanking you for givingme opportunity to speak on Governor's address, First of all, I would like to say that His Excellency's address do not find place of some of the important points. First of all, nothing is mentioned in his address about rampant corruption. For the last few years, corruption has been made in a big way. But nothing was mentioned in his address This may be looked into and kept in mind.

Next, it was not mentioned in his address how problems of the farmers can be solved. How and when Government construct the borders in order to check infiltrations from other countries'? There are serious subjects what I am mentioning. The destructive flood and erosion problem are destroying the life of the people and economy of State. The flood has been creating havoc in the

***Speech not corrected***

life of the people but no time bound programme is taken to solve the problem. Patta of land to the people of Char areas has not been addressed. So, there should be specific programme to give pattas to the people of char area. We appreciate and applaud 1000 crore special package for Barak Vailey,

I am really happy and thanks to the Govt. for taking specific programme for upliftment of the standard of the people of Barak Valley,. I also urged the Govt, to take similar pacakages for Char Areas and Tea tribes, Next, I come to the point of D voter In Goalpara-p. Tribunal, out of 1004 cases of D voter disposed, 945 cases were found genuine, the other 59 cases were ex-party and due to nominal mistake or minor discrepancies.

We want proper implementation of all the components of the Assam Accord and also upgradation of NRC, Very recently many people were killed in Barpeta in the implementation of Pilot Project of NRC. There the DC has given only 2 electoral rolls out of 5 Electoral rolls. The DC., Barpeta, did not follow rules. To get the correct Electoral Roll, some people in Barpeta took out procession. But unfortunately, some people got agitated and as a result few innocent people lost their lives. So, we want correct NRC for which Govt. should pay attention. In respect of implementation of Pilot Project, the guidelines of the High Court should be followed. The people found guilty in Barpeta incident should be punished.

Education is a very important subject for the people of Assam. More than 115 lakh employees are suffering. About 14 thousand of venture schools, the students and the guardians are suffering, Govt, may kindly to look into this. Next- I like to speak in respect of Panchayat & Rural Development. More than 50% of the total population of Assam are living in rural areas. The State Rural Development Authority should take the development work for the people of rural areas and formally

provide fund for development of rural projects.

Regarding Prime Minister's 15 Point Programme -pre and post matric scholarship are given to Minority students. Post matriclful scholarship money is given by the Central Govt and pre matric 10% of scholarship money has to be given by the State Govt. Three consecutive years before the election, pre matric scholarship was not given because Assam Govt. did not give their 10% share, 6% of the total minority population of India live in Assam. For the development of minority population in Assam,the Assam Minority Development Corporation has got Rs. 24 crores. In Jorhat & where 4.5% of population are Muslim, every 550 populition have one provincialised primary school. But in Dhubri, where , Musilm are 74% there for every 1150 population one provincialised primary school exists survey shows in Muslim dominated areas 35% primary shcool are running with 1 teacher where govt. mandatory rule is minimum 2 teachers should be there in each school.

In respect of Tea Tribes Welfare - Various Tea Estates keep labours as casual labourers thus depriving them of basic amenities. What Assam Govt. doing for them ? The State Govt. should think about it. The State Govt. should take care of them. Thank you sir.

* **শ্ৰীৰাণা গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ত্ৰয়োদশ বিধানসভাৰ দ্বিতীয়দিনা মহামান্য ৰাজ্যপাল মহোদয়ে আগবঢ়োৱা তেখেতৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীআব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ প্ৰতি সমৰ্থন জনাই মই আজি দুষাৰ ক'বলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৫টা বছৰত এই পবিত্ৰ সদনত এজন সদস্য হিচাপে থকাৰ সৌভাগ্য ঘটিছিল। এই পবিত্ৰ বিধানসভাত মহামান্য ৰাজ্যপালৰ ভাষণ শুনাৰ সৌভাগ্য ঘটিছিল। কিন্তু সেই সৌভাগ্য আৰু যোৱা কালিৰ সৌভাগ্যৰ বহুতো পাৰ্থক্য আছিল। মহামান্য ৰাজ্যপালে যোৱাকালি ৮৫ মিনিট ধৰি দিয়া ভাষণ আমি শুনিছিলো। এইটো আমাৰ বাবে অতি সৌভাগ্যৰ

**Speech not corrected*

কথা। আগৰ মহামান্য ৰাজ্যপালৰ ভাষণ পাঠ কৰাৰ সময়ত আমাৰ বিৰোধী পক্ষৰ সদস্যসকলে যি হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰিছিল এইবাৰ সেই পৰিৱেশ নাই। এইবিলাক ক্ষেত্ৰতে আজি আমাৰ ৰাইজে ৭৮ জনকৈ বিধায়ক এই বিধানসভালৈ নিৰ্বাচন কৰি পঠাইছে। আমাৰ চৰকাৰে যোৱা ৫ বছৰত যি উন্নয়নমূলক কাম কৰিলে এই চৰকাৰে কি কি কাম কৰিব সেই বিষয়ে এই ভাষণত উল্লেখ কৰিছে। সি যি কি নওহক আমি জনসাধাৰণ আৰু ৰাইজৰ আশা আকাংখা পূৰণ কৰিবলৈ সমৰ্থ হৈছো কাৰণে এই ধৰণৰ সহাৰি পাইছো। আমি এতিয়া ৰাইজৰ আশা আকাংখা পূৰণ কৰিবলৈ ১২৬ টা সমষ্টিতে কাম কৰি যাব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, এইটো সকলোৱে জানে যে ২০০১ চনত আমাৰ কংগ্ৰেছ দলে যেতিয়া মাননীয় মুখ্য মন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ গঠন কৰে তেতিয়া অসমৰ বিত্তীয় অৱস্থা অতি শোচনীয় আৰু সেই শোচনীয় অৱস্থাৰ পৰা মাননীয় মুখ্য মন্ত্ৰী, শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই টনকিয়াল কৰিবলৈ সক্ষম হৈছিল কাৰণে জনসাধাৰণে কংগ্ৰেছ দলৰ সপক্ষে ৰায়দান কৰিলে বাবে আকৌ শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'ল। আজি এই সুযোগতে মই অসমৰ ৰাইজক আৰু মোৰ সমষ্টিযোৰহাটৰ জনসাধাৰণক মোৰ আন্তৰিক ধন্যবাদ জনাইছো। আমাৰ এই চৰকাৰৰ দিনতে বিত্তীয় প্ৰতিষ্ঠান বিলাক সৱল হৈছে আৰু আমি তাত ইনভেষ্ট কৰিবলৈ সক্ষম হৈছো। আমাৰ চৰকাৰৰ সফলতাৰ কাৰণে আমাক ২০০১ চনৰ পৰা তৃতীয়বাৰৰ বাবে ৰাইজে বিধানসভালৈ পঠাইছে! আজি তৃতীয়বাৰৰ বাবে শাসনভাৰ হাতত লৈ অসমৰ জনসাধাৰণৰ মৌলিক আৰু বৌদ্ধিক সমস্যা বিলাক সমাধানৰ ক্ষেত্ৰত আগ বাঢ়ি যাম। আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কলেজ শিক্ষক সকলৰ পেঞ্চন ব্যৱস্থা হাতত লোৱাটো এটা ঐতিহাসিক ঘটনা। ইয়াৰ উপৰি ৩১ হেজাৰ মাষ্টাৰ ৰোল কৰ্মচাৰীক ৰেগুলাৰ কৰাৰ ব্যৱস্থাও এটা ঐতিহাসিক ঘটনা। ইয়াৰ দ্বাৰাই আমাৰ ৩১ হেজাৰটা পৰিয়ালৰ সংস্থাপন দিয়া হ'ল। আমাৰ এই চৰকাৰৰ দিনত অসমৰ মেডিকেল কলেজ আৰু ইঞ্জিনিয়াৰিং কলেজৰ সংখ্যা বঢ়োৱা হ'ল। অসমৰ তিনিখন মেডিকেল কলেজৰ ঠাইত যোৰহাট,

তেজপুৰ, বৰপেটা আৰু কোকৰাঝাৰত মেডিকেল কলেজ স্থাপন কৰা হ'ল। এনে ধৰণে ইঞ্জিনিয়াৰিং কলেজ স্থাপন কৰি ইতিহাস ৰচনা কৰিলে। এনে ধৰণৰ উন্নয়নমূলক কামৰ বাবেই আজি অসমৰ ৰাইজে স্বতঃস্ফূৰ্তভাৱে ভোটদান কৰি আমাক এই বিধানসভালৈ পঠাইছে। এই বিধানসভা নিৰ্বাচনৰ আগ মুহূৰ্তত বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে আমাৰ চৰকাৰক দুৰ্নীতিত লিপ্ত হোৱাৰ কথা কৈ ৰাইজক বিপথে লৈ গৈছিল যদিও অসমৰ জনসাধাৰণৰ বিপুল সহাৰিয়ে আমাক চৰকাৰ গঠন কৰিবলৈ সুবিধা দিলে। অসমৰ ৰাইজে তিনিচুকীয়াৰ পৰা গোলাঘাটলৈকে আমাৰ দলৰ প্ৰতিনিধি এই বিধানসভালৈ নিৰ্বাচন কৰি পঠালে। আমাৰ মহামান্য ৰাজ্যপালৰ ভাষণত আমাৰ চৰকাৰে কৰা কাম কাজ আৰু হাতত লোৱা কাম-কাজৰ কথা উল্লেখ কৰিছে। আমাৰ চৰকাৰৰ দিনৰ আইন-শৃংখলাৰ কথাও উল্লেখ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জনসাধাৰণে বহুত আশাৰে উগ্ৰপন্থীৰ সমস্যাটোলৈ বাট চাই আছে। বিভিন্ন উগ্ৰপন্থী সমূহক আলোচনাৰ মেজলৈ আনিবলৈ চেষ্টা চলাই আছে। কংগ্ৰেছ চৰকাৰ থকা কাৰণে এইটো এটা ঐতিহাসিক দিশ হিচাপে প্ৰতিপন্ন কৰিছে। চৰকাৰৰ লগত আলোচনাত বহিবলৈ উগ্ৰপন্থীসকল আগবাঢ়ি আহিব বুলি সকলোৱে আশা কৰিছে। আলোচনাৰ মাধ্যমেদি জ্বলন্ত সমস্যা সমূহ সমাধান কৰাত সহায়ক হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিভিন্ন বিভাগৰ কথা কোৱা হৈছে, বিশেষকৈ শিক্ষাৰ কথা ক'ব বিচাৰিছো, শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে আমূল পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰি আছে। ইয়াৰ আগৰ সদনত শিক্ষাৰ বিষয়টো লৈ আলোচনা কৰা হৈছিল। ২০০১ চনত শিক্ষাৰ অৱস্থা কি আছিল— কেৱল আন্দোলন, ফলত স্কুল-কলেজ বন্ধ। ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়াৰ বাবে স্কুলত ডেস্ক-বেঞ্চ নাছিল। বোৰ্ডত বুজাবলৈ বোৰ্ড আৰু চক পেঞ্চিল নাছিল। গাঠিৰ ধন ভাঙি অভিভাৱকসকলে এই সামগ্ৰীবিলাক যোগান ধৰিছিল। হাইস্কুল আৰু হায়াৰ ছেকেণ্ডাৰী স্কুলৰ ফলাফল আগতকৈ বহুত ভাল হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ ৰিজাল্টৰ হাৰ উৰ্ধগামী হৈছে। ২০০১ চনৰ পৰা আমাৰ চৰকাৰে দায়িত্ব ভাৰ লোৱাৰ পিছত বহুত উন্নত হৈছে।

আমাৰ চৰকাৰে দায়িত্ব ভাৰ লোৱাৰ আগতে হাইস্কুলৰ ৰিজাল্ট ৩৩ শতাংশ আছিল। এই বছৰ ৭০.৩৮ শতাংশ হৈছে। ছাত্ৰ-ছাত্ৰীসকল আন্দোলনমুখী হৈ থাকিলে পঢ়াত ব্যাঘাত জন্মে ৰিজাল্ট বেয়া হয়। ২০০১ চনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল ক্ৰমান্বয়ে ভালৰ ফাললৈ আহিব ধৰিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত পাছ কৰা সকলক আমাৰ চৰকাৰে আনন্দৰাম বৰুৱা বঁটা হিচাপে কম্পিউটাৰ আৰু লেপটপ দিয়াৰ ব্যৱস্থা কৰা হৈছে। প্ৰথম বিভাগত পাছ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দুহেজাৰকৈ বাঢ়িছে। আগৰ বছৰত ১৭ হেজাৰ আছিল এই বছৰ ১৯ হেজাৰতকৈ বেছি প্ৰথম বিভাগত পাছ কৰিছে। এই ফালৰ পৰা চাবলৈ গ'লে আমাৰ শিক্ষাৰ মানদণ্ড উৰ্ধগামী হৈছে। আমাৰ অসমৰ উঠি অহা প্ৰজন্মসকল আৰু ভাই-ভনীসকলে শিক্ষাৰ ক্ষেত্ৰত মনোযোগ দিব আৰু ভৱিষ্যতে উন্নতিৰ শিখৰত আগবাঢ়ি যাব।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই স্বাস্থ্য বিভাগৰ কথা ক'ব বিচাৰিছো। চিকিৎসাৰ ক্ষেত্ৰত আমাৰ অসমৰ জনসাধাৰণ বহুতখিনি উপকৃত হৈছে। আমাৰ অসমত কৰ্কট ৰোগীৰ সংখ্যা যথেষ্ঠ বাঢ়িছে। এই কথাটো আমাৰ প্ৰত্যেজন বিধায়কে স্বীকাৰ কৰিব। কেন্সাৰ ৰোগীৰ কাৰণে আমাৰ অসমত 'কেম'থেৰাপি' বিনামূলীয়াকৈ দিয়া ব্যৱস্থা কৰা হৈছে। সম্পূৰ্ণ বিনামূলীয়া চিকিৎসা প্ৰদান কৰা ক্ষেত্ৰত চৰকাৰে উচিত পদক্ষেপ হাতত লৈছে। যোৱাকালি এজন কেন্সাৰৰোগী চাবৰ কাৰণে মই বি বৰুৱা টাটা মেম'ৰিয়েলত গৈছিলো। তাত এজন ৰোগীয়ে এটা 'কেম'থেৰাপি' ল'বৰ বাবে এক লাখকৈ টকা দিব লাগে। মুঠ ১২টা ল'ব লাগে। এই ১২টাৰ দাম ১২ লাখ টকা। আমাৰ এই হাস্পতালখনত 'কেম'থেৰাপি' ল'বৰ বাবে এটকাও দিব নালাগে। সম্পূৰ্ণ বিনামূলীয়া চিকিৎসা প্ৰদান কৰা হয়। মই লগ ধৰা ৰোগীজনে মোক কৈছিল যে তেওঁ অসমলৈ ঘূৰি আহিবলগীয়া হ'ল। অসমত আহি চিকিৎসা লৈ ভাল হৈছে। সম্পূৰ্ণ ভাল হৈ উঠি ঘৰলৈ ঘূৰি যাব আৰু কংগ্ৰেছ চৰকাৰৰ গুণৰ কথা সকলোকে ক'ব।

মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত বহুতো ক'বলগীয়া আছিল। অহা পাঁচটা বছৰে যাতে অসমখন উন্নতিৰ পথত আগুৱাই

নিব পাৰে, শান্তি আৰু প্ৰগতিৰ পথত আগুৱাই নি সকলোৱে সুখে সন্তোষে বসবাস কৰিব পাৰে। ইয়াকে কৈ ৰাজ্যপালৰ ভাষণক সমৰ্থন জনাই মোৰ বক্তব্য ইমানতে সামৰিলো।

**মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য, শ্ৰীঅঞ্জন দত্ত**

*** শ্ৰীঅঞ্জন দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণক মই সম্পূৰ্ণ সমৰ্থন জনাইছো। তেখেতৰ ভাষণৰ ওপৰত মাননীয় বিধায়ক আব্দুল মুহিব মজুমদাৰৰ ধন্যবাদসূচক প্ৰস্তাৱক সমৰ্থন জনোৱাৰ লগতে মইও প্ৰস্তাৱটো সমৰ্থন জনাইছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণত যিবোৰ কথা উল্লেখ কৰিছে ই সমগ্ৰ অসমতে বিভিন্ন অঞ্চলকে আদি কৰি বাতৰি কাকত সমূহতো উন্নতিৰ ক্ষেত্ৰত আশাৰ ৰেঙণি দেখা গৈছে। উন্নতিৰ দিশত বৃহৎ পদক্ষেপ লোৱা কথা ৰাজ্যপালৰ ভাষণত কৈছে ই এক প্ৰাসংগিক। গাঁৱে ভূঞে বিদ্যালয়বিলাক খুলিবলৈ আৰম্ভ কৰিছে। বিদ্যালয় খোলাৰ লগে লগে পঢ়াৰ দায়িত্ব আহি পৰে। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী থাকক বা নাথাকক এইটো সত্য শিক্ষা জগতত প্ৰতিযোগিতা চলিছে। স্কুল খুলিবৰ বাবে বহুতো ভুৱা তথ্য পাতি দাখিল কৰি ডি আই বা ঊৰ্দ্ধতন কৰ্তৃপক্ষৰ পৰা অনুমতি লোৱাৰো ব্যৱস্থা কৰি লয়।

মাননীয় অধ্যক্ষ মহোদয়, আজি চৰকাৰে এই স্কুল বিলাকক আৰ্থিক সাহায্য দিবলৈ আৰম্ভ কৰিছে, যাৰ ফলত এই স্কুল সমূহে কিছু পৰিমাণে হ'লেও সকাহ পাইছে। ২০০১ চনৰ পৰা ২০০৬ চনলৈ আৰু অন্য বহু স্কুল হ'ল। তেতিয়াৰ মই শিক্ষা মন্ত্ৰী গৌতম বৰাক ক'লো যে যধে মধে যাতে কোনেও স্কুল খুলিব নোৱাৰে তাৰ বাবে আপোনালোকে ব্যৱস্থা ল'ব লাগে। আজি আমি দেখিলো যে চৰকাৰে প্ৰত্যেক জিলাৰে এই স্কুলবোৰৰ দায়িত্ব লৈ আছে। কিন্তু চৰকাৰে কিমান দিনলৈকে এইবোৰ স্কুলক আৰ্থিক সাহায্য দি থাকিব? সেয়েহে আমি এইক্ষেত্ৰত এটা গঠনমূলক আলোচনা কৰা দৰকাৰ। যাতে ইয়াৰ পিছত আৰু কোনো স্কুল গঢ়ি নুঠে তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অৱশ্যে এতিয়াও কিছুমান অঞ্চলত স্কুলৰ অভাৱ নথকা নহয়। এইক্ষেত্ৰত আমি জন প্ৰতিনিধি সকলে আৰু চৰকাৰী বিষয়াসকলে

---

**Speech not corrected*

মিলিজুলি আগবাঢ়িলে মই ভাবো এইক্ষেত্ৰত আমি সুফল লাভ কৰিব পাৰিম। গতিকে এইখিনি কথা ৰাজ্যপাল মহোদয়ৰ ভাষণত অনা কাৰণে মই পূৰ্ণ সমৰ্থন জনাইছো। অধ্যক্ষ মহোদয়, ঠিক তেনে ধৰণে উদ্যোগ বিভাগৰ কিছু আঁচনি লোৱাৰ কথা কোৱা হৈছে। মই ভাবো ইয়াৰ দ্বাৰা উদ্যোগ বিভাগটো আৰু অধিক আগ বঢ়াই নিব পাৰিব। আজি হস্ততাঁতৰ ক্ষেত্ৰ তো বহুতো আঁচনি লোৱা হৈছে। বয়নজ্যোতি আঁচনি, কৰ্মজ্যোতি আঁচনি আদিৰ যোগেদি সূতা বিতৰণ কৰা হৈছে। কিন্তু এইক্ষেত্ৰত কিমান সফল হৈছে সেইটো কোনেও চোৱা নাই। আজি আমি বাতৰি কাকতত পঢ়িবলৈ পাও যে গামোচা বাহিৰৰ পৰা আহে। কিন্তু আমি গামোচা আমাৰ ইয়াতে উৎপাদন কৰিব পাৰো। অধ্যক্ষ মহোদয়, ২০০১ চনত মই যেতিয়া উদ্যোগ বিভাগৰ মন্ত্ৰী আছিলো তেতিয়া আমি মুখ্য মন্ত্ৰীৰ কৰ্মজ্যোতি আঁচনিৰ জৰিয়তে নামনি অসমৰ শিপিনী সকলক গামোচা ববলৈ সূতা দিছিলো। ৰহা অঞ্চলত আমাৰ বহুতো মাছমৰীয়া মানুহ আছে। তেওঁলোকক জাল আৰু মাছমৰা সৰঞ্জাম বনাবলৈ দিয়া হৈছিল। এই আঁচনি বিলাক এতিয়াও আছে। আমি ভাল শিপিনী সকলক পুৰস্কাৰ দিয়াৰো ব্যৱস্থা কৰিছিলো। প্ৰথম পুৰস্কাৰ ২৫ হাজাৰ, দ্বিতীয় পুৰস্কাৰ ১৫ হাজাৰ আৰু তৃতীয় পুৰস্কাৰ ১০ হাজাৰ আছিল। ইয়াৰ জৰিয়তে শিপিনী সকলে গামোচা ববলৈ আগবাঢ়ি আহিছিল। এতিয়া অৱশ্যে উদ্যোগ বিভাগত কিমান বাজেট দিছে মই নাজানো, কিন্তু বাজেট বঢ়াই দিব লাগে। মুখ্য মন্ত্ৰীৰ কৰ্মজ্যোতি আঁচনিৰ জৰিয়তে লোকেল প্ৰডাক্ট সৃষ্টি কৰাৰ বাবে চৰকাৰে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগে। প্ৰকৃততে যিখিনি আঁচনি দুখীয়া জনসাধাৰণৰ কাৰণে লোৱা হয় সেইটো প্ৰকৃতপক্ষে কাৰ্যকৰী হৈছে নে নাই বিভাগে চাব লাগে। অধ্যক্ষ মহোদয়, মোৰ আৰু বহু ক'বলগীয়া আছিল যদিও সময় কম বাবে মই আৰু বেছি দীঘলীয়া নকৰো। পাৱাৰ প্ৰজেক্টৰ ক্ষেত্ৰত মোৰ কিছু কথা ক'বলগীয়া আছে। আমগুৰি গেছবেচ পাৱাৰ প্ৰজেক্ট আজিও হৈ উঠা নাই। ইয়াৰ বাবে ৯০০ বিঘা মাটি লোৱা হৈছিল। ইয়াত যিবিলাক চৰকাৰী কৰ্মচাৰী আছে তেওঁলোকে এনেয়ে বহি দা-দৰমহা লৈ আছে। এই প্ৰজেক্টটোৰ সেই সময়ৰ অসম গণ পৰিষদৰ মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই আধাৰশিলা স্থাপন কৰিছিল। গতিকে মই

আমাৰ উদ্যোগ মন্ত্ৰী আৰু শক্তি মন্ত্ৰী ডাঙৰীয়াই এইক্ষেত্ৰত শক্তি প্ৰদৰ্শন কৰিব বুলি মই আশা কৰিলো আৰু ২০১৬ চনৰ ভিতৰত পাৱাৰ চেক্টৰত এটা পৰিৱৰ্তন আহিব। ইয়াৰোপৰি চৰকাৰে যিহেতু বোৰ্ডৰ চেয়াৰমেনজন এজন আই এ এছ অফিচাৰ দিছে গতিকে তেখেতৰ নিৰ্দেশত শক্তি খণ্ডত এক পৰিৱৰ্তন আনিব বুলি মই আশা কৰিলো।

শেষত, সকলোলৈকে ধন্যবাদ জনাই আৰু ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীমতী কমলী বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৭ জুলাই তাৰিখে অসম বিধানসভাত মহামান্য ৰাজ্যপাল মহোদয়ে যি ভাষণ পাঠ কৰিছিল তাৰ ওপৰত মই কিছু কথা ক'বলৈ ওলাইছো। আজি মহামান্য ৰাজ্যপালৰ ভাষণত যিবিলাক কথা সন্নিৱিষ্ট কৰা হৈছে তাত দেখা গৈছে যে এই চৰকাৰৰ দিনত অসমৰ চাৰিওফালে যথেষ্ঠ উন্নতি হৈছে। এই চৰকাৰৰ দিনত আমাৰ জনসাধাৰণ যথেষ্ঠ লাভৱান হৈছে। আইন-শৃংখলাৰ ক্ষেত্ৰত আগতে যি অস্থিৰ পৰিৱেশ আছিল সেই পৰিৱেশ আজিৰ চৰকাৰৰ দিনত নাই। আজি চৰকাৰে উগ্ৰপন্থী সকলৰ লগত আলাপ আলোচনা কৰিবৰ বাবে এটা পদক্ষেপ গ্ৰহণ কৰিছে। ঠিক তেনেকৈয়ে আমাৰ বি টি চি অঞ্চল আৰু ইয়াৰ বাহিৰত থকা এন ডি এফ বিৰ এটা গ্ৰুপে চৰকাৰৰ লগত আলোচনা কৰিব বিচাৰিছে। ধীৰেন বসুমতাৰীৰ গ্ৰুপটোৱে আলোচনা বিচাৰে কিন্তু ৰঞ্জন দৈমাৰীৰ গোটটোৱে নিবিচাৰে। বি টি চি অঞ্চলত স্থায়ী শান্তিৰ বাবে আৰু সৰ্বাংগীণ উন্নতিৰ বাবে দুইটা গোটকে আলোচনাৰ মেজলৈ মাতি অনাটো আমাৰ কৰ্তব্য। আজি আমাৰ মাননীয় বহুতো সদস্যই এই চৰকাৰৰ দিনত শিক্ষাৰ ক্ষেত্ৰ তেই হওক বা স্বাস্থ্যৰ ক্ষেত্ৰ তেই হওক যিখিনি পৰিৱৰ্তন আনিছে সেই বিষয়ে বক্তব্য ৰাখিছে। ঠিক তেনেকৈ আমিও আজি এই চৰকাৰৰ দিনত উন্নতি দেখিবলৈ পাইছো আৰু যাৰ কাৰণে অসমৰ ৰাইজে এই চৰকাৰক অগাধ বিশ্বাস কৰি তৃতীয়বাৰলৈ ক্ষমতালৈ আনিছে। যদিও এই চৰকাৰৰ দিনত ৰাস্তা-ঘাট, স্বাস্থ্য, শিক্ষা আদিত আমূল পৰিৱৰ্তন আহিছে তথাপিও আমি কিছু কাম কৰিব লাগিব।

---

**Speech not corrected*

আজি এই চৰকাৰৰ দিনত এচ চি, এচ টি আদিৰ ক্ষেত্ৰত যথেষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে যদিও কিছু জনগোষ্ঠী আছে যিবিলাকৰ উন্নয়ন তেনেকৈ হোৱা নাই। আজি এই চৰকাৰৰ দিনত তিনিচুকীয়া জিলাত থকা টাই জনগোষ্ঠী সকলৰ বাবে যি উন্নয়ন পৰিষদ গঠন কৰি দিলে তাৰ বাবে মাননীয় মুখ্য মন্ত্ৰী ধন্যবাদৰ পাত্ৰ। ঠিক তেনেকৈ বি টি চিৰ বাহিৰত থকা বড়ো আৰু হাজং জনগোষ্ঠী সকলৰ বাবেও উন্নয়ন পৰিষদ আমাৰ এই চৰকাৰে গঠন কৰি দিয়া দৰকাৰ। ইয়াৰ উপৰি বৰাক উপত্যকাতো আমাৰ বিভিন্ন জনগোষ্ঠীয় লোকে বসবাস কৰি আছে। ডিমাচা সকলৰ বাবেও উন্নয়ন পৰিষদ গঠন কৰি এই লোক সকলৰ মহৎ উপকাৰ সাধন কৰিব বুলি মই আশা কৰিলো। ইয়াৰোপৰি আজি আমাৰ বড়ো মাধ্যমৰ বিদ্যালয় সমূহত যথেষ্ঠ সংখ্যক শিক্ষকৰ অভাব হৈ আছে। এই সমূহ স্কুলত অতি সোনকালে শিক্ষক নিযুক্তি দিয়াৰ প্ৰয়োজন। গতিকে আমি এইখিনি এই চৰকাৰৰ দিনত সুফল পাম বুলি আশা কৰিলো।

শেষত অসমৰ সকলো জনগোষ্ঠীৰ সম উন্নয়নত চৰকাৰে দৃষ্টি নিক্ষেপ কৰিব বুলি আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ শ্ৰীপদ্ম হাজৰিকা।**

*** শ্ৰীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল ডাঙৰীয়াই যি বক্তব্য আগবঢ়াইছে আমি তাৰ কিছু সংশোধনী বিচাৰিছো। এই সংশোধনীৰ ওপৰত আমাৰ যিখিনি বক্তব্য ৰখাৰ ইচ্ছা আছিল সেইখিনি সময়ৰ অভাৱৰ কাৰণে আমি বক্তব্য আগ বঢ়োৱাত কিছু অসুবিধা পাইছো। আমি বিধানসভাত তৃতীয়বাৰৰ বাবে সংখ্যালঘুত পৰিণত হৈছো। গতিকে সংখ্যালঘু হিচাপে আমাক আৰু কিছু সময় বঢ়াই দিয়াৰ বাবে মই মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ জনালো। আজি এই চৰকাৰখনে যিখিনি কাম কাজ কৰিছে তাৰ সঁচা ছবিখন মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত প্ৰদৰ্শন হোৱা নাই। চৰকাৰে কিছু ভাল কাম কৰিছে, সেই কাৰণে ৰাইজে তৃতীয়বাৰলৈ তেওঁলোকক শাসনৰ গাদীত বহুৱাইছে। সেই কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক আমাৰ গণ পৰিষদ দলৰ পৰা

**Speech not corrected*

শুভেচ্ছা জনাইছো। আৰু নতুন প্ৰজন্মৰ যিসকল বিধায়ক নিৰ্বাচিত হৈ আহিছে আৰু তেওঁলোকে সংবাদ মাধ্যমত নিজৰ গতিশীলতা যিখিনি প্ৰকাশ কৰিছে তাৰ বাবে মই তেখেত সকলক শুভেচ্ছা জনাইছো আৰু তেওঁলোকৰ যিখিনি আশা-আকাংক্ষা সেইখিনি বাস্তৱত ৰূপায়িত হোৱাৰ বাবে মই শুভেচ্ছা জনাইছো।

অসম চুক্তি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত যিখিনি প্ৰতিশ্ৰুতি আগৰ ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত আছিল, আমি বিচাৰিছো বিদেশী সমস্যা সমাধান হওক, অসম চুক্তি ৰূপায়ণত নতুন পদক্ষেপ লওক। এইখিনি কৰিবলৈ যাওতে বিদেশী সকল অহাৰ পথ বন্ধ কৰি ভাৰত-বাংলাদেশৰ সীমা চীল কৰিব লাগিব আৰু এই কাম কিমান সময়ৰ ভিতৰত কৰিব তাৰ আশ্বাস আমাক লাগে। এই সমস্যাবিলাক সমাধানৰ বাবে তীব্ৰতৰ গতিৰে কাম কৰাৰ আহ্বান জনাইছো আৰু এইখিনি কৰোতে আমাৰ অসম গণ পৰিষদৰ ফালৰ পৰা সহায় সহযোগ কৰিম বুলি প্ৰতিশ্ৰুতি দিছো।

ৰাজ্যখনৰ উন্নতিৰ কাৰণে আমি অনেক প্ৰস্তাৱ দিও কিন্তু এই প্ৰস্তাৱবোৰ কাৰ্যকৰী কৰিবৰ কাৰণে অসমত শান্তিৰ পৰিৱেশ আজিও হৈ উঠা নাই যাৰ কাৰণে বহিৰাগত উদ্যোগপতিসকল অসমলৈ আহিব নোখোজে। সেই কাৰণে চৰকাৰে পোনতে ৰাজ্যখনত শান্তি শৃংখলাৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। বিগত ২০০১ আৰু ২০০৬ চনত সেই সময়ৰ চৰকাৰে শান্তি শৃংখলা পৰিৱেশ ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু আজিও সেই প্ৰতিশ্ৰুতি ৰক্ষা হোৱা নাই। বৰ্তমান অসমত বিভাজিত আলফাৰ সমস্যা সমাধান কৰিব লাগিব। পৰেশ বৰুৱাক আঁতৰাই নাৰাখি তেওঁকো আলোচনালৈ অনাৰ ব্যৱস্থা কৰিব লাগে। কিছুদিনৰ আগতে আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছিল পৰেশ বৰুৱাই মোক এৰি বেছিদিন আঁতৰি থাকিব নোৱাৰে, তেওঁ আহিব। গতিকে এতিয়া পৰেশ বৰুৱাক আলোচনালৈ অনাৰ ব্যৱস্থা কৰিব লাগে। অন্যথাই অসমত সুস্থ আৰু স্থায়ী শান্তি ঘূৰি আহিব বুলি আশা কৰিব নোৱাৰি। গতিকে মই মুখ্য মন্ত্ৰী মহোদয়ক ইয়াৰ বাবে পুনৰাই ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো আৰু আমাৰ ফালৰ পৰা সকলো ধৰণৰ সহায় সহযোগিতা

আগবঢ়াম বুলি দোহাৰিলো।

কেইজনমান নিবনুৱাক কেইটামান চাকৰি দিলেই নিবনুৱা সমস্যা সমাধান হ'ব বুলি আমি নাভাবো। কৰ্ম-সংস্কৃতি গঢ়ি তুলিব লাগিব। তেতিয়াহে লাখ লাখ নিবনুৱা সমস্যা সমাধান হ'ব। শিক্ষা ক্ষেত্ৰত উন্নত শিক্ষাৰ কাৰণে আমাৰ দেশৰ অনেক ল'ৰা-ছোৱালী বাহিৰলৈ গৈছে। তেওঁলোকৰ বেছিভাগেই বাহিৰলৈ গৈ শ্ৰমিকৰ কামেই হয়তো কৰিছে। তাকে লৈ হয়তো পৰিয়ালৰ মানুহে গৌৰৱ কৰে। তেওঁলোক আমাৰ দেশত খেতি কৰা ল'ৰা। বাহিৰলৈ যোৱাৰ মনোভাব দূৰ কৰি নিজৰ ওপজা মাটিতে থাকি উপাৰ্জনৰ পৰিৱেশ যাতে পায় তাৰ বাবে আমি আগৰে পৰাই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাই আহিছো। আৰু আজিও সেই আহ্বানকে জনাই মুখ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যে অসমত স্থায়ী শান্তিৰ ব্যৱস্থা হওক তেতিয়াহে বাহিৰৰ উদ্যোগপতি সকল আহি অসমত উদ্যোগ স্থাপন কৰিব পাৰিব।

কৃষিৰ ক্ষেত্ৰত জলসিঞ্চন ব্যৱস্থা অধিক উন্নত কৰিব লাগিব। প্ৰাক্তন কৃষি মন্ত্ৰী ডাঙৰীয়ানীয়ে এইক্ষেত্ৰত যথেষ্ঠ চেষ্টা কৰিছিল যদিও বৰ্তমানেও জলসিঞ্চন ব্যৱস্থা অধিক উন্নত কৰিব নোৱাৰিলে। বতৰৰ ওপৰত নিৰ্ভৰ কৰিলেই নহ'ব, জলসিঞ্চন ব্যৱস্থা উন্নত কৰিলেহে কৃষিৰ উন্নতি হ'ব। অধিক উন্নত কৰ্ম সংস্কৃতিৰ ব্যৱস্থা হ'ব লাগিব। যোৱা কালি এটা টি ভি চেনেলত দেখা পালো তিনিগৰাকী বিধায়কে কৈছিল যে দুৰ্নীতি বৃদ্ধি পাইছে আৰু কৰ্ম-সংস্কৃতি হ্ৰাস পাইছে। আমি মুখ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো দুৰ্নীতি ৰোধ কৰা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰক, কৰ্ম-সংস্কৃতিৰ বাবে উন্নত পৰিৱেশ সৃষ্টি কৰক। দুৰ্নীতিৰ এটা উদাহৰণ দিওঁ। মোৰ জিলাৰ উপায়ুক্তৰ ওচৰত মই এটা অভিযোগ দিছিলো যে এটা আত্মসহায়কগোটে এখন ট্ৰেক্টৰ লাভ কৰিছে সেইখন পোৱাৰ বাবে বিভাগীয় অফিচৰ পৰা ১ লাখ টকা বিচাৰিছে। সেই কথাখিনি টেপ কৰি তাৰ প্ৰমাণ উপায়ুক্ত মহোদয়কো দিয়া হৈছিল। কিন্তু ৬ মাহ দিন অহা যোৱা কৰি ট্ৰেক্টৰখন নিব পৰা নাই। পিছত কোৱা হ'ল যে আত্মসহায়ক গোটে ট্ৰেক্টৰখন নাপায়। কৃষকৰ উন্নতিৰ বাবে যি বিলাক

আঁচনি লোৱা হৈছে সেই বিলাক কাৰ্যকৰী হোৱা নাই কাৰণ বিভাগীয় বিষয়া-কৰ্মচাৰী সকলৰ কৰ্ম-সংস্কৃতিৰ প্ৰতি কোনো নৈতিক আগ্ৰহ নাই। কৰ্মস্থলীতে সুৰাপান কৰি থকা দেখা যায়। এইবিলাক কুসংস্কৃতি দূৰ কৰাৰ ব্যৱস্থা চৰকাৰে দৃঢ়তাৰে কৰিব লাগিব। এইক্ষেত্ৰত দৃঢ় পদক্ষেপ ল'বলৈ মই আহ্বান জনালো।

মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল বিধায়কৰ পুঁজি বৃদ্ধি কৰা হ'ব কিন্তু বৃদ্ধি কৰা নহ'ল। কিন্তু মেঘালয় বা আন ৰাজ্যই যদি কৰিব পাৰে আমাৰ ৰাজ্যত কৰিব নোৱাৰাৰ কাৰণ নেদেখো। বিধায়কৰ পুঁজি ১ কোটি কৰিবৰ কাৰণে মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো।

আমাৰ ৰাজ্যত বানপানী আৰু গড়া খহনীয়াত গৃহহাৰা যিখিনি মানুহ আছে সেইখিনি মানুহৰ পুনৰ্সংস্থাপন হোৱা দেখা নাই। এওঁলোকৰ পুন ৰ্সংস্থাপনৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

শিক্ষাৰ ক্ষেত্ৰত কওঁ যে ২০০৬ চনৰ ভিতৰত যিবিলাক স্কুল স্থাপন হৈছিল সেইবিলাক প্ৰাদেশিকীকৰণ কৰা হ'ব বুলি আগৰ বিধানসভাৰ অধিৱেশনত কোৱা হৈছিল। কিন্তু কৰা দেখা নগ'ল। ফলত শিক্ষক সকলৰ অনেক দুখ, দুৰ্দশাৰ সৃষ্টি হৈছিল। এনেকি সুদীৰ্ঘ ২৫ বছৰকাল চাকৰি কৰাৰ পিছতো একোজন শিক্ষকে টকা পইচাৰ মুখ নেদেখাকৈয়ে মৃত্যুৰ মুখত পৰিবলগা হৈছিল। এইক্ষেত্ৰত বৰ্তমান চৰকাৰে পদক্ষেপ ল'ব বুলি আশা কৰিছো। লগতে কওঁ যে গড় কাপ্টানি বিভাগে যোগাযোগৰ যি ব্যৱস্থা কৰিছে সেইটো দ্ৰুত উন্নতি হওক। ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে এইক্ষেত্ৰত শতকৰা ১০০ ভাগেই পুঁজিৰ ব্যৱস্থা কৰিব বুলি কৈছে। কাঠৰ দলং পকী হ'ব বুলি কোৱা হৈছে। অসমৰ আটাইবিলাক কাঠৰ দলং পকী হ'ব বুলি কোৱা হৈছে। তাৰ বাবে ধন্যবাদ জনাইছো। কিন্তু এটা কথা হৈছে যি সকল ঠিকাদাৰে কাম কৰে তেওঁলোকৰ কামৰ কোৱালিটি চাওতা নাই। কিন্তু তেওঁলোকে কৰা দলংবোৰ সোনকালে ভাঙি গ'লে পুনৰ মেৰামতি কৰাৰ কাৰণে শতকৰা ১০ শতাংশ কাটি ৰাখে যদিও পুনৰ নিৰ্মাণ কিমানখন দলঙৰ ক্ষেত্ৰত কৰা হৈছে সেইটোহে জনা নাযায়। গতিকে এই ক্ষেত্ৰতো দৃঢ়তাৰে পদক্ষেপ লোৱাৰ

ব্যৱস্থা কৰিব লাগে। ৰাস্তা বিলাকৰ অৱস্থা কি হৈছে সেয়া চাবলৈ মন্ত্ৰী নিজেই যাওক। অসমৰ জনসাধাৰণৰ সুৰক্ষাৰ কাৰণে টকা পইচা দিছে তাৰ সঠিক ব্যৱহাৰ হৈছে নে নাই, ঠিকাদাৰে কি কাম কৰিছে সেয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে নিজেই চাই আহক।

কৃষি সংস্কৃতি পৰিৱেশ উন্নত হওক তাৰ বাবে আহ্বান জনাইছো। অসম চুক্তি ৰূপায়ণ, নিবনুৱা সমস্যা সমাধান হওক, অসমলৈ স্থায়ী শান্তি ঘূৰি আহক, অসমৰ জনসাধাৰণৰ আতংকিত দূৰৱস্থা দূৰ হওক এই আশা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

মাননীয় অধ্যক্ষ ঃ পদ্ম হাজৰিকা আপুনি নিৰ্ধাৰিত সময়তকৈ ১৫ মিনিট সময় ক'লে। ৫ মিনিট বঢ়াই দিয়া হ'ল।

এতিয়া আটাউৰ ৰহমান মাঝাৰ ভূঞা।

মৌলানা আটাউৰ ৰহমান মাঝাৰ ভূঞা ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ের প্রদত্ত ভাষনের উপর প্রস্তাবিত যে ধন্যবাদসূচক প্রস্তাৱ এসেছে এর উপর বলতে চাই যে মহামান্য রাজ্যপালের ভাষনের ব্যাপারে যদিও আংশিক সমর্থন আমার রয়েছে- এবং এটাকে সমর্থনের ব্যাপারে যদিও আমার মানসিক প্রস্তুতিও আছে- কিন্তু কিছু গুরুত্বপূর্ণ বিষয়ে আমি ভিন্নমত পোষণ করি। আর এই কারণেই আমি এই ধন্যবাদসূচক প্রস্তাবকে সমর্থন করতে পারছিনা। রাজ্যপালের ভাষণ টিকে পুংখানু পুংখভাবে বিশ্লেষণ করার পরেই— আমরা এই সংশোধনী প্রস্তাব এনেছি। সমাজের বিভিন্ন ব্যপারে অনেক কিছু বলার থাকলেও সময়াভাবে কেবল শিক্ষার ক্ষেত্রে কয়েকটি কথা উল্লেখ করতে চাই।

মহোদয় রাজ্যপালের ভাষনে শিক্ষার ক্ষেত্রে যে সমস্ত কথা বলা হয়েছে এই ব্যাপারে অত্যন্ত সতর্কতার সংগে লক্ষ্য করেছি যে প্রতিটি ক্ষেত্রেই বলা হয়েছে যে 'করা হ'ব। নির্দিষ্ট কোনেও সময় ভিত্তিক পরিকল্পনা নাই। আমি আগেও দেখেছি যে 'করা হ'ব' বলে একটা সুন্দর ভাষা প্রয়োগ করে সব প্রশ্নের উত্তর

বরাবরই দেওয়া হয়। যেটা পরৱর্তী কালে কখনো বাস্তবায়িত করা হয়না। ভেন্চার স্কুল Provincialisation র ব্যাপারে আমাদের আগের সব প্রশ্নের উত্তরে সরকার বরাবরই বলে এসেছে যে 'করা হ'ব।' কিন্তু ভুক্তভোগীয়েই কেবল বুঝতে পেরেছে যে এই 'করা হ'ব' আশ্বাসের কোনও মূল্যই নাই। এক্ষেত্রে আমার একটী কথা মনে পড়ে যে কথাটা আমি আগেও এই সদনে বলেছি এবং আজও বলব, বিশেষ করে আমাদের নব নির্বাচিত যুব সদস্যদের জ্ঞাতার্থে- এই 'করা হ'ব' বারবার এই অসার আশ্বাসে মনে পড়া এক গল্প। এক পার্সী সাহিত্যের নায়ক, নাম মোল্লা চদরুদ্দিন। তাকে একজন লোক জিজ্ঞাস করল তোমার বয়স কত? সে বললো- চল্লিশ বছ্র। দশ বছ্র আবার সেই লোকটা একই প্রশ্ন করল তাকে তার একই উত্তর- 'চল্লিশ'। অবাক হয়ে লোকটা বললো- 'একি রহস্য'? দশ বছ্র আগেও বললে- 'একি রহস্য'? দশ বছ্র আগেও বললে চল্লিশ- আজও বলছো বয়স চল্লিশ? কি ব্যাপার? সে নির্বিকার হয়ে উত্তর দিল- আরও দশ বছ্র পরে প্রশ্ন করলেও আমার একই উত্তর হবে- 'চল্লিশ'। অবাক হয়ে লোকটা বললো- 'একি রহস্য? দশ বছ্র আগেও বললে চল্লিশ- আজও বলছো বয়স চল্লিশ? কি ব্যাপার? সে নির্বিকার হয়ে উত্তর দিল- আরও দশ বছ্র পরে প্রশ্ন করলেও আমার একই উত্তর হ'বে- চল্লিশ। মর্দ কা একই বাত। এই সরকারেরও একই বাত- করা হ'ব কবে করা হ'ব, এসবের কোনও বালাই নাই। আমি তাই আমার দল AIUDF এর পক্ষ থেকে সরকারের কাছে স্পষ্ট জানতে চাই- কবে করা হবে। কারণ বাস্তবিক ক্ষেত্রে আমরা দেখতে পাই যে প্রাথমিক শিক্ষা- যা একটা মানুষের ভিত্তি তৈরি করে। এই ব্যাপারে সরকারের একটা সুনির্দিষ্ট নীতি রয়েছে যে প্রতি ৪০ জন ছাত্রের জন্য কমপক্ষে একজন শিক্ষক নিয়োগ করতে হবে। আমি সরকাৰকে বিনম্রভাবে জিজ্ঞাসা করতে চাই যে অসমে LP School এর ক্ষেত্রে বিগত ১০ বৎসরে একটি LP School এ এই ৪০:১ Ratio মানা হয়েছে কি না। যদি এটা পালন করে থাকেন, তবে অশেষ ধন্যবাদ। আর যদি না বলেন তাহলে বলব যে এই 'কৰা হ'ব' এই Language টা একটু Change কৰুণ। আমি বিগত বিধান সভার অধিবেশনে একটা প্রশ্ন দিয়েছিলাম যে সারা রাজ্যে LP School মাদ্রাসা, সংস্কৃত

টোল থেকে একেবারে কলেজ অবধি যে হাজার হাজার শিক্ষকের পদ খালি রয়েছে তা পূরনের জন্য কি ব্যৱস্থা নিয়েছেন। কারণ এমন অবস্থা ছিল যে বিভিন্ন স্কুলে contractual শিক্ষক নিয়োগ করার পূর্বে তিন থেকে চার বৎসর পর্যন্ত এক একটি স্কুলে Science Teacher এর পদ খালী ছিল। এমতাবস্তায় শিক্ষার মান কি ভাবে উন্নত করা যায়? যেখানে হাজার হাজার শিক্ষকের পদ খালি? পাঠ্য পুস্তক Free বিতরণ করেছেন- ধন্যবাদ দেব। কিন্তু ধন্যবাদ দেবার সুযোগটা কোথায়? এখন June মাস চলছে। গত January মাস থেকে Class চলছে। অথচ আজ পর্যন্ত অনেক স্কুল বই নাই। মাননীয় শিক্ষামন্ত্রী আজ সদনে নাই। Dynamic শিক্ষামন্ত্রী। পত্র পত্রিকার, TVতে তাঁর কথায় মানুষের মনে আশা- আকাংখার সঞ্চার হয়- আমি তাঁকে জিজ্ঞাসা করতে চাই- যে এমতাবস্থাৰ কি ভাবে শিক্ষার মান উন্নত হবে? যদি বই এর Free Distribution না করতে পারেন, তাহলে অন্ততঃ বাজার থেকে বই কিনে ছেলে মেয়েরা পড়াশুনা করতে পারত। মহোদয়, এই অৱস্থাটা আপনি বিবেচনা করুন। এর জন্য দায়ী কে? তাদের বিরুদ্ধে সরখার কি ব্যবস্থা নিবে। এরাকি রাজ্যের শিক্ষা ব্যবস্থাক মাঠে মারবে না বেসরকারী শিক্ষা প্রতিষ্ঠান গুলোতে ছাত্রদেরে কৌশল করে যেতে বাধ্য করবে? একথা সরকার প্রকাশ করুণ- আসল উদ্দেশ্য এদের কি?

অধ্যক্ষ মহোদয়, সংবিধানের পাতায় সোণালী অক্ষরে লেখা আছে- 'সম অধিকার।' কিন্তু বাস্তব ক্ষেত্রে এই 'সম অধিকার' কি ভাবে প্রতিষ্ঠা হ'বে যদি শিক্ষার ক্ষেত্রে এই practical বৈষম্য থাকে? দুর্বল শ্রেণীৰ লোক যে সম অধিকার থাকে বঞ্চিত- এটা বাস্তৱিক সত্য। সম অধিকারতো কেবল সংবিধানের পাতায়। কোথায় গরীব, দুর্বল মানুষের জন্যরয়েছে- 'সম অধিকার।'

মহোদয়, আমরা সবাই জানি, আপনিও দেখেছেন যে সরকারের পক্ষ থেকে বিগত ২০০৩ সনে সর্বশিক্ষা সার্ভে করে দুইটা জনগোষ্ঠীকে শিক্ষার ক্ষেত্রে সবচেয়ে পশ্চাদপদ বলে ঘোষণা করা হয়েছিল। একটা হলো- ধর্মীয় সংখ্যালঘু জনগোষ্ঠী- এবং অপরটা হলো- চা জনজাতি গোষ্ঠী। কিন্তু ৮ বৎসর পার হয়ে

গেল। সরকারে তো ছিল কংগ্রেস দলই। মুখ্য মন্ত্রী ছিলেন মাননীয় শ্রীতরুণ গগৈ মহাশয়। তা তিনি এই ব্যাপারে এই ৮ বৎসর যাবৎ কি পদক্ষেপ নিয়েছেন? আজ অবধি তো এই ব্যাপারে একটা পরিকল্পনাও নেওয়া হলোনা? কেন নেয়নি? কারণ সদিচ্ছার অভাব। এই চা-জনগোষ্ঠীর সমর্থন নিয়ে নির্বাচিত মাননীয় সদস্য রাণা গোস্বামী আজ সদনে বক্তব্য ৰেখেছেন। Upper Assam থেকে চা জনগোষ্ঠীর ভোটে তাঁদের অনেক সতীর্থই নির্বাচিত হয়েছেন অথচ তারাই গত ৮বৎসর যাবৎ এই দুর্ভাগা চা জনগোষ্ঠীর শিক্ষার ক্ষেত্রে উন্নতির জন্য কোনও বাস্তব পদক্ষেপ নিলেন না, কোনও পরিকল্পনাই নিলেন না। বুকে হাত দিয়ে বলতে পারবেন তাদের জন্য কি করেছেন? অথচ তাদের জনাদেশে এই কংগ্রেস দলের অনেক প্রতিনিধি রয়েছেন। এদের শিক্ষা, চিকিৎসা এবং অন্যান্য সুযোগ সুবিধার ব্যাপারে সরকার কি করেছে? এই জনগোষ্ঠীর ৬লক্ষ দুর্ভাগা লোক- আমার কথা নয়- এই Statistical Hand Book এ রয়েছে- অথচ তাদের দুখ দুর্দশা দূর করার জন্য সরকারের কোনও নির্দিষ্ঠ পরিকল্পনা নাই। এই ৬ লক্ষ শ্রমিকের মধ্য অত্যন্ত পরিকল্পিতভাবে মাত্র ৩ লক্ষ শ্রমিককে স্থায়ী করা হয়েছে আর বাকী ৩ লক্ষ শ্রমিককে casual শ্রমিক করে সমস্ত সুযোগ সুবিধা থেকে বঞ্চিত করা হয়েছে। তারা না পায় রেশন না পায় অন্যান্য সুযোগ সুবিধা। আমি জানতে চাইব বিগত ৮ বৎসর যাবৎ এদের জন্য কি পরিকল্পনা নিয়েছেন সরকার। তাছাড়া সংখ্যালঘু জনগোষ্ঠীর শিক্ষার মান উন্নয়নের জন্য কি করেছে এই সরকার?

(সময়ৰ সংকেত)

মহোদয় এই ব্যাপারে প্রধান মন্ত্রীর ১৫ point programme রয়েছে। যার মধ্য রয়েছে যে Pre-Matric Scholarship/Post Matric Scholarship। টাকা দেয় কেন্দ্রীয় সরকার, সরকার। শতকরা ১০ ভাগ দেয় রাজ্য সরকার কেবল Pre-Matric Scholarship এর জন্য। এই ১০% টাকা রাজ্য সরকার না দেওয়ার জন্য সংখ্যালঘু এই ছাত্ররা এইটাকা থেকে বঞ্চিত হয়েছে বিগত ৩ বৎসর। আর এই ৩ বৎসর পার হয়ে যাবার পর গত, Election এ জনসমর্থন পাওয়ার আশায় গত

মার্চ মাসে একসংগে তিন বছরের বকেয়া টাকা Release করা হয়েছে অথচ ততদিনে এই ছাত্ররা স্কুল ছেড়ে অন্যত্র চলে গেছে। ঠিক সেই হিসাবে Venture স্কুলের ক্ষেত্রে বলা হচ্ছে। আমি সরকারকে অনুরোধ করব যে সারা আসামে যে ১৭ হাজার Venture School কলেজ মাদ্রাসা সংস্কৃত টোল রয়েছে (আসামের বাইরের লোককে অৰশ্য Venture School কি বোঝানো যায়না- কাৰণ এটা শুধু আসামেই আছে- অন্য কোথাও নাই), এই Venture School। গুলিকে যেন এই অর্থ বছরে Provincialise করা হয় এবং যারা Contractual Teacher হিসাবে নিয়োগ পেয়েছিল তাদেরে যেন স্থায়ী করা হয়। কারণ এবছর HSLC তে যে ভাল কলেজ, মাদ্রাছা, সংস্কৃত টোল, কলেজ, মাদ্রাসা, টোল Result হয়েছে- এতে এঁদের অৰদান রয়েছে। Centre কিছু উন্নত করা হয়েছে। বাকী গুলোকে যেন উন্নত করা হয়।

**অধ্যক্ষ ঃমৌলানা সাহেব আমি আপনার সহযোগীতা চাই।**

**মৌলানা আতাউর রহমান মাঝার ভূঞা-** মহোদয়, আমি এক মিনিটের মধ্যে শেষ করেছি।

অধ্যক্ষ মহোদয়, চা-জনগোষ্ঠী, ছাড়াও যে সব জনগাষ্ঠী আসামে রয়েছে যেমন চুতিয়া, রাজবংশী, মটক, মরাণ ইত্যাদি যাদেরে 'জনজাতি' হিসাবে গণ্য করা হবে- তাদের উন্নতির জন্য যেন সুনির্দিষ্ট পরিকল্পনা নেওয়া হয়। মহোদয় স্বাস্থ্য ক্ষেত্রে বলতে চাই যে সরকার যে সব পদক্ষেপ নিয়েছেন যেমন ১০৮,১০৪, প্রাথমিক স্বাস্থ্য কেন্দ্র, আরও ৩টি Medical College ইত্যাদির জন্য সরকারকে আমি ধন্যবাদ জানাই। কিন্তু আমি জানতে চাই যে কেন মাঝে মাঝে MCI MCI (Medical Council of India, থেকে রাজ্যর কোন কোন মেডিকেল কলেজর Affiliation কর্তনের ভয় আসে? কেন শিলচর Mecdical College এর ৮ জন ডাক্তর-শিক্ষক গুয়াহাটীতে বসে মাইনে পান? কেন গৌহাটী Medical College এর Paying Cabin এর ভারা দৈনিক ৬০০ টাকা থেকে ১০০০ টাকা করা হয়েছে? কার স্বার্থে? মহোদয়, PWD র National Highway No. 44 এটা আমাদের

Lifeline, বরাক ভেলী, মিজোরাম, ত্রিপুরা, মণিপুরের। এটা বিগত ৩১ মার্চের মধ্যে পাকা করা হবে বলে মন্ত্রী মহোদয় আশ্বাস দিয়েছিলেন। PWD Commissioner তদন্ত করেছিলেন? কিন্তু কিছুই হলোনা। এছাড়া গ্রামোন্নয়ন।

(সময়ৰ সংকেত)

Forest Department, Industry এসব বিভাগের কথা না বলাই ভাল। এসবে হতাশাজন কাজের জন্যই বাধ্য হয়ে রাজ্যপাল মহোদয়ের ভাষণের উপর আমরা সংশোধনী প্রস্তাব এনেছি। এই বলে আমি আমার বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ শ্রীভূপেন কুমাৰ বৰা।**

* **শ্রীভূপেন কুমাৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি অসমৰ মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্রী আব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই যি ধন্যবাদসূচক প্রস্তাৱ আনিছিল তাক মই সমৰ্থন জনাইছো। বিৰোধী দলে যি কেইটা সংশোধনী আনিছে মই ভাবো সেইখিনি সমাধান কৰিব পৰা যাব। বিৰোধীদলৰ নেতাই কৈছিল কংগ্রেছ দল ৰাইজৰ সমৰ্থনত আহিছে। মাননীয় সদস্য, শ্রী পদ্ম হাজৰিকা ডাঙৰীয়াই জন সমৰ্থনত এই চৰাকৰ আহিছে বুলি জনাইছে।

বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ৩৩ পৃষ্ঠাৰ মাত্ৰ দুটা পৃষ্ঠাতহে সংশোধনী আনিছে অৰ্থাৎ বাকী ৩১ পৃষ্ঠাতে মাননীয় বিৰোধীপক্ষই ৰাজ্যপাল মহোদয়ৰ ভাষণক সমৰ্থন জনাইছে। অৰ্থাৎ এই ৩১ পৃষ্ঠাতে মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণৰ জৰিয়তে আমাৰ চৰকাৰৰ জনসাধাৰণৰ প্ৰতি যি প্ৰকৃত চিন্তাধাৰা তাক প্ৰতিফলিত কৰিবলৈ সক্ষম হৈছে। আমাৰ মাননীয় মুখ্য মন্ত্রী মহোদয়ে আজিৰপৰা ১০ বছৰৰ আগতে যে প্ৰথম মুখ্য মন্ত্রী হিচাপে যেতিয়া দায়িত্ব গ্ৰহণ কৰিছিল আমি তেতিয়া বিধানসভাত নাছিলো। বাতৰি কাকতত পাইছিলো। তেখেতে কৈছিল শান্তি নহ'লে প্ৰগতি নহয়। আমি কৰ্মচাৰী সকলক নিয়মীয়াকৈ দৰ্মহা দিম আৰু পঞ্চায়ত নিৰ্বাচন পাতিম। আজি আমি দেখিছো কথা মতে কাম কৰিছে। ১০ বছৰ বিৰতিৰ পাছত মহামান্য ৰাজ্যপালৰ ভাষণত আমি এটা

**Speech not corrected*

আমূল পৰিৰৰ্তন দেখিছো। আমাৰ দেশখনে অন্যান্য ভাৰত বৰ্ষৰ ৰাজ্যৰ লগত ফেৰ মাৰিব বিচাৰিছে তাৰ কাৰণে মই মুখ্য মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। আজিৰ দিনত কৰ্মচাৰীয়ে দুগুন দৰ্মহা পাইছে, পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰা হৈছে। যিবিলাক শিতানত পুঁজি নাপাইছিল সেই বিলাকত পুঁজি পাইছে, সাংবাদিক সকলক সংস্থাপন কৰাৰ ব্যৱস্থা কৰিছে। মোৰ মনত আছে সাংবাদিক সকলে যেতিয়া নিৰ্বাচনৰ আগতে মুখ্য মন্ত্ৰীক প্ৰশ্ন কৰিছিল যে নিৰ্বাচনত আপোনাৰ প্ৰধান শত্ৰু কোন এ জি পি নে এ ই উ ডি এফ ? তেতিয়া মুখ্য মন্ত্ৰী মহোদয়ে কৈছিল যে তেওঁলোক মোৰ শত্ৰু নহয় মোৰ প্ৰধান শত্ৰু হৈছে অসমৰ নিবনুৱা সমস্যা, বানপানী আৰু খৰাখহনীয়া সমস্যা। মই আজি মুখ্য মন্ত্ৰীক ধন্যবাদ জনাইছো কাৰণ তেওঁ প্ৰকৃত শত্ৰুক চিনাক্তকৰণ কৰিব পাৰিছে। আজি আমাৰ দেশত নিৰনুৱা সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। তাক আঁতৰ কৰিবলৈ মুখ্য মন্ত্ৰী মহোদয়ে চেষ্টা কৰিব বুলি আশা কৰিলো। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত বৰাকৰ কাৰণে ১০০ কোটি টকাৰ এটা পেকেজ ঘোষণা কৰিছে। বৰাকৰ জিলা সমূহ পিছপৰি আছে। তাৰ উন্নয়নৰ কাৰণে ১০০ কোটি টকা ঘোষণা কৰাটোত ভূয়সী প্ৰশংসা কৰিছো। কিন্তু ৰঙা নদী, দিক্ৰং নদীয়ে লক্ষীমপুৰ ধেমাজিৰ ৬টা বিধানসভা সমষ্টিত যি ভয়াবহতাৰ সৃষ্টি কৰি আহিছে সেইটো অসমৰ ৰাইজৰ কাৰণে চিন্তনীয় বিষয় হৈ পৰিছে। বানেধোৱা লক্ষীমপুৰৰ কাৰণে ইতিমধ্যে বহুত আঁচনি দিছে ; যদিও এটা বিশেষ পেকেজ ঘোষণা কৰিব বুলি আশা কৰিলো। মই এটা কথাত দুখপাইছো যে ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত মাধৱদেৱ কলা ক্ষেত্ৰ ৰ কথা উল্লেখ নকৰিলে তাৰ কাৰণে নতুন কোনো আঁচনিৰ কথা নক'লে। যোৱা ৫ বছৰত এই মাধৱদেৱ কলাক্ষেত্ৰৰ কাৰণে ৫ কোটি টকা ঘোষণা কৰিছিল। সেই ৫ কোটিৰ আমি মাত্ৰ দেৰ কোটিহে পালো। আমি আশা কৰিছিলো সাংস্কৃতিক বিভাগে এই নাৰায়নপুৰত মাধৱদেৱ কলাক্ষেত্ৰ ৰ কাৰণে অধিক ধন আবণ্টন কৰিব। কিন্তু সেইটো ন'হল যদিও বৰ্তমানৰ মন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰ ত চকু দিবলৈ অনুৰোধ জনালো। এটা সময়ত অসম চৰকাৰে কাউন্সিল বিলাকক ধন মোকলাই দিব পৰা নাছিল কিন্তু এই চৰকাৰৰ দিনত কাউন্সিল বিলাকে টকা পাইছে। আগতে মিছিং দেউৰী কাউন্সিল বিলাকে অকল ট্ৰেক্টৰ এখন দিয়েই দায় সামৰিছিল। এতিয়া যথেষ্ট

টকা কাউন্সিল বিলাকে পাইছে যাৰ কাৰণে এই কাউন্সিলবিলাকে উন্নয়নৰ গতি ত্বৰান্বিত কৰিব পাৰিছে। আজি দেউৰী কাউন্সিলৰ টকা খৰচত কিবা অনিময় হোৱা কাৰণে বাতৰিৰ শিৰোনামা দখল কৰিছে আনকি দেউৰী ছাত্ৰ সন্থা বা অন্যান্য সংস্থা হাইক'ৰ্টৰ কাষ চাপিবলগীয়া হৈছে। গতিকে এইক্ষেত্ৰত সোনকালে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ মাননীয় সদস্য, মহিবুল হক ডাঙৰীয়া আজি আমাৰ মাজত নাই। তেখেতে প্ৰস্তাৱ আনিছিল যে বিধায়কৰ পুঁজি ১ কোটি কৰিব লাগে। আমাৰ চৰকাৰেও এই পুঁজি বঢ়োৱা হ'ব বুলি আশ্বাস দিছিল। মুখ্য মন্ত্ৰী মহোদয়ৰ নামত দুখন আঁচনি আছিল মুখ্য মন্ত্ৰীৰ পকী দলং আঁচনি আৰু মুখ্য মন্ত্ৰীৰ পথ পকীকৰণ আঁচনি। পথ পকীকৰণ আঁচনিৰ জৰিয়তে যোৱা ৫ বছৰত আমি এক কোটিকৈ টকা খৰচ কৰি ভালেমান লাভান্বিত হৈছিলো আনহাতে পকী দলং আঁচনিৰ জৰিয়তে প্ৰতিটো সমষ্টিত ৫০ লাখ খৰচ কৰি ১২৬ টা বিধানসভা সমষ্টিৰ বহুত কাঠৰ দলং পকীকৰণ কৰা হ'ল। যদি একেদিনাই ২১৬ খন স্কুলক চৰকাৰীকৰণ কৰিব পাৰে, কৰ্মচাৰীৰ দৰমহা দুগুন কৰি পাৰে এইবাৰ ৫ বছৰতে বহুত কাঠৰ দলং পকীকৰণ কৰিব পৰা হ'ব। এইখিনিতে মই আমাৰ বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ক এটা কথাৰ কাৰণে অনুৰোধ কৰিব বিচাৰিছো। বিগত বছৰ কেইটাত আমি দেখিছিলো প্ৰায়বিলাক মঠাউৰিকে চি আৰ এফ ফাণ্ডৰ দ্বাৰা মেৰামতি কৰা আমাৰ দিক্ৰং নদীৰ মঠাউৰীও চিআৰ এফক ফাণ্ডৰ দ্বাৰা মেৰামতি কৰিব বিচৰা হৈছিল। তাৰ কাৰণে ৫ কোটি ৪০ লাখ টকা আবণ্টন দিছিল। এই ফাণ্ডৰ নিয়ম হ'ল ঠিকাদাৰে আগতে নিজে খৰচ কৰি কাম কৰাৰ পাছতহে বিল পায়। আমাৰ নতুন মন্ত্ৰী মহোদয় নিজে এইক্ষেত্ৰত এজন ভুক্তভোগী লোক। তেখেতৰ যথেষ্ট অভিজ্ঞতা আছে আমাতকৈও বেছি। মই ৬টা নদীৰ মাজত থাকো। তেখেতে ব্ৰহ্মপুত্ৰৰ মাজতে থাকে। গতিকে এই চি আৰ এফ প্ৰক্ৰিয়াৰ যদি সংশোধন কৰা নাযায় তেনেহ'লে আমাৰ ঠিকাদাৰৰ কাৰণে কাম কৰা সম্ভৱ নহয়. এনে কেইজন ঠিকাদাৰ আছে যি নিজে নিজৰ টকাৰে কাম কৰি পিছত বিল ল'ব? গতিকে এই নিয়মৰ সংশোধন কৰিবহে লাগিব। আমাৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী মহোদয়াই অৰ্থাৎ প্ৰণতি ফুকনে বাহিৰৰ পৰা গামোছা আমদানি কৰাটো বন্ধ কৰিব বুলি কৈছে। এইটো শলাগ ল'বলগীয়া। আমাৰ গাতো শিহৰণ জাগিছে। অকল গামোছা

উৎপাদন হ'লেই নহ'ব, তাৰ কাৰণে বজাৰও লাগিব। মহাত্মা গান্ধীয়ে কৈছিল গাতে শুকোৱা মুঠিতে লুকুৱা হৈছে অসমীয়াৰ গামোছা। আজি গাঁৱে ভূঞে সূতা দিয়া হৈছে কিন্তু সেই সূতাৰে গামোছা বইছে নে নাই তাৰ খবৰ ল'ব লাগিব। যদি গামোছা বইছেও সেইবোৰ কিনিব কোনে? গতিকে এই গামোছা বিলাকৰ বজাৰ সৃষ্টি কৰি অসমে ইতিহাস ৰচনা কৰিব বুলি আশা কৰিলো। এই বজাৰত যাতে দালাল নাথাকে তাৰ ব্যৱস্থা কৰক। আমি সকলোৱে আজি আন্তৰ্জাতিক সীমাৰ কথা আলোচনা কৰিছো। কিন্তু আমি আন্তৰ্জাতিক ৰাজ্য সীমাৰ কথা চিন্তা কৰিছো নে নাই? মোৰ সমষ্টিৰে ৩৫ জন লোক আজিও অৰুণাচলত নন বেইলেব্‌ল ওৱাৰেণ্টত পলাই ফুৰিবলগীয়া হৈছে ইয়াৰ কাৰণ হ'ল সীমা সমস্যা। এই সমস্যা সমাধানৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে এখন ব'ৰ্ডাৰ কমিচন গঠন কৰি দিছে। তাত ৰাজ্য চৰকাৰে তেওঁলোকৰ সীমা সম্পৰ্কীয় নথিপত্ৰ দাখিল কৰিব লাগে। তাহানিখন হিতেশ্বৰ শইকীয়াৰ দিনতে কিবা কাগজ-পাতি দিয়া বুলি শুনিছিলো। আজিও তাৰ কোনো খবৰ কৰা নাই যাৰ কাৰণে সমস্যা সমাধান হোৱা নাই। সেই বিলাক চৰকাৰে কিন্তু সীমাতে স্কুল-কলেজ স্থাপন কৰিছে। আমি তাক বাধাও দিয়া নাই আৰু আমাৰ সীমাত একো কৰাও নাই যাৰ কাৰণে অসমৰ ৰাইজে সীমামূৰীয়া মাটি বিক্ৰী কৰি ভিতৰলৈ সোমাই আহি আছে। গতিকে বোৰ্ডাৰ যিটো বিভাগ আছে এই বিভাগটোক আৰু অধিক ধন দিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো।

আজি সাংবাদিক সকলক অসম চৰকাৰে সংস্থাপন কৰাৰ ব্যৱস্থা কৰিছে। কথাটো ভাল হৈছে। তেওঁলোকৰ মালিকপক্ষৰ পৰা ভাৰামুক্ত আৰম্ভ হ'ব। তেতিয়া স্বাধীনতাৰে সাংবাদিকতা কৰিব পাৰিব। তাৰ কাৰণে মই মুখ্য মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। বিৰোধীপক্ষৰ মাননীয় সদস্য ৰাজ্যপাল মহোদয়ৰ ৩৩ পৃষ্ঠা ভাষণৰ মাত্ৰ ২ পৃষ্ঠাতহে সংশোধন আনিছে বাকী ৩১ পৃষ্ঠাতে সমৰ্থন থকাটো শুভ লক্ষণ আৰু সংশোধনীখিনিও তেওঁলোকৰ গঠনমূলক চিন্তা ধাৰাৰ কাৰণে তেওঁলোকক ধন্যবাদ জনাই বক্তৃতাৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ শ্ৰীকমল সিং নাৰ্জাৰী।**

*** শ্ৰী কমল সিং নাৰ্জাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, শ্ৰীআব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি দুষাৰমান ক'ব বিচাৰিছো। আজি গোটেই অসমতে শান্তিৰ যি পৰিৱেশ সৃষ্টি হৈছে সেইটো অসমৰ ৰাইজে অনুভৱ কৰিছে। ইয়াৰ ফলত আজি চৰকাৰে বিভিন্ন ধৰণে পুঁজি বিনিয়োগ কৰিব পাৰিছে। এইখিনিতে মই এটা কথা ক'ব বিচাৰিছো যে সঁচাকৈ অসমত শান্তিৰ বাতাবৰণ হৈছে। অসমৰ চৰকাৰৰ এই সদিচ্ছাৰ কাৰণেই আচলতে শান্তি স্থাপন হৈছে। আজি আমি যি বিদ্ৰোহী সমস্যাৰ কথা কৈছো তাৰ লগত নিবনুৱা সমস্যাৰ সম্পৰ্ক আছে। ইয়াৰ পৰিৱেশ সৃষ্টি কৰিব পাৰিলে সমস্যাটোৰ সমাধান হ'ব।

কাৰণ বিদ্ৰোহী সমস্যা সমাধান কৰিব নোৱাৰিলে শান্তিৰ পৰিৱেশ নাহে। ক্ষন্তেকীয়াকৈ সমস্যাটো সমাধা হ'লেও ই পুনৰ গা কৰি উঠিব। ৰাজ্যপাল মহোদয়ৰ ভাষণত আলফা, এন ডি এফ বি, ইউ টি এন এলএফ, কে এন এল এফ আদি বিভিন্ন বিদ্ৰোহী সংগঠনৰ লগত আলোচনা কৰিবলৈ মধ্যস্থতাকাৰী নিয়োগ কৰাৰ কথাও উল্লেখ কৰিছে। এন ডি এফ বিৰ দুটা ফৈদ আছে আলোচনাপন্থী আৰু আলোচনাবিৰোধী ফৈদ। ৰঞ্জন দৈমাৰী, জৰ্জ বসুমতাৰী হৈছে আলোচনাবিৰোধী গোট। গতিকে দুয়ো গোটৰ মাজত আলোচনা নহ'লে আলোচনাও ফলপ্ৰসু নহ'ব। আমাৰ বি টি এ ডিৰ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে এন ডি এফ বিৰ আলোচনাবিৰোধী গোটৰ মাজত মধ্যস্থতাকাৰী হিচাপে চৰকাৰৰ লগত আলোচনা কৰিবলৈ আগবাঢ়ি আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বি টি চি প্ৰধান মহিলাৰী ডাঙৰীয়াই এই কথা জনাইছে যে অতি সোনকালেই এন ডি এফ বিৰ যিটো সমস্যা সেইটো সমাধান কৰিবৰ কাৰণে উপযুক্ত ব্যৱস্থা লৈ আলাপ-আলোচনাৰ মাজেদি আগবাঢ়ি আছে, সেই কথাটো উচিত পদক্ষেপ হ'ব বুলি ভাবো। এই সদনতে যোৱা বছৰ ১২ জুলাই তাৰিখে বিধানসভাৰ সদনৰ ৫৪ ধাৰাৰ মাধ্যমেৰে কিছু কথা আলোচনা কৰিছিলো। তেতিয়া অসমৰ মন্ত্ৰী, শ্ৰীৰকিবুল হুছেইন ডাঙৰীয়াই এন ডি এফ বি আৰু ডি এইছ ডিৰ লগত আলোচনা কৰি ব্যৱস্থা লোৱা হ'ব বুলি ঘোষণা কৰিছিল। সেই ঘোষণা

---

***Speech not corrected***

এতিয়াও একে অৱস্থাতে আছে। মই আশা ৰাখিছো আগন্তুক ৫ বছৰৰ ভিতৰত প্ৰয়োজন সাপেক্ষে অহা ২০১১-১২ চনৰ ভিতৰতে এই গোটেই বিষয়টো আলোচনা-বিলোচনা কৰি এটা শান্তিৰ পৰিৱেশ ঘূৰাই আনিবৰ কাৰণে দৃঢ় পদক্ষেপ ল'ব বুলি আশা কৰিলো। সভাপতি ডাঙৰীয়া ইতিমধ্যে এই সংস্থাৰ বিভিন্ন কেদাৰে আত্মসমৰ্পণ কৰিছে। কিন্তু এই আত্মসমৰ্পণকাৰী সকলে পুনৰ সংস্থাপন নোপোৱাৰ কাৰণে (বা ৰিহেবিলিটেচন) বহু কষ্টৰ মাজেদি দিন অতিবাহিত কৰিবলগীয়া হৈছে। সেই কাৰণে এই সকলক অতি সোনকালেই পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিববলৈ অনুৰোধ জনাইছো। এই পুনৰ সংস্থাপন হ'লে উগ্ৰপন্থীৰ যিটো সমস্যা সেইটো বহু পৰিমাণে লাঘৱ হ'ব। মোৰ বহু কথা ক'বলগীয়া আছিল কিন্তু সময় কম। মোক অলপ সময় দিলে ভাল পাম। ২০০৩ চনতে বি টি চি গঠন হ'ল কিন্তু এই বি টি চিৰ এৰিয়াত আন্তঃগাঁথনি সমূহ তৈয়াৰ হৈ নুঠিল। বাগছা আৰু চিৰাং জিলাৰ আজিলৈকে ট্ৰেজাৰী অফিচটো নোহোৱাৰ কাৰণে ইয়াৰ ৰাইজৰ, কৰ্মচাৰী সকলৰ, নিবনুৱা সকলৰ ট্ৰেজাৰী চালানৰ ক্ষেত্ৰত অহা অসুবিধাৰ কাৰণে বহুতো সমস্যাৰ সৃষ্টি হৈছে। গতিকে এই দুখন জিলাত ট্ৰেজাৰী অফিচৰ সুবিধা প্ৰদান কৰি ৰাইজৰ কাম-কাজত সুবিধা কৰি দিব বুলি আশা কৰিলো। ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীতে এই চাৰান্দাৰ কৰা কেডাৰ সকলে বহু সমস্যাৰ ভুক্তভোগী হৈ আছে। তাৰোপৰি চিৰাং জিলাত এখন পলিটেকনিক প্ৰতিষ্ঠা কৰিবৰ কাৰণে যোৱা বাজেটতে সন্নিৱিষ্ট কৰা হৈছিল। কিন্তু মহামান্য ৰাজ্যপালৰ ভাষণত চিৰাং জিলাৰ এই পলিটেকনিক প্ৰতিষ্ঠাৰ কথাটো বাদ পৰি গৈছে। মই আশা ৰাখিছো পলিটেকনিকটো প্ৰতিষ্ঠা কৰাৰ কাৰণে ব্যৱস্থা ল'ব। সেইদৰে ওদালগুৰিৰ ইঞ্জিনীয়াৰিং কলেজ প্ৰতিষ্ঠা কৰাৰ কথা ঘোষণা কৰিছিল। কিন্তু ৰাজ্যপালৰ ভাষণত সেইটো উল্লেখ নাই। সেই বিষয়টো সন্নিৱিষ্ট কৰিবৰ কাৰণে মই অনুৰোধ জনালো। ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত এ জি পি এ যিটো সংশোধনী প্ৰস্তাৱ আনিছে, বিশেষকৈ ডি ভোটাৰৰ ক্ষেত্ৰত আৰু দুখীয়া পৰিয়াল সকললৈ নতুনকৈ বি পি এল বা আই কাৰ্ড নবীকৰণ কৰি দিবৰ কাৰণে অনুৰোধ জনালো। এই ব্যৱস্থাৰ দ্বাৰা আমাৰ দুখীয়া মানুহখিনি যথেষ্ঠ উপকৃত হ'ব। তাৰোপৰি ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য, দ্বীপৰবিল, জলাশয় সমূহ ৩১ ডিচেম্বৰৰ আগতে বেদখলমুক্ত কৰি এক সুন্দৰ পৰিৱেশ সৃষ্টি

কৰিবৰ কাৰণে অনুৰোধ জনালো। নহ'লে আমাৰ চৌদিশৰ পৰিৱেশ নষ্ট হ'ব। আমাৰ ১৮টা জনগোষ্ঠীৰ উন্নয়নৰ কাৰণে উন্নয়ন পৰিষদ গঠন কৰাৰ যি প্ৰস্তাৱ দিয়া হৈছে তাৰ কাৰণে ধন্যবাদ জনাইছো। বি টি চি আৰু হাজং উন্নয়ন পৰিষদ গঠন হ'লে ভাল হয়। মই আন এটা কথা ক'ব বিচাৰিছো যে বড়ো মিডিয়ামৰ যিটো সমস্যা সেইটো আজি বহু বছৰ ধৰি কাৰ্যকৰী নহ'ল। এই ক্ষেত্ৰত এটা পৃথক সঞ্চালকালয় গঢ়ি তুলিলে এই সমস্যাৰ সমাধান বহুখিনি আগ বাঢ়িব। মই ভাবো, এইক্ষেত্ৰ ত চৰকাৰে সোনকালে দৃঢ় পদক্ষেপ ল'ব। মাননীয় সদস্য শ্ৰীআব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

(Mr. Speaker Vacated the Chair)

**মাননীয় সভাপতি ঃ** যিহেতু আমাৰ হাতত সময় কম আছে, মাননীয় সদস্যসকলে চমুকৈ বক্তব্য ৰাখিব বুলি অনুৰোধ জনালো।

এতিয়া মাননীয় সদস্য, শ্ৰীবিদ্যাসিং ইংলেং ডাঙৰীয়াই ক'ব।

**শ্ৰীবিদ্যা সিং ইংলেং ঃ** মাননীয় সভাপতি ডাঙৰীয়া, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদসূচক প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱত মই সমৰ্থন জনাই ৰাজ্যপালৰ অভিভাষণৰ ওপৰত পাহাৰীয়া অঞ্চল কাৰ্বি আংলং আৰু উত্তৰ কাছাৰৰ ৰাইজৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো। বিশেষকৈ আমাৰ এই পাহাৰীয়া অঞ্চলত এখন ইঞ্জিনীয়াৰিং কলেজ প্ৰতিষ্ঠা কৰাৰ কাৰণে যিটো প্ৰস্তাৱ চৰকাৰে লৈছে তাত আমি আনন্দ প্ৰকাশ কৰিছো। তাৰোপৰি আমাৰ এই পাহাৰীয়া অঞ্চলত এখন মেডিকেল কলেজ প্ৰতিষ্ঠা কৰাৰ কাৰণে যি পৰিকল্পনা গ্ৰহণ কৰিছে তাৰ কাৰণে ৰাজ্য চৰকাৰক ধন্যবাদ জনাইছো। এনেবিলাক উন্নয়নৰ ব্যৱস্থা হোৱাৰ কাৰণেই ২০০১ চনৰপৰা ২০১১ চনলৈ আমাৰ এই পাহাৰীয়া অঞ্চলত প্ৰথমতে দুজন, তাৰ পিছত ২০০৬ চনত তিনিজন আৰু এইবাৰ ২০১১ চনত শতকৰা ১০০ ভাগ কংগ্ৰেছ পাৰ্টীৰ প্ৰাৰ্থী জিকি আহিছে। পাহাৰীয়া অঞ্চলৰ ৰাইজে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ নেতৃত্বক সমৰ্থন জনাইছে। বিগত দিনত কোনো চৰকাৰৰ পৰা এই পাহাৰীয়া অঞ্চলৰ ৰাইজে

কোনো ধৰণৰ সহায় সহযোগ পোৱা নাছিল। কিন্তু আমাৰ কংগ্ৰেছ চৰকাৰৰ সময়ৰ পৰা পাহাৰৰ দুখীয়া মানুহখিনিলৈ টিনপাত আৰু ২০০০ টকাকৈ সাহায্য আগ বঢ়াইছে। আজি সুদীৰ্ঘ বছৰ বছৰ ধৰি পাহাৰীয়া অঞ্চল বিলাকত কোনো ধৰণৰ উন্নয়নমূলক কাম নোহোৱাৰ কাৰণে উত্তৰ কাছাৰ, কাৰ্বি আংলঙৰ ৰাইজে বিভিন্ন সমস্যাক লৈ জৰ্জৰিত হৈ আহিছে। এই পাহাৰীয়া অঞ্চলত কে এন এল এফকে ধৰি ইউ পি ডি, এছ, ডি এইচ ডি জুৱেল আৰু ডি এইচ ডি (নুনিচা গ্ৰুপ) আৰু বিভিন্ন উগ্ৰপন্থী গোটে চিজ ফায়াৰ কৰি শান্তিৰ পৰিৱেশ ঘূৰাই অনাৰ কাৰণে হাবিয়াস কৰিছে। মই অনুৰোধ জনাইছো চৰকাৰে যাতে এই পাহাৰীয়া অঞ্চলত শান্তিৰ পৰিৱেশ ঘূৰাই অনাৰ কাৰণে যত্নপৰ হয়। যোৱা ২০-২৫ বছৰ ধৰি এই অঞ্চলবিলাকত সন্ত্ৰাসে জৰ্জৰিত কৰিছিল। ৰাজ্য চৰকাৰে ভাৰতীয় সংবিধানৰ ২৪৪(ক) ধাৰা মতে কাৰ্বি আংলঙৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব বুলি বিধান সভাত মন্ত্ৰী, হিমন্ত বিশ্ব শৰ্মাই বিবৃতি দিছিল। মাননীয় সভাপতি আপোনাৰ জৰিয়তে এই ঘোষণাতো এটা ন্যায় সিদ্ধান্ত হ'ব বুলি আশা কৰিলো। এইক্ষেত্ৰ ত তৎকালিনভাৱে ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিলো।

যোৱাকালি ৰাতি দুটা বজাত শ্ৰীনৰেন কিলিঙক নৃশংসভাৱে হত্যা কৰা হ'ল। এই ঘটনাৰ লগত যি সকল জৰিত হৈ আছে তেওঁলোকক অতি সোনকালে কৰায়ত্ত কৰিব লাগে। তেওঁৰ নিৰাপত্তাৰ দায়িত্বত থকা লোক কেইজনৰ ওপৰত তদন্ত কৰি দোষীজনক চাচপেন কৰিব লাগে। যি সকল দুষ্কৃতিকাৰীয়ে এনে ঘটনা সংঘটিত কৰিলে তেওঁলোকক সদনত দল মত নিৰ্বিশেষে গৰিহণা দিব লাগে। এইখিনিকে অনুৰোধ জনাই মই সামৰণি মাৰিলো।

(মাননীয় অধ্যক্ষই আসন গ্ৰহণ কৰে)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ৰঞ্জিত দাস ডাঙৰীয়াই ক'ব।

**শ্ৰীৰঞ্জিত দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমবাৰৰ বাবে বিধানসভালৈ সদস্য হিচাপে আহিছো। নতুনকৈ অহা হিচাপে আজি বিধানসভাৰ মজিয়াত বক্তব্য ৰাখিবলৈ পাই মই অতিশয় আনন্দিত হৈছো। মহামান্য ৰাজ্যপালে বিধানসভাৰ মজিয়াত যি ভাষণ ৰাখিলে তাত আমাৰ কিছুমান কথা উল্লেখ নাই যেন অনুমান হৈছে। কিন্তু

সেইবুলি মই সমালোচনা কৰিবলৈ যোৱা নাই। আজি ভাষণত উল্লেখ কৰা ধৰণে ভাৰত-বাংলাদেশ সীমাৰ ৰাজ্যৰ ৰাস্তা আৰু বেৰাৰ লগতে ফ্লাড লাইটৰ কামখিনি যাতে সোনকালে সম্পূৰ্ণ কৰে তাৰ কাৰণে ব্যৱস্থা ল'ব লাগে। কিন্তু আমি দেখাত ধুবুৰীৰ সীমান্তত ১৩৫ কিঃ মিঃৰ ভিতৰত প্ৰায় ৪৫ কিঃ মিঃ পথ জলপূৰ্ণ হৈ আছে। সেইবিলাক ঠাইত কাটা তাঁৰৰ কোনো ব্যৱস্থা হোৱা নাই। বা সম্পূৰ্ণ কৰি তোলা নাই। গতিকে তাত কাটা তাঁৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা মতে অসমৰ সত্ৰ সমূহত সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ দায়িত্ব ল'ব বুলি জনোৱাত ধন্যবাদ জনাইছো। আশা ৰাখিছো সত্ৰ সমূহৰ যিবোৰ মাটি বেদখল হৈ আছে সেইবোৰ মাটি অতি শীঘ্ৰেই বেদখল মুক্ত কৰি মাটিখিনিৰ উদ্ধাৰৰ ব্যৱস্থা কৰে যেন। মাননীয় অধ্যক্ষ মহোদয়, বানপানীয়ে আমাৰ ৰাজ্যখনক বিগত বছৰ বিলাকত ভয়ানকভাৱে ক্ষতিগ্ৰস্ত কৰিছে। বানপানীৰ কৱলত পৰি নামনি অসমত যোৱা কেবা বছৰ ধৰি এই হাহাকাৰৰ সৃষ্টি হৈছিল। তাতে আকৌ ভূটানৰ বান্ধৰপৰা এৰি দিয়া পানীয়ে কৃষিজীৱী ৰাইজক জুৰুলা কৰি আহিছে। গতিকে ভূটানৰ কুৰিশ্বু বান্ধৰপৰা যাতে বৃহৎ পানী নেৰে তাৰ কাৰণে ভূটান চৰকাৰৰ লগত আলোচনা কৰি অসমৰ নামনি অঞ্চলৰ বৰপেটা-বাগছাকে ধৰি বিভিন্ন জিলাত বানপানী নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব লাগে। কৃষক সকলক সকাহ দিয়াৰ কাৰণে শষ্য বীমাৰ লগতে কৃষকক বিনামূলীয়া জীৱন বীমা আঁচনিৰ অন্তৰ্ভুক্ত কৰিব লাগে। তাৰোপৰি ভেন্সাৰ স্কুলবিলাক প্ৰাদেশিকীকৰণ কৰা হ'ব বুলি জনোৱাত সন্তোষ পাইছো। কিন্তু আমাৰ ৰাজ্যখনত ভেন্সাৰ কলেজ যথেষ্ঠসংখ্যক আছে। সেইবিলাকো প্ৰাদেশিকীকৰণ কৰিব লাগে। অধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যখনৰ পৰা মাছৰ বাবদ প্ৰায় ২০০০ কোটি টকা ৰাজ্যখনৰ বাহিৰলৈ গুচি যায়। বাহিৰৰ ৰাজ্যৰ পৰা মাছবিলাক আমদানি কৰা হয়। প্ৰতি বছৰে হাজাৰ হাজাৰ কোটি টকা আমাৰ ৰাজ্যৰ পৰা ওলাই গৈ আছে। গতিকে ইয়াৰ পৰা পৰিত্ৰাণ পাবৰ বাবে আমাৰ যিবিলাক খাল, বিল, জলাশয় আছে, প্ৰায় ৩০০০ তেনে ধৰণৰ খাল বিল আছে সেই বিলাকত মৎস্য খেতি কৰিব লাগে। ইয়াৰ দ্বাৰা আমাৰ ৰাজ্যখনত নিবনুৱা সকলক সংস্থাপন দিব পৰা যায় আৰু তাৰ লগে লগে মাছৰ ব্যৱসায়ৰ দ্বাৰা ৰাজ্যৰ অৰ্থনৈতিক দিশটো সৱল কৰিব পৰা যায়। তাৰ পিছত কোচ ৰাজবংশীসকল,

মৰাণ, মটক, চুতীয়া, আহোম আৰু চাহ জনজাতিকৰণৰ যি সকল জাতি গোষ্ঠী আছে তেওঁলোকক অনুসূচিত জনজাতিৰ মৰ্যাদা দিবৰ কাৰণে বিহীত ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ ঃ এতিয়া শ্ৰী পল্লৱলোচন দাস। আমি বাৰ বজাত শেষ কৰিব লাগিব। গতিকে সকলো সদস্যই তিনি মিনিটকৈ ক'ব।

***শ্ৰীপল্লৱলোচন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য, আব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়ালে তাৰ সমৰ্থনত মই দুযাৰমান ক'ব বিচাৰিছো। এই চৰকাৰৰ কাৰ্যকালত মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যি এটা পৰিৱৰ্তন আনিলে তাক অসমৰ ৰাইজে বুজিব পাৰিছে। মাননীয় অধ্যক্ষ মহোদয়, ২০০১ চনত যেতিয়া মাননীয় মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই কাৰ্যভাৰ গ্ৰহণ কৰিছিল তেতিয়া হয়তো অসমৰৰাইজে অনুভৱ কৰিব পৰা নাছিল যে অসমৰ গাঁৱে-ভূয়ে ১০৮ থিয় হ'ব, মাতৃ, কন্যা, শিশুৰ বাবে আঁচনি প্ৰস্তুত হ'ব। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দিনতে তেখেতৰ কক্ষত আটছাৰ সভাপতিয়ে তেখেতক গামোচা পিন্ধাইছিল। ই অকল গগৈ ডাঙৰীয়াৰ নেতৃত্বতহে সম্ভৱ হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, আজি এই চৰকাৰৰ দিনত শিক্ষা, স্বাস্থ্য আদি সকলো দিশতে অসম উন্নতিৰ পথত আগবাঢ়ি গৈছে। অসমৰ ৰাইজে, অসমৰ জনসাধাৰণে সমৰ্থন আগবঢ়োৱাৰ এইটো এটা উল্লেখযোগ্য কাৰণ আছিল। আইন-শৃংখলাৰ ক্ষেত্ৰ ত আশ্বস্ত হ'ব পৰাকৈ প্ৰয়োজনীয় পদক্ষেপ এই চৰকাৰে আগবঢ়াইছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি শিক্ষিত, অশিক্ষিত দুখীয়া নিচলা, বৃদ্ধ সকলো ক্ষেত্ৰত আঁচনি প্ৰস্তুত কৰা হৈছে। পঞ্চায়ত সমূহৰ ক্ষেত্ৰ ত প্ৰসংশনীয় পদক্ষেপ আগবঢ়াইছে। আজি ৰাইজে অনুভৱ কৰিব পাৰিছে। ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰে নতুন পৰিৱৰ্তন আনিব পাৰিছে। প্ৰশাসনীয় আওপুৰণি নিয়মবোৰৰ ক্ষেত্ৰ তো নতুন পদক্ষেপ লৈছে। মাননীয় অধ্যক্ষ মহোদয়, আজি চৰকাৰী বে-চৰকাৰী সকলো ক্ষেত্ৰ তে এটা নতুন পদক্ষেপ লোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ই সঁচাকৈয়ে এক যুগান্তকাৰী পদক্ষেপ হৈছে। অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰ তো পদক্ষেপ লোৱা হৈছে। গেচক্ৰেকাৰ

**_*Speech not corrected_**

প্ৰকল্প, বগী বিলৰ দলং আদি উল্লেখযোগ্য পদক্ষেপ। মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগিচা সমূহত বাগিচাৰ মালিকসকলে অধিক মাটি অধিগ্ৰহণ কৰি আছে। যিসকলে অধিক মাটি গ্ৰহণ কৰি আছে সেই সকলক উচ্ছেদ কৰিব লাগে। এই বাগিচা সমূহত ইংৰাজী মাধ্যমতে কাম কাজ চলে। এই ক্ষেত্ৰত বহুতো অসুবিধাৰ সন্মুখীন হ'বলগা হয়। এই চাহ বাগিচা সমূহত অসমীয়া মাধ্যম বাধ্যতামূলক হ'ব লাগে। মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগিচাসমূহৰ কৰ্মচাৰীসকলে ১৫০ বছৰ ২০০ বছৰ কাম কৰাৰ পিছতো তেওঁলোকে তাৰ পৰা গুচি যাবলগা হয়। গতিকে এই কৰ্মচাৰী সকলক পকী ঘৰৰ ব্যৱস্থা কৰি দিব লাগে। এইখিনিকে আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীমতী বিস্মিতা গঁগৈ।

**শ্ৰীমতী বিস্মিতা গঁগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদস্য শ্ৰীআব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছে তাৰ প্ৰতি সমৰ্থন জনাই মই দুআষাৰ ক'বলৈ আগবাঢ়িছো। যোৱা পাঁচটা বছৰে আমাৰ কংগ্ৰেছ চৰকাৰে ৰাইজৰ আশা আকাংক্ষাৰ প্ৰতি গুৰুত্ব দি যি উন্নয়নমূলক কাম কৰিলে তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো। ইয়াত মহিলা সকলৰ উন্নয়নৰ বাবে মহিলা বিশ্ববিদ্যালয়ৰ কথা কৈছে, তাৰ বাবে ধন্যবাদ। মহিলাসকলৰ বাবে যি ভকেশ্বনেল ট্ৰেইনিং ছেণ্টাৰ স্থাপনৰ কথা উল্লেখ কৰিছে, সেয়া প্ৰত্যেকটো উন্নয়নখণ্ডৰ অধীনত একোখনকৈ হ'লে গাঁৱৰ বেছিসংখ্যক মহিলাই ইয়াৰ দ্বাৰা উপকৃত হ'ব। ইলেকট্ৰিচিয়ান, প্লামবাৰ, ড্ৰাইভিং আদি যিবোৰ ক্ষেত্ৰত বৰ্তমানলৈকে মহিলাক দেখিবলৈ পোৱা হোৱা নাই সেইবোৰ বিষয় অন্তৰ্ভুক্ত হ'ব লাগে আৰু সেই বিষয় সমূহৰ প্ৰতি আকৰ্ষিত কৰিবলৈ প্ৰচেষ্টা হাতত ল'বৰ বাবে অধ্যক্ষ মহোদয়ৰ যোগেদি দৃষ্টি আকৰ্ষণ কৰিলো। বৰ্তমান পঞ্চায়ত ব্যৱস্থাত নিৰ্বাচিত প্ৰতিনিধিসকলক যি নূন্যতম পাৰিতোষিক দিয়া হৈছে সেয়া যথেষ্ট নহয়। তেওঁলোকক দৰমহাৰ আওতালৈ আনিব লাগে। ৱাৰ্ড মেম্বাৰ সকলকো এই দৰমহা গাঁঠনিত অন্তৰ্ভুক্ত কৰিব লাগে লগতে তেওঁলোকক ৱাৰ্ডটো ভালদৰে দায়িত্ব লোৱাৰ ক্ষেত্ৰত সহায় হোৱাকৈ চাইকেলৰ ব্যৱস্থা কৰিব

লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই এনে এটা সমষ্টিত প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ পাইছো যাৰ উন্নয়ন ২০০২ চনৰপৰা পৰিলক্ষিত হোৱা নাই। এই সমষ্টিৰ অন্তৰ্গত দুটাকৈ সমবায় খণ্ডত থকা উদ্যোগ আছে যেনে— কুশল কোঁৱৰ সমবায় সূতা কল আৰু অসম সমবায় চেনীকল এই দুয়োটা বৰ্তমান মৃত। সমবায় ক্ষেত্ৰত যদি এই দুয়োটা পূৰ্ণজীৱিত কৰাত অসুবিধা আছে তেন্তে ব্যক্তিগত খণ্ডলৈ নি হ'লেও এই দুয়োটা চলোৱাৰ ব্যৱস্থা কৰিলে নিবনুৱা সমস্যা বহুখিনি সমাধান হ'ব। অধ্যক্ষ মহোদয়ে মোক দুআষাৰ ক'বলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া শ্ৰীভূপেন ৰয়।

*শ্ৰীভূপেন ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয় মোক দুআষাৰ কব'লৈ দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, মই বিশেষকৈ দুখীয়া মানুহখিনিৰ কথা ক'ব খুজিছো। আমাৰ সকলো দুখীয়া জনসাধাৰণৰ কাৰণে বি পি এল কাৰ্ড হোৱা নাই। বি পি এল কাৰ্ড নথকাসকলে আই এ ৱাই ঘৰকে ধৰি অন্যান্য সা-সুবিধা বিলাক নাপায়। সকলো দুখীয়া জনসাধাৰণকে সামৰি ছাৰ্ভে কৰি সকলোকে আই ডি কাৰ্ড দিয়াৰ ব্যৱস্থা থাকিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত নতুন মহকুমাৰ কথাটো নাই। স্কুল বিলাকৰ কথা উল্লেখ আছে যদিও কলেজ বিলাকৰ কথা উল্লেখ নাই। কোচ ৰাজবংশী সকলক এচ টি অন্তৰ্ভুক্তি কৰাৰ বাবে কাৰ্য ব্যৱস্থা ল'বলৈ অনুৰোধ জনাই মাননীয় সদস্য আব্দুল মুহিব মজুমদাৰৰ প্ৰস্তাৱৰ অন্তৰ্ভুক্ত কৰিব বুলি আশা ৰাখিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া শ্ৰীসুশান্ত বৰগোহাঁই।

*শ্ৰীসুশান্ত বৰগোহাঁই ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য, আব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই যি প্ৰস্তাৱ আগবঢ়ালে তাৰ প্ৰতি সমৰ্থন জনাই মই আজি দুআষাৰ ক'বলৈ আগবাঢ়িছো। মাননীয় অধ্যক্ষ মহোদয়, যোৱা দহ বছৰত আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ নেতৃত্বত আমাৰ

---

****Speech not corrected***

অসমত যি ধৰণে উন্নয়নমূলক কাম কাজ কৰিছিল সেই উন্নয়ন আশা কৰা ধৰণে আগবাঢ়ি যাব পাৰিছিল সেই কথা মহামান্য ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে। আমাৰ গ্ৰাম্য উন্নয়ন, স্বাস্থ্য বিভাগৰ উন্নয়ন, সমবায়ৰ দৰে বিভিন্ন বিভাগৰ উন্নয়নৰ কথা মহামান্য ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে। মই আজি এটা কথা কওঁ যে আমাৰ চৰকাৰে গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰ ত যথেষ্ট কাম কৰিছে। যোৱা ৫ বছৰত হোৱা উন্নয়নে তাকে প্ৰমাণ কৰে। ১৯৯৩ চনৰ পৰা গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰ ত কোনো কাম কাজ নহ'ল। আমাৰ মাননীয় মুখ্য মন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰ গঠন হোৱাৰ পিছত যোৱা ১০ বছৰত দুবাৰ কৈ পঞ্চায়ত নিৰ্বাচন হ'ল। আমাৰ চৰকাৰৰ পৰা এতিয়া ৰাইজে বহুতো আশা কৰিছে। সেয়ে আমাৰ চৰকাৰে এতিয়া বিভিন্ন আঁচনি হাতত লৈছে আৰু এই আঁচনি বিলাকৰ ফল গাঁৱৰ দুখীয়া ৰাইজে পাইছে। আমাৰ আহিবলগা ৫ বছৰটো গ্ৰাম্যাঞ্চলৰ ৰাইজে উন্নতি দেখা পাব। আমিও কাম কৰি যাম। আমাৰ গ্ৰামাঞ্চলৰ কাম কাজৰ ক্ষেত্ৰ ত চচিয়েল অডিত চিষ্টেম প্ৰয়োগ কৰা হ'ব। আমাৰ গ্ৰামাঞ্চলৰ কাম কাজত কিমান দূৰ সুবিধা অসুবিধা হৈছে সেইখিনি তেতিয়া পৰিস্ফুত হ'ব। দখীয়া মানুহৰ কাৰণে বি পি এলৰ কথাও ভাষণত উল্লেখ আছে। আই এ ৱাইৰ কথাও আছে। এইবোৰ সকলো কেটেগৰী মানুহৰ ক্ষেত্ৰ ত প্ৰযোজ্য কৰিব লাগে। স্বাস্থ্যৰ ক্ষেত্ৰ ত বিশেষভাৱে উন্নতি হৈছে। কৃষিৰ ক্ষেত্ৰ তো উন্নতিৰ কাৰণে কাম কৰি যাব লাগিব। আমাৰ লগতে চৰকাৰী বিষয়াসকলেও পথাৰত গৈ কাম কাজ কৰিব লাগিব। আমাৰ বহুতো প্লেন প্ৰগ্ৰেম আছে। আমি খেতিয়কৰ মাজত সজাগতা সৃষ্টি কৰিব লাগিব। মই মাননীয় অধ্যক্ষ মহোদয়ক দুৱাষাৰ ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

মাননীয় অধ্যক্ষ ঃ এতিয়া শ্ৰীহাফিজ বাছিৰ আহমেদ।

শ্ৰীহাফিজ বছিৰি আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধিতা কৰি দুআষাৰ কোৱাৰ কাৰণে সুযোগ দিয়াৰ কাৰণে আপোনাৰ শলাগ লৈছো। ইতিমধ্যে ভাষণৰ ওপৰত পক্ষে বিপক্ষে যথেষ্ট আলোচনা হৈছে। মই মাত্ৰ দুটা বিষয়ৰ ওপৰত আলোচনা কৰিব বিচাৰিছো।

ৰাজ্যপালৰ ভাষণত প্ৰথমবাৰৰ বাবে HDI অন্তৰ্ভূক্ত কৰাত আমি চৰকাৰক ধন্যবাদ দিছো। আপোনালোকে জানে HDIৰ মূল Component হ'ল Health, Wealth, Education & Environment এই চাৰিটা Componentৰ সদব্যৱহাৰ আৰু উন্নতি সমূলে শিক্ষাৰ ওপৰতে নিৰ্ভৰশীল। শিক্ষা নাথাকিলে স্বাস্থ্যৰ উন্নতি তথা সম্পদৰ সদব্যৱহাৰ আৰু পৰিৱেশ সংৰক্ষণ কোনো এটাৰো উন্নতি সাধন হ'ব নোৱাৰে। শিক্ষা অবিহনে এইবোৰৰ মূল্যৰ উপলব্ধি নাথাকে। আজি চৰকাৰে নতুন নতুন মেডিকেল কলেজ, ইঞ্জিনীয়াৰিং কলেজ, ইউনিভাৰছিটী আদি নতুনকৈ স্থাপন কৰাৰ সিদ্ধান্ত লৈছে— আমি ভাল পাইছো আৰু ধন্যবাদ দিছো। কিন্তু শিক্ষাৰ আন এটা পুতৌলগা দিশ সম্পৰ্কেও আমি অত্যন্ত উদ্বিগ্ন— এইটো হ'ল বৰ্তমান অসমৰ প্ৰাথমিক আৰু মাধ্যমিক স্কুলবোৰৰ অৱস্থা। এইবোৰৰ পৰাই পঢ়ি অহা ল'ৰা-ছোৱালীয়ে ইউনিভাৰছিটী, মেডিকেল কলেজত পঢ়িব। Foundation যদি মজবুত নহয় তেন্তে উচ্চশিক্ষাৰ ক্ষেত্ৰ ত তেওঁলোকে কোনো সুযোগ সুবিধা নাপাব। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰ ত দুৰ্বলতা থাকিলে তেওঁলোকে উচ্চ শিক্ষাৰ সুযোগ নোপোৱাটো খাটাং। এনে পৰিস্থিতিত ধনী ঘৰৰ ল'ৰা ছোৱালীয়ে এইবোৰ শিক্ষানুষ্ঠানত একপক্ষীয়ভাৱে সুবিধা পাব। আজি অসমত প্ৰাথমিকৰ পৰা সকলো পৰ্যায়ৰ স্কুলত প্ৰয়োজনানুসাৰে শিক্ষক নাই। বহুত প্ৰাথমিক স্কুলত তিনিশ-চাৰিশ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ এজন শিক্ষকে পাঠদান কৰিবলগীয়া হৈছে। কেইদিনমান আগতে মই মোৰ সমষ্টিৰ এখন স্কুল পৰিভ্ৰমণ কৰোতে উক্ত দৃশ্য দেখিবলৈ পাইছো। সম্প্ৰতি NCERTৰ নীতিৰ আধাৰত চলিত শিক্ষাবৰ্ষৰ পৰাই পঞ্চম শ্ৰেণীটো প্ৰাথমিক আৰু অষ্টম শ্ৰেণীটো মাধ্যমিক পৰ্যায়ত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। চৰকাৰী নিয়মানুসৰি ছাত্ৰ-শিক্ষকৰ অনুপাত হৈছে ৪০:১। বৰ্তমান ৰাজ্যত ৩০,০৬০ খন চৰকাৰী বিদ্যালয় আছে। বিশেষকৈ পঞ্চম শ্ৰেণীৰ বাবে প্ৰয়োজনীয় ইংৰাজী, সাধাৰণ বিজ্ঞান, গণিত বিষয়ৰ এজনকৈ শিক্ষকৰ আৱশ্যক। তদুপৰি ৰাজ্যৰ ৭,৪২৫ খন এজনীয়া শিক্ষকৰ বিদ্যালয়তো আৰু দুজনকৈ শিক্ষকৰ দৰকাৰ। NCERTৰ নিয়ম মতে বৰ্তমানৰ ৬৪,০০০ শিক্ষকৰ লগতে আৰু ১,৭০,০০০ শিক্ষকৰ যোগ হ'লেহে স্বাভাৱিক শিক্ষাদান কৰা সম্ভৱ হ'ব। কিন্তু যোৱা দহ বছৰৰ পৰা নিযুক্তি প্ৰক্ৰিয়া বন্ধ হৈ আছে। এইক্ষেত্ৰ ত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু

চৰকাৰে তৎকালে ব্যৱস্থা ল'ব বুলি আশা ৰাখিলো।

মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো। সেইটো হ'ল অসমৰ জ্বলন্ত বিদেশী সমস্যা। মাননীয় ৰাজ্যপালে এই স্পৰ্শকাতৰ জ্বলন্ত সমস্যাৰ কথা মাত্র তিনি লাইনত সমাপ্ত কৰাত আমি আচৰিত হৈছো। তথাপি প্ৰথমবাৰৰ বাবে 'ডি' ভোটাৰৰ নামত প্ৰকৃত ভাৰতীয় নাগৰিক হাৰাশাস্তিৰ বলি হৈছে বুলি চৰকাৰে স্বীকাৰ কৰাত আমি সন্তোষ পাইছো। এই সমস্যাক কেন্দ্ৰ কৰি বিগত কেইবাটাও দশক ধৰি অসমৰ পৰিৱেশ উত্তপ্ত হৈ আছে। পৰস্পৰৰ মাজত বিশ্বাস নোহোৱা হৈছে। সমগ্ৰ বাতাবৰণ বিষাক্ত হৈ পৰিছে— শংকৰ-আজানৰ দেশত এই বিভেদ নিশ্চয় কাৰো কাম্য নহয়। ইতিমধ্যে এই সমস্যাক কেন্দ্ৰ কৰি বিভিন্ন আন্দোলন হ'ল, বহুতৰ প্ৰাণ গ'ল, ৰাজনৈতিক দলৰ জন্ম হ'ল আৰু তেওঁলোক শাসনতো আহিল। কিন্তু এই সমস্যা সমাধান হোৱাৰ পৰিবৰ্তে আৰু অধিক জটিল হৈ পৰিল। এক মুষ্টিমেয় স্বাৰ্থান্বেষী মহলে ইয়াৰ সুযোগ লৈ সমগ্ৰ অসমত বিষবাষ্প বিয়পোৱাৰ বাবে তৎপৰ হৈ পৰিছে। চৰকাৰে এটা বাস্তৱ দৃষ্টিভংগী গ্ৰহণ কৰিব লাগিব। সকলো জনগোষ্ঠীৰ মানুহক আস্থা আৰু বিশ্বাসত লৈ অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত অগ্ৰাধিকাৰ ভিত্তিত সমস্যাটো সমাধান কৰিব লাগিব।

অধ্যক্ষ ডাঙৰীয়া, আজি বিদেশী সমস্যাক লৈ যিবোৰ তথ্য প্ৰকাশ কৰা হৈ আছে, যেনে— আছুৰে কয় অসমত ৭০ লাখ বিদেশী আছে, গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক সমন্বয় সমিতিৰ মতে ৪১ লাখ, প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱৰ মতে ৩০ লাখ, কুলদীপ নায়াৰৰ মতে মুঠ জনসংখ্যাৰ ৪০% ই বিদেশী, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী জয়ছোৱালৰ মতে ৫০ লাখ, প্ৰফুল্ল কুমাৰ মহন্তৰ মতে ৪০ লাখ। আনকি অসমৰ প্ৰাক্তন ৰাজ্যপালে প্ৰতিদিনে অসমত ৬ হাজাৰ বাংলাদেশীৰ অনুপ্ৰৱেশ হৈ আছে বুলি নিজৰ প্ৰতিবেদনত প্ৰকাশ কৰে। সম্প্ৰতি অসম পাব্লিক ৱৰ্কছ নামৰ সংগঠনটোৱে অসমৰ ভোটাৰ তালিকাত ৪১ লাখ ৩৯ হাজাৰ ৩ শ ২৯জন বিদেশীৰ নাম অন্তৰ্ভুক্ত হৈছে বুলি গোচৰ তৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, এই তথ্যখিনিয়ে কি সূচায় ? এজন -দুজন, এহেজাৰ-দুহেজাৰ বা এক লাখ-দুই লাখৰ পাৰ্থক্য নহয়, লাখ লাখ মানুহৰ এই পাৰ্থক্যই

এইটোৱে সূচায় যে এই গোটেই তথ্য কাল্পনিক আৰু মনেসজা। এইখিনিতে মই এটা Judicial Findingsৰ উদাহৰণ দাঙি ধৰিব বিচাৰিছো। গোৱালপাৰা FT ত আৰ টি আইৰ জৰিয়তে পোৱা তথ্য অনুসৰি দেখা যায় মুঠ মোকৰ্দমা ১৭,৬১২ টা। ইয়াৰে ৰায় হোৱা ১,৪১১ টা কেছৰ ৯৪৮ জনকে ভাৰতীয় নাগৰিক বুলি ৰায় দিয়াৰ বিপৰীতে মাত্র ৫৬ জনহে বিদেশী বুলি চিনাক্ত কৰিছে। এই কেছ সমূহৰ ৩৬৩ টা এক পক্ষীয়ভাৱে ৰায়দান কৰা হৈছে। এনে পৰিস্থিতিত মাত্র ৫৬ জন মানুহৰ বাবে ৯৬ শতাংশ মানুহক বিদেশীৰ নামত হাৰাশাস্তি কৰাটো কোনোপধ্যেই যুক্তিসংগত নহয়। এই সম্পৰ্কে আজি আমি মাননীয় মুখ্য মন্ত্রীক সাক্ষাৎ কৰি বিস্তাৰিত আলোচনা কৰিছো। তেখেতে এই সন্দৰ্ভত যথেষ্ট ইতিবাচক সঁহাৰি দিছে। আমি জানো, মুখ্য মন্ত্রী ডাঙৰীয়া অত্যন্ত ষ্ট্রেইট ফৰৱাৰ্ড— যিটো কয় সেইটো কৰে। আশা কৰো, তেখেতৰ নেতৃত্বত এই জ্বলন্ত সমস্যাটোৰ অতি সোনকালে সমাধান হ'ব।

শেষত মোক এই কথাখিনি কোৱাৰ সুবিধা প্ৰদান কৰাৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো আৰু ইয়াতে মোৰ বক্তব্য সামৰণি মাৰিছো।

*শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ বক্তব্য দাঙি ধৰিবৰ বাবে মোক কিমান সময় দিছে?

মাননীয় অধ্যক্ষ ঃ সময় নাটনি কাৰণে আপোনাক দিব পৰা নাই।

*শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি ৰেকৰ্ড কৰিছিল।

*মাননীয় অধ্যক্ষ ঃ আপোনাৰ ৰিকুৱেষ্ট মই ৰাখিম।

*শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কাৰণে টাইম এনাউঞ্চ কৰিছিলে।

মাননীয় অধ্যক্ষ ঃ নিজ নিজ বক্তব্য দাঙি ধৰিবৰ বাবে তিনি মিনিট সময় দিয়া হৈছে। এইখিনি শেষ হোৱাৰ পিছত মই আপোনাৰটো চাই লম।

*শ্ৰীৰকিবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থন জনাই মই কেইটামান বিষয় উলেখ কৰিব

*Speech not corrected*

বিচাৰিছো। মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ বিৰোধী পক্ষ আৰু শাসক দলৰ মাননীয় সদস্যসকলে নিজৰ বক্তব্য দাঙি ধৰিছে। মই ২০০১ চনৰ পৰাই আছো। আমাৰ অসমৰ মানুহৰ মন সলনি হৈছে। এতিয়া কথাবিলাক পৰিস্ফুট হৈছে আৰু অসমৰ সমস্যাবিলাক দাঙি ধৰিছে।

*শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই চাৰিবাৰ ভোটত জিকি অসম বিধানসভালৈ নিৰ্বাচিত হৈ আহিছো। মই জানিব বিচাৰিছো যে মাননীয় সদস্যসকলে বক্তব্য দাঙি ধৰা পিছতহে মাননীয় মন্ত্ৰী মহোদয়ে ক'ব লাগে।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰীয়ে উত্তৰ দি থাকিলে মাননীয় সদস্যই ক'ব পাৰে নে নোৱাৰে, এইটো দৃষ্টিগোচৰ কৰিব পাৰে নে নোৱাৰে ক'লে মই ভাল পাম।

*শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যসকলে বিভিন্ন ধৰণৰ সমস্যাবিলাক উত্থাপন কৰিছে। আজিৰ কৰ্মচাৰী সকলৰ ডাঙৰ সমস্যা, আইন-শৃংখলাটো এটা ডাঙৰ সমস্যা আৰু অন্যান্য জ্বলন্ত সমস্যাবিলাক আছেই। এইবিলাক সমাধান হ'ব লাগে। মাননীয় মুখ্য মন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াদেৱৰ নিৰ্দেশত ২০০১ চনৰপৰা ২০১১ চনলৈকে হোৱা কাম কাজসকলো জাতি, জনগোষ্ঠী, অসমৰ ৰাইজ, শাসক আৰু বিৰোধী পক্ষৰ কথাবিলাক সম্বল হিচাপে লগতে বিভিন্ন বিভাগৰ কথা কোৱা হৈছে। মাননীয় সদস্য, চিৰাজউদ্দিন আজমল ডাঙৰীয়াৰ বক্তব্যৰ আঁত ধৰি মই দুটামান কথা ক'ব বিচাৰিছো। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই যেতিয়া ২০০১ চনত দায়িত্বভাৰ লৈছিল তেতিয়া কি আছিল ? কৰ্মচাৰী সকলে দৰমহা পোৱা নাছিল। আমাৰ দিনত পে-কমিশ্যন বহুৱাইছো। কৰ্মচাৰীসকলে সময় মতে দৰ্মহা পাইছে। উগ্ৰপন্থীৰ সমস্যাটো ক্ৰমান্বয়ে আঁতৰ হৈছে। সকলো সমস্যা আন্তৰিকতাৰে সমাধান কৰিবৰ কাৰণে চেষ্টা চলাইছো। মাননীয় সদস্য, হাফিজ বচিৰ চাহাবে আগবঢ়োৱা প্ৰস্তাৱ সমাধান কৰিবৰ বাবে চেষ্টা কৰা হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, এন আৰ চিৰ সৃষ্টি কাৰ ? আমাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিৰ ফল এন আৰ চি নহয় জানো ? আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে বাৰে বাৰে কৈ আহিছে যে ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগতে অহাখিনি এন আৰ চিৰ অন্তৰ্ভুক্ত কৰা হ'ব আৰু

তেওঁলোকৰ সন্তানো তাৰ অন্তৰ্ভুক্ত হ'ব। আমি সকলো জাতি জনগোষ্ঠীক লৈ আগবাঢ়ি যাব লাগিব। আমি অকল সংখ্যালঘুৰ কথা ভবা নাই। ১৯৫১চনৰ লোকপিয়লৰ ভিত্তিত ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগতে অহা লোকসকল এন আৰ চিত অন্তৰ্ভুক্ত হ'ব আৰু এই কথাটো আজি সকলোৱে মানি লৈছে। এইটো আমি পাইলট প্ৰজেক্ট হিচাপে লৈছো। এন আৰ চি কৰাৰ কাৰণে আমি বদ্ধ পৰিকৰ। এইখিনি কৰিবলৈ যাওঁতে কোনেও যাতে বিৰোধিতা নকৰে তাৰ কাৰণে মই সকলোকে অনুৰোধ জনাইছো। ডি ভোটাৰৰ কথাটো ইয়াত উঠিছে। ডি ভোটাৰ সকলক ডিটেনচন কেম্পত ৰখাৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰিছে। এই সমস্যাটো আমি আন্তৰিকতাৰে সমাধান কৰিব বিচাৰিছো। কেৱল ৰাজনৈতিক মুনাফা লাভৰ স্বাৰ্থত এই লোক সকলক লৈ ৰাজনীতি কৰা অনুচিত। যিবিলাক বাস্তৱ সেইবিলাক কথা মানি ল'ব লাগে। আই এম ডি টিৰ ক্ষেত্ৰ ত আমি ভাল ভাল উকীল ধৰিছো। যি সময়ত আমাৰ মানুহে পেটৰ ভোকত অৰুণাচললৈ কাম কৰিবলৈ গৈছিল আৰু সেই লোকসকলে যেতিয়া অৰুণাচলৰ পৰা আমাৰ অসমলৈ ঘূৰি আহিছিল তেতিয়া তেওঁলোকক কিছুমানে বিদেশী নাগৰিক বুলি কৈছিল। কিন্তু আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে সেইসকল আমাৰ মানুহ বুলি কৈছিল আৰু সেই সকল আমাৰ অসমৰ বিভিন্ন জিলাৰ মানুহ। আমি চৰকাৰৰ ফালৰ পৰা আন্তৰিকতাৰে কৈছো যে ডি ভোটাৰৰ নামত প্ৰকৃত ভাৰতীয় নাগৰিক যাতে হাৰাশাস্তি নহয় তাৰ বাবে আমি চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিম। আজি বঙাইগাঁও, কোকৰাঝাৰ জিলাত যিবিলাক শৰণাৰ্থী আছে তেওঁলোকৰ কথাটো মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে আন্তৰিকতাৰে লৈছে। মুখ্য মন্ত্ৰী মহোদয়ে শৰণাৰ্থী শিবিৰত থকা প্ৰতিটো পৰিয়ালকে একোটাকৈ ইন্দিৰা আবাস যোজনাৰ ঘৰ দিয়াৰ কথা কৈছে। গতিকে এইবিলাক কথা লৈ ৰাজনীতি কৰাটো অনুচিত। আজি আপোনালোকে যিবিলাক কথা কৈছে সেইখিনি 'চাচা'ৰ কমিটীৰ তথ্যৰ পৰাই কৈছে। সেইখন আমাৰ ইউ পি এ চৰকাৰেই কৰি দিয়া। আজি আমাৰ ৰাজ্য চৰকাৰৰ উপৰিও ইউ পি এ চৰকাৰৰ প্ৰধান মন্ত্ৰী ডাঃ মনমোহন সিং ডাঙৰীয়াই সংখ্যালঘু সকলৰ বাবে যথেষ্ট উন্নয়নমূলক আঁচনি গ্ৰহণ কৰিছে।

(বিধানসভাৰ নিয়মাৱলী অনুসৰি এজন বক্তাই বক্তব্য ৰাখি থকাৰ সময়ত

যাতে বেলেগে টিপ্পনী নিদিয়ে তাৰ বাবে মাননীয় অধ্যক্ষই অনুৰোধ জনায়।)

আজি আমাৰ বছিৰ আহমেদ ডাঙৰীয়াই যিটো কৈছে, আমাৰ অসমত এজনে আনজনৰ ওপৰত বিশ্বাস হেৰুৱাবলগা অৱস্থা এটা এতিয়াও হোৱা নাই। আমাৰ চৰকাৰ এইটো হ'বলৈ নিদিয়ে। আমাৰ এতিয়া বহুত কৰিলগা আছে। আজি আমাৰ ৰিজাল্ট ভাল হৈছে। ২০০০ চনত শতকৰা ৩৩ ভাগ আছিল আজি ৭০ লৈ বৃদ্ধি পাইছে। দিল্লীতো আমাৰ বহুতো অসমীয়া ল'ৰাই বিভিন্ন শিক্ষা প্ৰতিষ্ঠানত শিক্ষা লাভ কৰি আছে। বিভিন্ন এয়াৰ লাইন্স, ফাইভষ্টাৰ হোটেল আদিত কাম কৰি আছে। আমাৰ ভাৰতৰ ভিতৰতে অসমৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত। এই কথাবিলাক পজিটিভ। আজি মাদ্ৰাছা বিলাকৰ উন্নতিৰ কাৰণে চৰকাৰে ৫ লাখ টকাকৈ দিছে। গতিকে তেওঁলোকে ভিতৰত এটা কথা, বাহিৰত এটা কথা কৈ ফুৰিলে নহ'ব। আমাৰ শিক্ষাৰ দিশত আৰু বহুতো কৰিবলগীয়া আছে। আজি আই আই টি, কোটাত আমাৰ ল'ৰাই পঢ়িছে। আজি অসমত মেডিকেল কলেজ হৈছে। বহুতে মেডিকেল কলেজ নালাগে বুলি বাধা দিয়ে। এই কথাবিলাকৰ বাস্তৱ দিশটো স্বীকাৰ কৰিবলৈ মই সকলোকে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া শ্ৰীযতীন মালী।

শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণ সমৰ্থন জনাই আৰু আব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱটোৰ সমৰ্থন জনাই ৰাজ্যখনত উদ্ভৱ হোৱা কেইটামান দিশৰ ওপৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো।

অধ্যক্ষ মহোদয়, মই পলাশবাৰী অঞ্চলৰ কেইটামান বিষয়ৰ প্ৰতি মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। প্ৰথমে মই গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়াৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে আমাৰ অঞ্চলত দুখনমান দলঙৰ ৰেলিং ভাঙি মানুহ মৰিছে। কিন্তু সেইখন আজিলৈকে নিৰ্মাণ কৰা হোৱা নাই। পলাশবাৰী গড়কাপ্তানি পথ আৰু ৰাষ্ট্ৰীয় ঘাইপথত বহুতো বেদখল হৈছে। সেই বিলাক উচ্ছেদ কৰিলে মানুহৰ যাতায়াতৰ বাবে সুবিধা হ'ব। মন্ত্ৰী মহোদয়াক অনুৰোধ জনাও যাতে মিৰ্জা, বিজয়নগৰ, বড়িহাট

বজাৰ কেইখন ৰাস্তাটে বহি আছে সেইটো সোনকালে বন্ধ কৰিব লাগে।

মাননীয় মন্ত্ৰী মহোদয়াক সেইবোৰ উচ্ছেদ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো। এতিয়া বন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিবলৈ বিচাৰিছো যে পলাশবাৰীত আগতে কাঠৰ এখন বৃহৎ বজাৰ আছিল। মেঘালয়ৰ পৰা কাঠ আনি কিছুসংখ্যক লোকে ইয়াত ব্যৱসায় চলাই আছে। তদুপৰি পাহাৰৰ মাটি কাটি ৰেভিনিউ নিদিয়াকৈ কিছুমানে ব্যৱসায় কৰি আছে আৰু গোটেই অঞ্চলটো বেদখলৰ সৃষ্টি হৈছে। গতিকে বিষয়টো মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। এনৰেগাৰ আঁচনি সমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰ ত সুফল হোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰ ত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে অনুৰোধ জনালো। স্কুল প্ৰাদেশীকৰণ ক্ষেত্ৰ ত যিখিনি কৈছে তাৰ বাবে আমি ভাল পাইছো। যিবিলাক স্কুলত ল'ৰা-ছোৱালী একেবাৰে কম আছে সেইবিলাকক ওচৰতে থকা একে মাধ্যমৰ স্কুলৰ লগত সংলগ্ন কৰি দিব লাগে। মধ্যাহ্ন ভোজনৰ যিটো আঁচনি আছে এই আঁচনিটো আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত কথা পাতি দুপৰীয়া স্কুলত ভাত খুওৱা বন্ধ কৰি দিলে মই ভাল হ'ব বুলি ভাবো। জলসম্পদ বিভাগে পলাশবাৰীত এচিয়ান ডেভেলপমেণ্ট বেংকৰ জৰিয়তে যিটো কাম কৰিবলৈ ওলাইছে সেইটো ভাল হৈছে। এইক্ষেত্ৰ ত মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এই আঁচনিখন ৰূপায়ণৰ ক্ষেত্ৰ ত দুৰ্নীতিগ্ৰস্ত বিষয়াক যাতে তাত নিযুক্তি দিয়া নহয় তাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr.Speaker : Miss Susmita Dev to speak.

Miss Susmita Dev- I am speaking in favour of the Motion and I would also like to speak on Urban areas. Because 50% of the population leave in urban areas. The urban Areas Developments Departments responsible for management for urban areas include PHE, PWD and Health. I would also like to point out the slum areas. However, since issues of land distribution, wast management in urban areas is a serious issue. Section 15 of the Environment Protection Act covers that, I would request the PWD,PHE and other departments to contribute to

development of urban areas. All these departments to work in consonance, I would like to request PMD Minister for early development of 81 K.M. of PWD roads which falls under Silchar. This road may kindly be maintained properly. I am greatful for 1000 crores that has been sanctioned for Barak Valley which would be properly utilized. I, on behalf of all the MLAs of Barak Valley convey my sincere thanks and I support the Motion.

Mr.Speaker : Shri Rekibuddin Ahmed to speak.

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱটোৰ সমৰ্থন জনাই মই দুষাৰমান ক'ব বিচাৰিছো। শান্তিৰ বাবে প্ৰগতি আৰু প্ৰগতিৰ বাবে শান্তি এইটো এটা শ্ল'গান নহয়। এইটো বাস্তৱ সত্য। অলপ আগতে আমাৰ মাননীয় মন্ত্ৰী শ্ৰীৰকিবুল হুছেইন ডাঙৰীয়াই কৈ গৈছে যে যোৱা দহটা বছৰে মাননীয় মুখ্য মন্ত্ৰী তৰুণ গগৈদেৱৰ নেতৃত্বাধীন চৰকাৰে অসমৰ ৰাইজৰ যি উন্নতি সাধন কৰিলে তাৰ বাবে অসমৰ ৰাইজে পুনৰ আমাক শাসনৰ দায়িত্বভাৰ প্ৰদান কৰিলে।

এই কথা মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মুখ্য মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাব বিচাৰিছো যে কামৰূপ জিলাৰ পলাশবাৰী, ছয়গাঁও আৰু বকো সমষ্টিক সাঙুৰি এখন দক্ষিণ কামৰূপ জিলা গঠন কৰিব লাগে। এখন জিলা গঠনৰ বাবে আন্তঃগাঁথনিৰ প্ৰয়োজনীয় সকলোখিনি সুবিধা ছয়গাঁৱত আছে। ছয়গাঁও হৈছে চান্দ সদাগৰ, সতী-বেউলাৰ ৰাজ্য। ঐতিহাসিক এই বিখ্যাত ঠাইখনৰ উন্নতি বৰ্ধন কৰাৰ লগতে ছয়গাঁৱৰ চম্পক নগৰত পদ্মপুৰাণখ্যাত সতী বেউলা সাংস্কৃতিক প্ৰকল্পৰ নিৰ্মাণৰ কাৰণে চৰকাৰে আঁচনি গ্ৰহণ কৰিব লাগে। দক্ষিণ কামৰূপৰ পলাশবাৰী, ছয়গাঁও, বকোৰ বিস্তৃত অঞ্চলত ব্ৰহ্মপুত্ৰ নদীয়ে কৰা প্ৰবল গৰাখহনীয়া ৰোধৰ বাবে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ৫০০ কোটিৰ এক বিজ্ঞানসন্মত আঁচনি গ্ৰহণ কৰিব লাগে।

মহোদয়, অৰবিন্দ ৰাজখোৱা, ৰঞ্জন দৈমাৰীক আলোচনাৰ আওতালৈ অনাৰ দৰে বৌদ্ধিক সন্ত্ৰাসবাদীৰ ওপৰতো চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বৌদ্ধিক সন্ত্ৰাসবাদীসকলে ইচ্ছাকৃতভাৱে আন্দোলনকাৰীৰ ৰূপত চৰকাৰৰ বিৰুদ্ধাচৰণ কৰি

উদ্দেশ্যপ্ৰণোদিতভাৱে ৰাইজক বিপথে পৰিচালনা কৰে। এই বৌদ্ধিক সন্ত্ৰাসবাদী সকলক ওপৰত অতি শীঘ্ৰে আইনৰ আওতালৈ আনি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যুৱক সকলৰ উন্নয়নৰ কাৰণে ৰাজ্যপালৰ ভাষণত কোৱা হৈছে, যুৱক সকলোকো আগুৱাই আনক। চৰকাৰে দিয়া সকলো সুবিধা ল'বলৈ যুৱকসকল আগুৱাই আহক। আমি যিসকল যুৱ বিধায়ক সদনলৈ নিৰ্বাচিত হৈ আহিছো আমি এখন শক্তিশালী সদন গঢ়ি তোলাৰ চেষ্টা কৰিম। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ কাৰ্য উপদেষ্টা সমিতিয়ে বান্ধি দিয়া মতে মাননীয় সদস্য সকলে ডেৰ মিনিট সময় পায়। আপোনালোকক মই তিনি মিনিট সময় দিছো সেইমতে ক'ব। এতিয়া শ্ৰীদীপেন পাঠক।

*শ্ৰীদীপেন পাঠক ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত মোৰ সমৰ্থন আছে। এইক্ষেত্ৰত মই দুআষাৰ ক'ব বিচাৰিছো। ৰাজ্যৰ প্ৰায়বিলাক কাঠৰ দলং পকীকৰণ কৰা হ'ব বুলি ৰাজ্যপালৰ ভাষণত কোৱা হৈছে। মোৰ সমষ্টি হাজোত কেইদিনমান আগতে এটা শোকাৱহ দূৰ্ঘটনা ঘটিল য'ত ২৯ জন লোকৰ মৃত্যু হৈছিল। হাজো সমষ্টিৰ দলংবোৰৰ অৱস্থা অতি শোচনীয় আৰু কেইদিনমানৰ আগতে দুৰ্ঘটনা হৈ তিনিজন মানুহৰ মৃত্যু হৈছিল। সেই দলংখন পকী কৰা হ'ব বুলি চৰকাৰৰ তৰফৰ পৰা কোৱা হৈছিল। কিন্তু কিমান সময়ৰ ভিতৰত কৰা হ'ব সেইটো হোৱা নাই। অতি শীঘ্ৰে দলংখন পকী কৰিলে স্থানীয় ৰাইজ উপকৃত হ'ব।

বি পি এল কাৰ্ডৰ কথা কোৱা হৈছে। এই কাৰ্ডৰ জৰিয়তে চাউল পায়, ঘৰ পায় কিন্তু পাবলগা মানুহে পোৱা নাই। এই বিষয়েও চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। মোক দিয়া নিৰ্ধাৰিত সময়ৰ ভিতৰত এইখিনি কথা কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় মুখ্য মন্ত্ৰীয়ে ক'ব।

* শ্ৰীতৰুণ গগৈ (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত আজি যিসকল মাননীয় সদস্যই অংশ গ্ৰহণ কৰিলে সেই সকলোকে মই ধন্যবাদ জনাইছো আৰু আন্তৰিক অভিনন্দন জনাইছো লগতে অসমৰ ৰাইজকো মোৰ অভিনন্দন

*Speech not corrected*

জনালো। কিয়নো যোৱা নিৰ্বাচনত অসমৰ ৰাইজে আমাক যেনেভাৱে সহযোগ কৰিলে তাৰ বাবে আমি সকলো আনন্দিত হৈছো। এইবাৰ আমাৰ প্ৰতি থকা ৰাইজৰ সঁহাৰি অভূতপূৰ্ব। এইটোৱে প্ৰমাণ কৰে যে অসমলৈ শান্তি ঘূৰি আহিছে, অসম আজি আগবাঢ়ি আহিছে। মাননীয় সদস্যসকলে তেখেতসকলৰ ভাষণত নিবনুৱা সমস্যাৰ কথা, কৃষিৰ কথা, শিক্ষাৰ কথা, অসম চুক্তিৰ কথা, এন আৰ চিৰ কথা আদি বিভিন্ন বিভাগৰ কথা কৈছে। নিবনুৱা সমস্যা নাই ক'ত, আমেৰিকাতে নাই নে জাৰ্মানীতে নাই? এইবোৰ দেশতো বিভিন্ন সমস্যাবোৰ নিৰ্ধাৰিত সময়ৰ ভিতৰত সমাধান কৰিব পৰা নাই। মোৰো এনেকুৱা শক্তি নাই যে ইমানখিনি সময়ৰ ভিতৰত সমস্যাবোৰ সমাধান কৰিব পাৰিম। জিলা ভিত্তিতহে সমস্যাবোৰ সমাধান কৰিব পৰা যাব। নাগালেণ্ড, অৰুণাচল, মেঘালয় আদি ৰাজ্যবোৰতো ৰাস্তা নাই, খোৱা পানী নাই। অসমৰ বহুত ঠাইত এতিয়াও বহুতো ৰাস্তা কৰিবলৈ আছে সেই সকলোখিনি ৰাস্তা কৰাটো সহজ নহয়। এতিয়া অসমত যিবিলাক ৰাস্তা আছে, দলং আছে, আগতে সিমান ৰাস্তা নাছিল। দলঙো নাছিল। ডিব্ৰুগড়, তিনিচুকীয়া, মাৰ্ঘেৰিটা আদিতো বহুত কৰিবলগীয়া আছে। সেই সকলোবোৰৰ কাৰণে আমি বাজেটত বুজন পৰিমাণৰ ধনৰ ব্যৱস্থা ৰাখিছো। কাঠৰ দলঙৰ ঠাইত পকী দলঙৰ ব্যৱস্থা ৰাখিছো। এটা কথা ঠিক যে ৰাস্তা ভাল হ'লে এক্সিডেণ্টৰ সংখ্যা বাঢ়ে। যিহেতু দ্ৰুত গতিত গাড়ী চলায়। মই আপোনালোকক কওঁ যে ৰাস্তা আৰু দলঙৰ ক্ষেত্ৰত আমি দায়িত্ব সহকাৰে কাম কৰি যাবলৈ বিভাগীয় বিষয়া সকলক দায়িত্ব দিছো। এই শিতানত নিৰ্ধাৰণ কৰা চাৰিশ কোটি টকা খৰচ কৰাটো সহজ কথা নহয়। চৰকাৰক এটা ৰিচ'ৰ্ছ লাগে। আমি আৰু ৰিচ'ৰ্ছ বঢ়াব লাগে। মই মুখেৰে ক'লে নহ'ব। চিৰাজুদ্দিনে ক'লেও নহ'ব। মই টকা ধাৰে লৈছো হয়, তৰুণ গগৈয়ে দেশখন দেউলীয়া কৰিলে বুলি মানুহে মোক সমালোচনা কৰে। এই ধাৰৰ বিনিময়ত মই শতকৰা ৯০ কোটি টকা ঋণ পাম, নলম নেকি? তথাপিও যদি মোক কোনোবাই সমালোচনা কৰে কৰক। ধাৰ লৈ যদি মই প্ৰপাৰ ইউটিলাইজ নকৰো তেতিয়া আপোনালোকে সমালোচনা কৰক। দুৰ্নীতি ক'ত হোৱা নাই। মহন্তৰ দিনত হোৱা নাই নেকি? দুৰ্নীতি হৈছে কাৰণে ১০টা কেচ মই চি বি আইক দিছো। ৰাস্তা কৰোতে দুৰ্নীতি হৈছে, হাস্পতাল ঔষধত দুৰ্নীতি হৈছে। দুৰ্নীতি নিৰ্মূল কৰাৰ

কথা আমি আগতে কৈছো। দুৰ্নীতিৰ কথা যদি আপোনালোকে নকয় তেন্তে আমি কেনেকৈ অনুসন্ধান কৰিম। আপোনালোকে ক'লেহে আমি কৰিব পাৰো। যদি আপোনালোক সদস্যসকলে বিভাগবোৰত হোৱা দুৰ্নীতিৰ বিষয়ে খবৰ ৰাখে আৰু ব্যৱস্থা লয় তেনেহ'লে দুৰ্নীতি কমি যাব আৰু আমাক ক'লে আমিও ধৰিব পাৰিম যিদৰে উত্তৰ কাছাৰত হোৱা দুৰ্নীতি আমি ধৰিছো।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই সকলো বিধায়কক কৈছো, কৰাপশ্বনৰ কথা যদি আপোনালোকে মোক নকয়, মই কেনেকৈ জানিম? আপোনালোকে কোৱাৰ পিছত যদি মই একচন নলও, তেতিয়াহে মই দায়ী হ'ম। আমাৰ ফালৰ পৰা এটা কথা ক'ব পাৰো, ক'ৰবাত দলং নাই, ক'ৰবাত ৰাস্তা নাই, সেইটো হ'ব পাৰে, সেই বিষয়ে আমি জানিছো। কিছুমান ঠাইত ৰাস্তা, দলং নাছিল, সেই বিলাকত আমিও কৰিছো আৰু গভৰ্ণমেণ্ট অব ইণ্ডিয়াইও কৰিছে, তেওঁলোকে কৰিছে ভাল হৈছে। কাম আৰু হ'ব, ৫০ শতাংশ হ'ব লাগিছিল, হোৱা নাই। কৰাপশ্বন হ'লে চেক কৰিব পাৰি। এমপ্লয়মেণ্ট জেনেৰেশ্বন, স্কীল ডেভলাপমেণ্ট, এগ্রিবোডিছ স্কীম, ইকোন'মিক ডেভ্লাপমেণ্ট এইবিলাক হ'লে ভাল হয়। যদি ইনকাম বাঢ়ে তেতিয়া হ'লে ডেভলাপমেণ্ট ভাল হ'ব। বিভিন্ন ধৰণৰ খেতি কৰিব পাৰে, হাঁহৰ, মুৰ্গীৰ ফাৰ্ম কৰিব পাৰে। যদি উৎপাদন বেছি হয়, তেতিয়াহ'লে স্কীম বিলাকৰ ট্ৰেইনিং ছেণ্টাৰ কৰিব পৰা হ'ব। ইকোন'মিক ডেভলাপমেণ্ট হ'ব লাগে। ব্লক লেভেলত হ'ব We look at every corner. ভকেশ্বনেল ট্ৰেইনিং হ'ব লাগে। চেল্ফ হেল্প গ্ৰুপ বিলাকক গুৰুত্ব দিব লাগিব।

অধ্যক্ষ ডাঙৰীয়া, এতিয়া মেডিকেল কলেজ চাৰিখন কৰা হৈছে। বৰপেটা, ধুবুৰী, যোৰহাট, লক্ষীমপুৰত হ'ব বুলি ভাবিছিল নেকি, আমি কৰিছো। এতিয়া গোৱালপাৰা, ধেমাজি আদিয়ে ভাবি আছে। আমি কিয় কৰিছো, অসমত যাতে উন্নতি হয়। আমি বিভিন্ন ধৰণৰ কাম কৰিছো। সন্তান জন্ম হোৱাৰ আগতে মাক গৰ্ভৱতী হোৱাৰ সময়ত মাকে যাতে পুষ্টিকৰ আহাৰ খাব পায় তাৰ ব্যৱস্থা কৰা হৈছে। আগতে কোনখন চৰকাৰে মাক গৰ্ভৱতী হোৱাৰ সময়ত পুষ্টিকৰ আহাৰ দিব লাগে বুলি চিন্তা

কৰিছিল? আমি মহিলা সকলক দহ হেজাৰ টকা দিম যাতে ভৱিষ্যৎ জেনেৰেশ্বন ভাল হয়।

অধ্যক্ষ ডাঙৰীয়া, এগ্ৰিকালচাৰত লট অব স্কোপ আছে। যদি কৃষিৰ উন্নতি হয় ইণ্ডাষ্ট্ৰিয়েলাইজেশ্বন অট'মেটিক হ'ব। স্বাস্থ্য বিভাগত আজি চেনিটেশ্বন আৰু Safe drinking water ৰ ব্যৱস্থা হৈছে।

অধ্যক্ষ ডাঙৰীয়া, ইৰোশ্বনৰ কথা আছে। বানপানী হ'লে গৰাখহনীয়া হয়। ইয়াৰ বাবে গৰ্ভণমেণ্ট অব ইণ্ডিয়াৰ স্কীম নাই। মই বুজাইছো। গড়াখহনীয়া এফেক্টটেড হোৱাত যোৱা বছৰ পইচা দিয়া হৈছিল। এফেক্টটেড বেছিভাগ ট্ৰাইবেল আৰু মাইন'ৰিটি আছে। এই ক্ষেত্ৰত কি কৰিব পৰা যায় চিন্তা কৰি থকা হৈছে। এইক্ষেত্ৰত ৰিচাৰ্চ চলাই থকা হৈছে। লেণ্ড ৰিক্লেমেশ্বনৰ কাৰণে চিন্তা কৰা হৈছে। জাৰ্মানি আদি কৰি ৱাৰ্ল্ডৰ চায়েণ্টিষ্টসকলে নিউ কনচেপ্ট, নিউ আইদিয়া দিব পাৰে নেকি?

অধ্যক্ষ ডাঙৰীয়া, ৰিহেবিলিটেশ্বন কৰ পৰা দিম, মানুহ বাঢ়ি গৈ আছে। বেলেগ বেলেগ ঠাইত কৰিছে, আমি সেই ধৰণে স্ক্ৰীম ল'ব লাগিব। বাংলাদেশে কি কৰিছে, বেলেগ বেলেগ দেশে কি কৰিছে সেই বিলাক চাব লাগিব। গড়াখহনীয়াৰ পৰা মানুহখিনিক ৰক্ষা কৰিব লাগিব। বাকী স্ক্ৰীম বিলাক আছে, মাইন'ৰিটি কওক, ডেভলাপমেণ্ট কাউন্সিল, স্মল ডেভলাপমেণ্ট কমিউনিটিছ্ আদি স্ক্ৰীম ল'ব পাৰে। মৰাণ, মটক আদি বিভিন্ন ধৰণৰ সৰু সৰু সম্প্ৰদায় আছে। কিছুমান স্মল ফেক্টৰ আছে, ভোট পালে কাম কৰিম, নাপালে নকৰিম, সেইটো নহয়। আমি সকলোৰে কাম কৰিম, ভোট দিয়া নিদিয়াৰ কথা নাই, সাম্প্ৰদায়িক ভিত্তিত আমি কাম নকৰো। হিন্দু, মুছলমান, খ্ৰীষ্টান সকলো আমাৰ কাৰণে একে। সকলোৰে বাবে সমান কাম কৰিম। সমস্যা বহুত আছে সমস্যা নাই বুলি কোৱো নাই, সমস্যা আছে কিন্তু সমস্যাবিলাক সমাধানৰ চেষ্টা কৰি আছো। পজাৰ টাইপ প্লেন আগতেটো কোনেও লোৱা নাই আমি লৈছো। এজিপি, বিজেপি কোনেও একো নকৰিলে। উল্টাই মোক ক'লে যে মই হেনো বাংলাদেশীৰ ৰক্ষক, সকলোকে বাংলাদেশী দেখে, অৰুণাচলৰ পৰা আহিলেও বাংলাদেশী। আমি কি লুকাম লুকাবলগীয়া আমাৰ কি আছে, সমস্যা বহুত আছে,

সমস্যা কাৰ নাই, সমস্যা থাকিব সমাধান বিচাৰি উলিয়াব লাগিব। সমস্যা বিলাকে আমাক প্ৰেছাৰ দি আছে সেইবিলাক সমাধান কৰিব লাগিব। গালি খাব লাগিব গালি নাখালে কেনেকৈ হ'ব। গালি খালেতো ভাল কাম হ'ব। সমস্যা সমাধান কৰিবলৈ আমি কমিটেড। কিন্তু তাৰ কাৰণে লাগিব আপোনালোকৰ সহযোগ। সকলো ক্ষেত্ৰ তে আপোনালোকৰ সহযোগিতা কামনা কৰিছো আৰু আশা কৰিছো আপোনালোকৰ সহযোগিতা পাম আৰু আপোনালোকে সহাৰি জনাব।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য, শ্ৰী আব্দুল মুহিব মজুমদাৰ আপুনি ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত প্ৰত্যুত্তৰৰ অধিকাৰ হিচাপে বক্তব্য দাঙি ধৰিব নেকি?

শ্ৰীআব্দুল মুহিব মজুমদাৰ ঃ একো ক'বলগীয়া নাই।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য শ্ৰীআব্দুল মুহিব মজুমদাৰে উত্থাপন কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসচূক প্ৰস্তাৱৰ সম্পৰ্কত সংশোধনী প্ৰস্তাৱৰ বাবে মুঠ তিনিখন জাননী পোৱা হয় আৰু সদনত আটাইকেইখন জাননী উত্থাপিত হয়।

সংশোধনী প্ৰস্তাৱৰ প্ৰথমখন জাননী মাননীয় সদস্য হাফিজ বছিৰ আহমেদ, শ্ৰীআমিনুল ইছলাম, শ্ৰীমনোৱাৰ হুছেইন, শ্ৰীস্বপন কৰ আৰু মৌলানা আতাউৰ ৰহমান মাঝাৰ ভূইয়াৰ নামত আছে। মাননীয় সদস্য হাফিজ বছিৰ আহমেদ আৰু আপোনালোকৰ অন্য কেইজন মাননীয় সদস্যই এতিয়া আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

শ্ৰীআমিনুল ইছলাম ঃ আমি স্পষ্টীকৰণ পাইছো আৰু সংশোধনী প্ৰত্যাহাৰ কৰিছো।

মাননীয় অধ্যক্ষ ঃ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে অনুমতি দিয়াত সদনৰ সমৰ্থন আছেনে?

(Voice, হয় আছে।)

সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

সংশোধনী প্ৰস্তাৱৰ দ্বিতীয়খন জাননী মাননীয় সদস্য মহম্মদ চিৰাজুদ্দিন

আজমল, শ্ৰীশ্বেৰমান আলী আহমেদ, হাফিজ বছিৰ আহমেদ, মৌলানা আতাউৰ ৰহমান মাঝাৰভূইয়া আৰু শ্ৰী গোপীনাথ দাসৰ নামত আছে।

মাননীয় সদস্য মহম্মদ চিৰাজুদ্দিন আজমল আৰু আপোনালোকৰ অন্য কেউজন মাননীয় সদস্যই এতিয়া আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

Shri Sirajuddin Ajmal : Respected Sir, the Hon'ble Chief Minister, Assam has given reply and I appreciate him, as such, I with draw the amendment.

মাননীয় অধ্যক্ষ ঃ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে অনুমতি দিয়াত সদনৰ সমৰ্থন আছেনে?

(Voice হয়, আছে।)

সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

সংশোধনী প্ৰস্তাৱৰ তৃতীয়খন জাননী মাননীয় সদস্য, শ্ৰীফণী ভূষণ চৌধুৰী, শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, শ্ৰীভূপেন ৰায়, শ্ৰীনৱ কুমাৰ দলে, শ্ৰীপদ্ম হাজৰিকা, শ্ৰীকেশৱ মহন্ত, শ্ৰীমুকুন্দ ৰাম চৌধুৰী আৰু প্ৰবীন হাজৰিকাৰ নামত আছে।

মাননীয় সদস্য শ্ৰী ফণী ভূষণ চৌধুৰী আৰু আপোনালোকৰ অন্য কেউজন মাননীয় সদস্যই এতিয়া আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

শ্ৰীকেশৱ মহন্ত ঃ আমি সংশোধনী প্ৰত্যাহাৰ কৰিছো।

মাননীয় অধ্যক্ষ ঃ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে অনুমতি দিয়াত সদনৰ সমৰ্থন আছেনে?

(Voice, হয়, আছে।)

সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

মই এতিয়া মাননীয় সদস্য, শ্ৰীআব্দুল মুহিব মজুমদাৰে ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা 'ধন্যবাদসূচক প্ৰস্তাৱ'ৰ মূল প্ৰস্তাৱটোলৈ আহো—

মূল প্ৰস্তাৱটো হ'ল— 'যে এই অধিৱেশনত মিলিত হোৱা অসম বিধানসভাৰ সদস্য/সদস্যাসকলে আজি ৭ জুন, ২০১১ তাৰিখে ৰাজ্যপালে সদনত আগবঢ়োৱা ভাষণৰ বাবে তেখেতৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰে।'

যি সকল মাননীয় সদস্য/সদস্যাই, প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে

কওঁক 'হয়'; যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক, 'নহয়';

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্ৰস্তাৱটো পাৰিতকৰণ হ'ল।

প্ৰস্তাৱটো সদনত গৃহীত হ'ল।

**Election of Depury Speaker**

মাননীয় অধ্যক্ষ ঃ এতিয়া কাৰ্যসূচী নং ৩। উপাধ্যক্ষ নিৰ্বাচন। উপাধ্যক্ষ পদৰ বাবে মুঠ ছয়খন মনোনয়ন পত্ৰ পোৱা হৈছে। মই এতিয়া অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৮ নং নিয়মৰ উপ নিয়ম (৫)ৰ অধীনত প্ৰয়োজন হোৱা মনোনয়ন পত্ৰসমূহৰ তথ্যসমূহ পাঠ কৰি দিছো।

মনোনয়ন পত্ৰ নং ঃ (১) প্ৰস্তাৱক - শ্ৰীৰেকিবুদ্দিন আহমেদ

সমৰ্থক - শ্ৰীপীয়ুষ হাজৰিকা

(২) প্ৰস্তাৱক ঃ শ্ৰীমতী মণিকা বৰা

সমৰ্থক - শ্ৰীমতী সুস্মিতা দেৱ

(৩) প্ৰস্তাৱক - শ্ৰীকমলেখ্য দে পুৰকায়স্থ

সমৰ্থক - শ্ৰীপল্লৱলোচন দাস

(৪) প্ৰস্তাৱক ঃ ডাঃ ৰুমি নাথ

সমৰ্থক - শ্ৰীমতী বিস্মিতা গগৈ

(৫) প্ৰস্তাৱক - শ্ৰীঅকণ বৰা

সমৰ্থক - শ্ৰীঅজিৎ সিং

(৬) প্ৰস্তাৱক ঃ শ্ৰীসুশান্ত বৰগোঁহাই

সমৰ্থক - শ্ৰীৰাজেন বৰঠাকুৰ।

উপাধ্যক্ষ পদৰ বাবে মাত্ৰ এগৰাকী বৈধভাৱে মনোনীত সদস্য হোৱা হেতুকে ত্ৰয়োদশ অসম বিধান সভালৈ উপাধ্যক্ষ হিচাপে শ্ৰীভীমানন্দ তাঁতিক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি মই ঘোষণা কৰিলো।

নৱ নিৰ্বাচিত মাননীয় উপাধ্যক্ষ শ্ৰীভীমানন্দ তাঁতিক মই উপাধ্যক্ষৰ আসন

গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

(নৱ নিৰ্বাচিত উপাধ্যক্ষক তেখেতৰ আসনলৈ সদনৰ দলপতি, সংসদীয় পৰিক্ৰমা মন্ত্ৰী, শাসকীয় আৰু বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে আগবঢ়াই লৈ যায়।)

## Felicitation to the newly elected Deputy Speaker

*শ্ৰীতৰুণ গগৈ (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীভীমানন্দ তাঁতি অসম বিধান সভাৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে উপাধ্যক্ষ নিৰ্বাচিত হোৱাত মই তেখেতক অভিনন্দন জনাইছো। তেখেত এজন বিধায়কেই নহয় এজন শ্ৰমিক নেতাও। বিভিন্ন নিকায় নিগমৰ অধ্যক্ষ হিচাপেও যথেষ্ট অভিজ্ঞতা আহৰন কৰিছে। অসম বিধানসভাৰ এজন অভিজ্ঞতাপুষ্ট সদস্য হিচাপে তেখেতে উপাধ্যক্ষৰ নিচিনা এটা সন্মানজনক পদ সুচাৰুৰূপে পৰিচালনা কৰিব বুলি মোৰ দৃঢ় বিশ্বাস। তেখেতে এই পদ অলংকৃত কৰা বাবে মই তেখেতক ব্যক্তিগতভাৱে আৰু দলৰ তৰফৰ পৰা অভিনন্দন জনালো।

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীভীমানন্দ তাঁতী অসম বিধানসভাৰ বিনাপ্ৰতিদ্বন্দ্বিতাৰে উপাধ্যক্ষ নিৰ্বাচিত হোৱা বাবে মই তেখেতক আন্তৰিক অভিনন্দন জনাইছো। বিধানসভাৰ প্ৰচলিত নিয়ম অনুসৰি তেখেতৰ ওপৰত ন্যস্ত হ'বলগীয়া দায়িত্ব সমূহ নিষ্ঠাৰে পালন কৰিব বুলি আমাৰ বিশ্বাস আৰু এই দায়িত্ব পালন কৰোতে তেখেতে সকলো দলৰে সদস্যৰ প্ৰতি সম দৃষ্টি পালন কৰিব বুলি আশা কৰিলো। তেখেত এজন বিজ্ঞপুষ্ট ব্যক্তি গতিকে সদনৰ মাননীয় সদস্য সকলে যাতে সকলো সময়তে তেখেতৰ ন্যায় বিচাৰ পায় তাৰ কাৰণে আশা কৰি আমি এজিপি দলৰ পৰা তেখেতক পুনৰ ধন্যবাদ জ্ঞাপন কৰিলো।

*Shri Sirajuddin Ajmal: Mr. Speaker, Sir, I on behalf of AIUDF congratulate Shri Bhimananda Tanti for being elected the Deputy Speaker of the House. I am very hopeful that this August House has got the right person and I on behalf of the AIUDF assure that we will extend all support and cooperation at all time. Thank you.

*শ্ৰীচন্দন ব্ৰহ্ম (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীভীমানন্দ তাঁতী অসম

*Speech not corrected*

বিধানসভালৈ উপাধ্যক্ষ হিচাপে বিনা প্রতিদন্দ্বিতাৰে নিৰ্বাচিত হোৱাত আমিও আমাৰ দলৰ ফালৰ পৰা তেখেতক আন্তৰিক অভিনন্দন জনাইছো। তেখেতে সদনৰ কাম কাজ চলাই যাওঁতে নিৰপেক্ষ ভূমিকা ল'ব বুলি আশা কৰি পুনৰ ধন্যবাদ জনালো।

*শ্ৰীপ্ৰশান্ত ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শ্ৰীভীমানন্দ তাঁতী বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম বিধানসভাৰ উপাধ্যক্ষ নিৰ্বাচিত হোৱাত তেখেতক আমাৰ দলৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জনাইছো। তেখেত এজন বিজ্ঞ আৰু জ্যেষ্ঠ সদস্য হিচাপে সদনৰ সুস্থিৰ পৰম্পৰা ৰক্ষা কৰিব পাৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। আমি তেখেতক সদনৰ কাম পৰিচালনা কৰোতে সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়াই যাম।

মাননীয় উপাধ্যক্ষ ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্য মন্ত্ৰী তথা সদনৰ দলপতি, মন্ত্ৰী পৰিষদৰ মাননীয় সদস্য সকল আৰু অসম বিধানসভাৰ মাননীয় শাসক আৰু বিৰোধী দল-গোট সমূহৰ সদস্য-সদস্যাসকল, ত্ৰয়োদশ অসম বিধানসভাৰ নৱ নিৰ্বাচিত মাননীয় সদস্য-সদস্যা সকলে ঐতিহ্যমণ্ডিত অসম বিধানসভাৰ মৰ্যাদাপূৰ্ণ উপাধ্যক্ষৰ পদত বিনাপ্ৰতিদ্বন্দ্বিতাৰে মোক নিৰ্বাচিত কৰাত মই আপোনালোক সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

সন্মানীয় উপাধ্যক্ষ পদৰ বাবে মোক দলৰ ফালৰ পৰা মনোনীত কৰাৰ বাবে প্ৰথমতে কংগ্ৰেছ বিধায়িনী দলৰ নেতা তথা সদনৰ দলপতি ও মুখ্য মন্ত্ৰী মাননীয় তৰুণ গগৈ ডাঙৰীয়ালৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। অসম বিধানসভাৰ এই সন্মানীয় আসনত অধিষ্ঠিত কৰাৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহায়-সহযোগিতা তথা সমৰ্থন আগবঢ়োৱা কংগ্ৰেছ বিধায়িনী দলৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মোৰ কৃতজ্ঞতা ও ধন্যবাদ জনালো। লগতে বিৰোধী ও নিৰ্দলীয় সদস্যসকলেও মোক উপাধ্যক্ষৰূপে নিৰ্বাচন কৰাত সমৰ্থন আগবঢ়োৱাৰ বাবে তেখেত সকললৈও মোৰ কৃতজ্ঞতা ও ধন্যবাদ যাঁচিলো।

উপাধ্যক্ষৰূপে নিৰ্বাচিত হৈ মই আগন্তুক পাঁচ বছৰীয়া কাৰ্যকালত সংসদীয় গণতন্ত্ৰৰ নীতি-নিয়মৰ অধীনত গণতান্ত্ৰিক প্ৰমূল্যবোধৰ প্ৰতি দৃষ্টি ৰাখি সদনৰ বিধি বিধান অক্ষুণ্ণ ৰাখিবলৈ সম্পূৰ্ণ চেষ্টা কৰিম। সদনৰ ভিতৰে বাহিৰে শাসকীয় আৰু বিৰোধী সকলোপক্ষৰ সহযোগিতাৰে সদনৰ সকলো কাৰ্যসূচী নিৰপেক্ষতাৰে নিস্পত্তি

কৰি সদনৰ মান-মৰ্যাদা অটুট ৰাখি সকলোৰে বিশ্বাসযোগ্য হ'বলৈ চেষ্টা কৰিম।

ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ আশা-আকাংক্ষাৰ স্থলী অসম বিধান সভা। তেখেত সকলৰ এই আশা-আকাংক্ষা বাস্তৱত ৰূপ দিয়াৰ বাবে বিধানসভাৰ সকলো সদস্য-সদস্যাৰ গধুৰ দায়িত্ব আছে। এই দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰাত আমি সফল হ'ব পাৰিম বুলি আশা ৰাখিছো।

এই পবিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্ব সুকলমে পালন কৰাৰ ক্ষেত্ৰত মাননীয় অসম বিধানসভাৰ অধ্যক্ষ মহোদয়, সদনৰ দলপতি তথা মাননীয় মুখ্য মন্ত্ৰী, শ্ৰীযুত তৰুণ গগৈ ডাঙৰীয়া, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী, শ্ৰীযুত নীলমণি সেন ডেকা ডাঙৰীয়া, অসম চৰকাৰৰ মাননীয় মন্ত্ৰী বৰ্গকে ধৰি এই পবিত্ৰ সদনৰ শাসকীয় আৰু বিৰোধী দল আৰু গোট সমূহৰ মাননীয় সদস্য-সদস্যাসকল, অসম চৰকাৰৰ সকলো পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী, অসম বিধানসভাৰ প্ৰধান সচিব প্ৰমুখ্যে সকলো বিষয়া-কৰ্মচাৰী আৰু প্ৰচাৰ মাধ্যমৰ সাংবাদিক বন্ধু সকলৰ সহায়-সহযোগিতা পাম বুলি আশা ৰাখিলো।

শেষত এই পবিত্ৰ সদনত উপস্থিত থকা আটাইলৈকে পুনৰ মোৰ শ্ৰদ্ধা ও ধন্যবাদ জনাই মোৰ চমু বক্তব্যৰ সামৰণি মাৰিলো।

জয় হিন্দ।

## LAYIING OF REPORT

শ্ৰীনীলমণি সেন ডেকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ ২০১০ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয় প্ৰতিবেদন (ৰাজহ প্ৰাপ্তি)খন দাখিল কৰিলো।

## CONSTITUTION OF LEGISLATURE COMMITTEE

মাননীয় অধ্যক্ষ ঃ যোৱা ৬ জুন, ২০১১ তাৰিখৰ সদনৰ প্ৰস্তাৱমৰ্মে নিৰ্বাচন কৰিবলগীয়া নিম্নোক্ত বিধায়িনী সমিতি কেইখনৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিবলৈ লৈছো।

১। চৰকাৰী হিচাপ সমূহৰ সমিতি

নিৰ্বাচন হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সমসংখ্যক হোৱা বাবে নিম্নোক্ত সদস্য সকলক চৰকাৰী হিচাপ সমূহৰ সমিতিত সৰ্বসন্মতভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল—

১। মহম্মদ চিৰাজুদ্দিন আজমল - বিধায়ক
২। শ্ৰীগৌতম বৰা - বিধায়ক
৩। শ্ৰীআব্দুল মুহিব মজুমদাৰ - বিধায়ক
৪। শ্ৰীৰাণা গোস্বামী - বিধায়ক
৫। শ্ৰীবিনন্দ কুমাৰ শইকীয়া - বিধায়ক
৬। ডাঃ ৰুমি নাথ - বিধায়িকা
৭। শ্ৰীকমল সিং নাৰ্জাৰী - বিধায়ক
৮। শ্ৰীইমানুয়েল মুছাহাৰী - বিধায়ক
৯। শ্ৰীউৎপল দত্ত - বিধায়ক
১০। শ্ৰীকেশৱ মহন্ত- বিধায়ক
১১। শ্ৰীস্বপন কৰ- বিধায়ক
১২। শ্ৰীপ্ৰশান্ত ফুকন - বিধায়ক
১৩। শ্ৰীযতীন মালী - বিধায়ক

অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলী নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য মহম্মদ চিৰাজুদ্দিন আজমলক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্য সকলৰ কাৰ্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্যকালৰ বাবে কাৰ্য নিৰ্বাহ কৰিব।

২। ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি

নিৰ্বাচন হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা

সমসংখ্যক হোৱা বাবে নিম্নোক্ত সদস্য সকলক ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিত সৰ্বসন্মতভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল—

১। শ্ৰীমেম্বৰ গঁগে - বিধায়ক
২। শ্ৰীহেমন্ত তালুকদাৰ - বিধায়ক
৩। শ্ৰীভূপেন কুমাৰ বৰা - বিধায়ক
৪। শ্ৰীমতী জোন জোনালী বৰুৱা - বিধায়িকা
৫। শ্ৰীৰেকিবুদ্দিন আহমেদ - বিধায়ক
৬। শ্ৰীজয়ন্ত মল্ল বৰুৱা - বিধায়ক
৭। শ্ৰীমতী কমলী বসুমতাৰী - বিধায়িকা
৮। শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰী - বিধায়ক
৯। শ্ৰীশহিদুল আলম চৌধুৰী - বিধায়ক
১০। শ্ৰীপ্ৰবীন হাজৰিকা - বিধায়ক
১১। শ্ৰীআতাউৰ ৰহমান মাঝাৰভূইয়া- বিধায়ক
১২। শ্ৰীমইনউদ্দিন আহমেদ - বিধায়ক
১৩। শ্ৰীমনোৰঞ্জন দাস - বিধায়ক

অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলী নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰীমেম্বৰ গঁগেক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্য সকলৰ কাৰ্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্যকালৰ বাবে কাৰ্য নিৰ্বাহ কৰিব।

## ৩। প্ৰাক্কলন সমিতি

নিৰ্বাচন হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সমসংখ্যক হোৱা বাবে নিম্নোক্ত সদস্য সকলক প্ৰাককলন

সমিতিত সৰ্বসন্মতভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল—

১। শ্ৰীশৰৎ বৰকটকী - বিধায়ক
২। শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাছা- বিধায়ক
৩। ডাঃ মানছিং ৰংপি- বিধায়ক
৪। শ্ৰীগিৰীন্দ্ৰ মল্লিক - বিধায়ক
৫। শ্ৰীমতী সুমিত্ৰা দলে পাতিৰ - বিধায়িকা
৬। শ্ৰীআবু তাহেৰ ব্যাপাৰী – বিধায়ক
৭। শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্ম - বিধায়িকা
৮। শ্ৰীমাজেন্দ্ৰ নাৰ্জাৰী - বিধায়ক
৯। শ্ৰীফণী ভূষণ চৌধুৰী - বিধায়ক
১০। শ্ৰীপদ্ম হাজৰিকা - বিধায়ক
১১। শ্ৰীৰনজিৎ কুমাৰ দাস- বিধায়ক
১২। শ্ৰীহাফিজ বচিৰ আহমেদ - বিধায়ক
১৩। শ্ৰীমনোৱাৰ হুছেইন - বিধায়ক

অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলী নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰীশৰৎ বৰকটকীক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্য সকলৰ কাৰ্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্যকালৰ বাবে কাৰ্য নিৰ্বাহ কৰিব।

৪। **অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি কল্যাণ সমিতি**

নিৰ্বাচন হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সমসংখ্যক হোৱা বাবে নিম্নোক্ত সদস্য সকলক অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি কল্যাণ সমিতিত সৰ্বসন্মতভাৱে

নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল—

১। শ্ৰীৰিহন দৈমাৰী - বিধায়ক
২। শ্ৰীবিদ্যা সিং ইংলেং - বিধায়ক
৩। শ্ৰীচন্দন কুমাৰ সৰকাৰ - বিধায়ক
৪। শ্ৰীকৃপানাথ মাল্লাহ - বিধায়ক
৫। শ্ৰীপ্ৰদান বৰুৱা - বিধায়ক
৬। শ্ৰীমতী আৰতি হাজৰিকা কছাৰী- বিধায়িকা
৭। শ্ৰীপীযুষ হাজৰিকা- বিধায়ক
৮। শ্ৰীমনেশ্বৰ ব্ৰহ্ম - বিধায়ক
৯। শ্ৰীভূপেন ৰায় - বিধায়ক
১০। শ্ৰীনৰ কুমাৰ দলে - বিধায়ক
১১। শ্ৰীযাদৱ চন্দ্ৰ ডেকা- বিধায়ক
১২। শ্ৰীগোপীনাথ দাস- বিধায়ক
১৩। শ্ৰীআব্দুৰ ৰহিম খান - বিধায়ক

অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলী নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰীৰিহন দৈমাৰীক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্য সকলৰ কাৰ্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্যকালৰ বাবে কাৰ্য নিৰ্বাহ কৰিব।

**৫। অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতি**

নিৰ্বাচন হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সমসংখ্যক হোৱা বাবে নিম্নোক্ত সদস্য সকলক অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ

সমিতিত সৰ্বসন্মতভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল—

১। শ্ৰীৰামেশ্বৰ ধানোৱাৰ - বিধায়ক

২। শ্ৰীমণিলাল গোৱালা- বিধায়ক

৩। শ্ৰীৰূপজ্যোতি কুৰ্মী - বিধায়ক

৪। শ্ৰীডাঃ দুৰ্ল্লভ চন্দ্ৰ চমুৱা - বিধায়ক

৫। শ্ৰীমতী মণিকা বৰা - বিধায়িকা

৬। শ্ৰীমতী বিস্মিতা গগৈ - বিধায়িকা

৭। শ্ৰীৰক্ষেশ্বৰ ব্ৰহ্ম - বিধায়ক

৮। শ্ৰীপ্ৰদীপ কুমাৰ ব্ৰহ্ম - বিধায়ক

৯। শ্ৰীমুকুন্দ ৰাম চৌধুৰী - বিধায়ক

১০। শ্ৰীউৎপল দত্ত - বিধায়ক

১১। শ্ৰীদিলীপ মৰাণ- বিধায়ক

১২। শ্ৰীৰফিকুল ইছলাম - বিধায়ক

১৩। শ্ৰীমতী গুল আখতাৰা বেগম - বিধায়িকা

অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলী নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য শ্ৰীৰামেশ্বৰ ধানোৱাৰক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্য সকলৰ কাৰ্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্যকালৰ বাবে কাৰ্য নিৰ্বাহ কৰিব।

Mr. Speaker : Announcement. I hereby inform the House that Hon'ble Member, Shri Maneswar Brahma has communicated vide his letter dated June 1, 2011 about formation of Bodoland Peoples Front Legislature Party with the following Office Bearers:-

1. Shri Chandan Brahma, Minister, as Leader
2. Shri Rihon Daimary, MLA, as Deputy Leader,
3. Shri Emmanuel Mosahary, MLA, as Chief Whip, and,
4. Shri Maneswar Brahma, MLA, as Secretary.

I have considered the matter as per the conditions laid down in the Directions by the Speaker, Assam Legislative Assembly, (3rd Edition) under sub-Rule 2 of Rule 11 and the conditions laid down in the Practice and Procedure of Parliament (5th Edition) relating to Recognition of and Facilities to Legislature Parties and Groups.

I have found that the Legislature Party formed by the Members of Bodoland Peoples Front does not fulfill the condition of having the strength equal to the quorum fixed to constitute a sitting of the House, that is one-sixth of the total number of Members of the House as required under part (c) of clause (i) of sub-Rule 2 of Rule 11 of the Directions by the Speaker (3rd Edition) and the conditions laid down in the Practice and Procedure of Parliament (5th Edition) for recognizing Legislature Party.

However, I recognize as Bodoland Peoples Front Legislature Group under part (a) and (b) of clause (i) and (ii) of sub-Rule 2 of Rule 11 laid down in the Directions by the Speaker, Assam Legislative Assembly.

I also recognize Hon'ble Minister Shri Chandan Brahma as Leader of the Bodoland Peoples Front Legislature Group, Hon'ble Member, Shri Rihon Daimary as Deputy Leader, Hon'ble Member Shri Emmanuel Moshahary as Chief Whip and Hon'ble Member Shri Maneswar Brahma as Secretary with effect from today the 8th June, 2011.

I hereby inform the House that Hon'be Member Shri Prasanta Phukan has communicated vide his letter dated June 5, 2011 about formation of Bharatiya Janata Party Legislature Party with the following Office Bearers:-

1. Shri Prasanta Phukan, MLA, as Leader
2. Shri Ranjit Kumar Das, ML A, as Deputy Leader,
3. Shri Monoranjan Das, MLA, as Chief Whip, and,
4. Shri Dilip Moran, MLA, as Secretary.

I have considered the matter as per the conditions laid down in the Directions by the Speaker, Assam Legislative Assembly, (3rd Edition) under sub-Rule 2 of Rule 11 and the conditions laid down in the Practice and Procedure of Parliament (5th Edition) relating to Recognition of and Facilities to Legislature Parties and Groups.

I have found that the Legislature Party formed by the Members of Bharatiya Janata Party does not fulfill the condition of having the strength equal to the quorum fixed to constitute a sitting of the House, that is one-sixth of the total number of Members of the House as required under part (c) of clause (i) of sub-Rule 2 of Rule 11 of the Directions by the Speaker (3rd Edition) and the conditions laid down in the Practice and Procedure of Parliament (5th Edition) for recognizing Legislature Party.

However, I recognize as BJP Legislature Group under part (a) and (b) of clause (i) and (ii) of sub-Rule 2 of Rule 11 laid down in the Directions by the Speaker, Assam Legislative Assembly.

I also recognize Hon'ble Member Shri Prasanta Phukan as Leader of the BJP Legislature Group, Hon'ble Member Shri Ranjit Kumar Das as Deputy Leader, Hon'ble Member Shri Monoranjan Das as Chief Whip and Hon'ble Member Shri Dilip Moran as Secretary with effect from today the 8th June, 2011.

There is another announcement.

I hereby inform the House that Hon'be Member Md. Sirajuddin Ajmal has communicated vide his letter dated June 6, 2011 about formation of All India United Democratic Front Legislature Party with the following Office Bearers:-

1. Md. Sirajuddin Ajmal, MLA, as Leader
2. Moulana Ataur Rahman Mazarbhuiya, MLA, as Deputy Leader,
3. Hafiz Bashir Ahmed, MLA, as Chief Whip, and
4. Shri Swapan Kar, MLA, as Secretary.

I have considered the matter as per the conditions laid down in the Directions by the Speaker, Assam Legislative Assembly, (3rd Edition) under sub-Rule 2 of Rule 11 and the conditions laid down in the Practice and Procedure of Parliament (5th Edition) relating to Recognition of and Facilities to Legislature Parties and Groups.

I have found that the Legislature Party formed by the Members of AIUDF does not fulfill the condition of having the strength equal to the quorum fixed to constitute a sitting of the House, that is one-sixth of the total number of Members of the House as required under part (c) of clause (i) of sub-Rule 2 of Rule 11 of the Directions by the Speaker (3rd Edition) and the conditions laid down in the Practice and Procedure of Parliament (5th Edition) for recognizing Legislature Party.

However, I recognize as AIUDF Legislature Group under part (a) and (b) of clause (i) and (ii) of sub-Rule 2 of Rule 11 laid down in the Directions by the Speaker, Assam Legislative Assembly.

I also recognize Hon'ble Member Md. Sirajuddin Ajmal as Leader of the AIUDF Legislature Group, Hon'ble Member Moulana Ataur Rahman Mazarbhuiya as Deputy Leader, Hon'ble Member Hafiz Bashir Ahmed as Chief Whip and Hon'ble Member Shri Swapan Kar as Secretary with effect from today the 8th June, 2011.

Another annouancement if there.

I hereby inform the House that Hon'be Member Shri Keshab Mahanta has communicated vide his letter dated June 8, 2011 about formation of Assam Gana Parishad Legislature Party with the following Office Bearers:-

1. Shri Phani Bhushan Choudhury, as Leader,
2. Shri Keshab Mahanta, MLA, as Chief Whip, and,
3. Shri Bhupen Roy, MLA, as Secretary.

I have considered the matter as per the conditions laid down in the Directions by the Speaker, Assam Legislative Assembly, (3rd Edition) under sub-Rule 2 of Rule 11 and the conditions laid down in the Practice and Procedure of Parliament (5th Edition) relating to Recognition of and Facilities to Legislature Parties and Groups.

I have found that the Legislature Party formed by the Members of AGP does not fulfill the condition of having the strength equal to the quorum fixed to constitute a sitting of the House, that is one-sixth of the total number of Members of the House as required under part (c) of clause (i) of sub-Rule 2 of Rule 11 of the Directions by the Speaker (3rd Edition) and the conditions laid down in the Practice and Procedure of Parliament (5th Edition) for recognizing Legislature Party.

However, I recognize as AGP Legislature Group under part (a) and (b) of clause (i) and (ii) of sub-Rule 2 of Rule 11 laid down in the Directions by the Speaker, Assam Legislative Assembly.

I also recognize Hon'ble Member Shri Phani Bhushan Choudhury as Leader of the AGP Legislature Group, Hon'ble Member Shri Keshab Mahanta as Chief Whip and Hon'ble Member Shri Bhupen Roy as Secretary with effect from today the 8th June, 2011.

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ সূচক প্ৰস্তাৱ।

নৱ গঠিত ত্ৰয়োদশ অসম বিধান সভাৰ প্ৰথম অধিৱেশন যোৱা ৬ জুন ২০১১ তাৰিখে আৰম্ভ হৈ তিনিদিনীয়া কাৰ্য্যক্ৰমনিকা সম্পন্ন হোৱাৰ অন্তত আজি ৮ জুন ২০১১ তাৰিখে অন্ত পৰিছে। এইবাৰৰ অধিৱেশনৰ প্ৰথম দিনা বিধান সভাৰ জ্যেষ্ঠ সদস্য ডাঃ ভূমিধৰ বৰ্মন ডাঙৰীয়াই অস্থায়ী অধ্যক্ষ হিচাপে ত্ৰয়োদশ অসম বিধান সভাৰ নৱ-নিৰ্বাচিত ১২৫ গৰাকী মাননীয় বিধায়ক তথা বিধায়িকাক শপতবাক্য পাঠ কৰায়। এই সুযোগতে মাননীয় ডাঃ বৰ্মন ডাঙৰীয়াক অসম বিধান সভাৰ হৈ ধন্যবাদ জনাইছো।

অধিৱেশনৰ প্ৰথম দিনটোতে ত্ৰয়োদশ অসম বিধান সভাত অধ্যক্ষ হিচাপে মোক সদনে বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ কাৰণে সদনৰ দলপতি তথা মাননীয় মুখ্যমন্ত্ৰীকে ধৰি অসম মন্ত্ৰীপৰিষদৰ সকলো সদস্য আৰু অসম বিধান সভাৰ শাসক আৰু বিৰোধী দল-গোট সমূহৰ সদস্য-সদস্যা সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

এইবাৰৰ অধিৱেশনৰ কেউটা দিনতেই চৰকাৰী কাৰ্য্যসূচী সম্পাদিত কৰা হয়। অধিৱেশনৰ প্ৰথম দিনটোৰ অন্যান্য কাৰ্যসূচীৰ ভিতৰত আছিল- সদস্য-সদস্যা সকলৰ শপত গ্ৰহণ, অধ্যক্ষৰ নিৰ্বাচন, বিধানসভাৰ নিৰ্বাচিত সমিতি গঠনৰ বাবে প্ৰস্তাৱ উপস্থাপন, প্ৰাক্তন সদস্যকে ধৰি ২৫ গৰাকী বৰেণ্য ব্যক্তিৰ মৃত্যুতশোক প্ৰকাশ কৰি প্ৰস্তাৱ পাঠ কৰাৰ লগতে বিদেহী আত্মাৰ সদগতি কামনা কৰা হয়।

নৱগঠিত ত্ৰয়োদশ অসম বিধানসভাৰ এইখন প্ৰথম অধিৱেশন হোৱা হেতু সংবিধানৰ ১৭৬ (১) অনুচ্ছেদ অনুসৰি মহামান্য ৰাজ্যপাল ডাঙৰীয়াই ৭জুন ২০১১ তাৰিখে সদনত তেখেতৰ ভাষণ প্ৰদান কৰে। মহামান্য ৰাজ্যপাল ডাঙৰীয়াই সদনত ভাষণ প্ৰদান কৰাৰ বাবে তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিলো। আজি ইংৰাজী ৮ জুন ২০১১ তাৰিখৰ দিনা সদনত অসমৰ মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কত শাসক আৰু বিৰোধী দল-গোট সমূহৰ ফালৰ পৰা মাননীয় সদস্য-সদস্যা সকলে অংশগ্ৰহণ কৰে আৰু মাননীয় মুখ্য মন্ত্ৰীয়ে বিতৰ্কৰ উত্তৰ দান কৰে।

আজি অধিৱেশনৰ অন্তিমদিনা সদনত মাননীয় সদস্য শ্ৰীভীমানন্দ তাঁতিক বিনা

প্ৰতিদ্বন্দ্বিতাৰে ত্ৰয়োদশ বিধানসভাৰ উপাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হয়। লগতে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ ২০১০ চনৰ ৩১ মাৰ্চ পৰ্যন্ত অসম চৰকাৰৰ সম্পৰ্কীয় প্ৰতিবেদন (ৰাজহপ্ৰাপ্তি) দাখিল কৰা হয়। তদুপৰি বিধানসভাৰ নৱ গঠিত নিৰ্বাচিত সমিতি সমূহ আৰু সদনত ৩ টাকৈ বিধায়িনী দল-গোটৰ মান্যতা প্ৰদান কৰাৰ কথা ঘোষণা কৰা হয়।

অধিৱেশনৰ কাৰ্যসূচী পৰিচালনা কৰাৰ ক্ষেত্ৰ ত আমাক সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ দি সহযোগিতা আগবঢ়োৱাৰ বাবে সদনৰ নেতা তথা মাননীয় মুখ্য মন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়ালৈ মোৰ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো। সংসদীয় পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীনীলমণি সেন ডেকা ডাঙৰীয়াই সদনৰ ভিতৰে বাহিৰে আমাক সময়োচিত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে তেখেতলৈ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো। অসমৰ মন্ত্ৰী পৰিষদৰ সদস্য সকল, অসম বিধানসভাৰ উপাধ্যক্ষ শ্ৰীভীমানন্দ তাঁতী ডাঙৰীয়া, শাসকীয় দলৰ সদস্য-সদস্যা সকল, বিৰোধী গোট সমূহৰ মাননীয় সদস্য-সদস্যা সকলে সদন পৰিচালনাৰ ক্ষেত্ৰ ত আমালৈ আগবঢ়োৱা সহায় সহযোগিতাৰ বাবে তেখেত সকলৰ প্ৰতি অসম বিধানসভাৰ হৈ মই ধন্যবাদ জ্ঞাপন কৰিলো। তদুপৰি সদন পৰিচালনাৰ বাবে মনোনীত সভাপতি মণ্ডলীৰ সদস্য কেইগৰাকীৰ প্ৰতিও ধন্যবাদ জ্ঞাপন কৰিলো।

অধিৱেশনৰ কাম কাজ সুচাৰুৰূপে পৰিচালনা কৰোতে আগবঢ়োৱা সকলো প্ৰকাৰৰ সেৱা আৰু সহযোগিতাৰ বাবে অসম বিধানসভাৰ প্ৰধান সচিবকে ধৰি সচিবালয়ৰ সকলো পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীলৈ মোৰ আন্তৰিক শলাগ জনালো।

অধিৱেশনৰ কেইদিনৰ কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন কৰাত সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাৰ বাবে অসম চৰকাৰৰ মুখ্য সচিবকে ধৰি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল, বিধানসভা চৌহদৰ ভিতৰে-বাহিৰে নিৰাপত্তাৰ দায়িত্ব নিয়াৰিকৈ পালন কৰাৰ বাবে অসম আৰক্ষী বিভাগৰ সঞ্চালকপ্ৰধান প্ৰমুখ্যে বিভাগটোৰ বিষয়া-কৰ্মচাৰী সকলোলৈ অসম বিধানসভাৰ তৰফৰ পৰা মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

অধিৱেশনৰ প্ৰথম দিনা নৱ নিৰ্বাচিত সদস্য সকলৰ শপত গ্ৰহণ আৰু দ্বিতীয়দিনা

মহামান্য ৰাজ্যপালৰ ভাষণ পোনপটীয়াকৈ প্ৰচাৰ কৰাৰ বাবে দূৰদৰ্শন, আকাশবাণীকে আদি কৰি বৈদ্যুতিক প্ৰচাৰ মাধ্যম সমূহলৈ অসম বিধানসভাৰ তৰফৰ পৰা মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। অধিৱেশনৰ কেউদিনৰ কাৰ্যসূচীৰ বা-বাতৰি প্ৰচাৰ কৰি বৈদ্যুতিক আৰু ছপা সংবাদ মাধ্যমৰ সাংবাদিকসকলে আমালৈ আগবঢ়োৱা সহযোগিতাৰ বাবে তেখেত সকললৈ অসম বিধানসভাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

এই পবিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্ব পালন কৰোতে অসম বিধানসভাৰ মাননীয় সদস্য-সদস্যা সকলে আগবঢ়োৱা সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ আৰু সহযোগিতাৰ বাবে মই পুনৰবাৰ তেখেত সকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাই মোৰ ধন্যবাদসূচক বক্তব্যৰ সামৰণি মাৰিলো।

সদন অনিৰ্দিষ্ট কালৰ বাবে স্থগিত কৰা হ'ল।

## ADJOURNMENT

The house then stood adjourned
sine-die at 1.55 PM.

Dispur :
The 8th June, 2011

**G.P. Das,**
*Principal Secretary,*
Assam Legistative Assembly